# প্ৰাথমিক শিক্ষাৰ ডিপ্লমা পাঠ্যসূচী

# (ডি এল এড)

পাঠ্যসূচী-৫০১

## ভাৰতবৰ্ষত প্ৰাথমিক শিক্ষা ঃ এক সামাজিক-সাংস্কৃতিক দৃষ্টিভংগী

### খণ্ড - ২

### সমসাময়িক প্ৰেক্ষাপটত ভাৰতবৰ্ষত প্ৰাথমিক শিক্ষা - ১

ৰাষ্ট্ৰীয় মুক্ত বিদ্যালয় অনুষ্ঠান

A-২৪/২৫, আনুষ্ঠানিক ক্ষেত্ৰ, চেক্টৰ-৬২, নয়ডা

গৌতমবুদ্ধ নগৰ, উত্তৰ প্ৰদেশ - ২০১৩০৯

বেৱচাইট ঃ ডব্লিউ ডব্লিউ ডব্লিউ. এন আই, ও, এচ. ইন

## খণ্ড - ২

# সমসাময়িক প্ৰেক্ষাপটত ভাৰতবৰ্ষত প্ৰাথমিক শিক্ষা - ১

### খণ্ড গোটসমূহ

গোট ৫ প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণৰ ব্যৱস্থাসমূহ/কৌশলসমূহ-১

গোট ৬ প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণৰ ব্যৱস্থাসমূহ/কৌশলসমূহ

গোট ৭ প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণৰ পৰিকল্পনা আৰু পৰিচালনা

**খণ্ড অৱতাৰণা ঃ**

খণ্ড ২ টোত গোট ৫, গোট ৬ আৰু গোট ৭ এই তিনিটা গোট কৰা হৈছে।

**গোট ৫ টোৱে** প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণৰ ব্যৱস্থাসমূহ আৰু সেইবোৰৰ প্ৰভাৱৰ বিষয়ে আলোকপাত কৰিব। আপোনালোকে এই গোটটোত বিভিন্ন ৰাজ্যত প্ৰাথমিক শিক্ষাৰ বৰ্তমানৰ পৰিসাংখিক চিত্ৰৰ বিষয়ে অধ্যয়ন কৰিব। যেনে— মহাৰাষ্ট্ৰ, উত্তৰ প্ৰদেশ, বুনিয়াদী শিক্ষা প্ৰকল্প, বিহাৰ শিক্ষা প্ৰকল্প, লোক জুম্বিচ শিক্ষাকৰ্মী, ডিপিইপি.

**গোট ৬** ত আপোনালোকে ৬ বছৰৰ পৰা ১৪ বছৰ বয়সৰ শিশুসকলক প্ৰাথমিক শিক্ষা প্ৰদান কৰাৰ বাবে প্ৰস্তুত কৰা সৰ্বশিক্ষা অভিযানৰ গুৰুত্বপূৰ্ণ বৈশিষ্ট্যসমূহ, পৰিচালনা আৰু পৰ্য্যবেক্ষণৰ বিষয়ে অধ্যয়ন কৰিব।

গোট ৭ টোত আপোনালোকে সাৰ্বজনীন প্ৰাথমিক শিক্ষাৰ পৰিকল্পনা আৰু পৰিচালনাৰ বিষয়ে অধ্যয়ন কৰিব। ইয়ে আপোনালোকক আপোনালোকৰ বিদ্যালয় সংগঠনৰ বাবে সম্পদসমূহৰ সুবিধা লাভৰ বাবে কাক যোগাযোগ কৰিব লাগে আৰু কি পদ্ধতি অৱলম্বন কৰিব লাগে সেই বিষয়ে জনাত সহায় কৰিব। এই বোধে আপোনালোকক আকৌ অৰ্থপূৰ্ণভাৱে বিদ্যালয়ৰ আৰু স্থানীয় চৰকাৰৰ সিদ্ধান্ত গ্ৰহণত অংশগ্ৰহণ কৰাত সহায় কৰিব।

# পাঠ্যসূচী


| ক্ৰমিকনম্বৰ | গোটৰ নাম | পৃষ্ঠা নম্বৰ |
|---|---|---|
| ১। | গোট ৫ ঃ প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণৰ ব্যৱস্থা/কৌশলসমূহ-১ | ০৯ |
| ২। | গোট ৬ ঃ প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণৰ ব্যৱস্থা/কৌশলসমূহ | ৩৮ |
| ৩। | গোট ৭ ঃ প্ৰাথনিক শিক্ষাৰ সাৰ্বজনীনকৰণৰ পৰিকল্পনা আৰু পৰিচালনা | ৫৩ |

# গোট ৫ ঃ প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণৰ ব্যৱস্থাসমূহ/কৌশলসমূহ - ১

**সংগঠন ঃ**

৫.০ অৱতাৰণা

৫.১ শিক্ষণ উদ্দেশ্যসমূহ

৫.২ প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণ (ইউ ই ই)

৫.৩ প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণৰ বাবে প্ৰকল্প ৰূপ

৫.৩.১ ইউ-পি বুনিয়াদী শিক্ষা প্ৰকল্প

৫.৩.২ বিহাৰ শিক্ষা প্ৰকল্প

৫.৩.৩ লোক জুম্বিচ

৫.৩.৪ শিক্ষা কৰ্মী

৫.৩.৫ ৰাজ্য বিশেষে প্ৰকল্প যেনে মহাৰাষ্ট্ৰ

৫.৩.৫.১ সামাজিকভাৱে বঞ্চিত শিশুসকলৰ বাবে আঁচনি

৫.৩.৫.২ ছোৱালীৰ বাবে আঁচনি

৫.৩.৫.৩ অৰ্থনৈতিকভাৱে পিছপৰা শিশুসকলৰ বাবে আঁচনি

৫.৩.৫.৪ দূৰৱৰ্তী এলেকাৰ শিশুসকলৰ বাবে আঁচনি।

৫.৩.৫.৪ বিদ্যালয় বহিৰ্ভুত শিশুসকলৰ বাবে আঁচনি

৫.৩.৫.৬ বিশেষ লক্ষ্মদলৰ শিশুসকলৰ বাবে আঁচনি (বাধাগ্ৰস্ত শিশুসকল, দেৱদাসী শিশুসকল ইত্যাদি)

৫.৪ জিলা প্ৰাথমিক শিক্ষা আঁচনি (ডিপিইপি)

৫.৪.১ ডিপিইপিৰ উদ্দেশ্যসমূহ

৫.৪.২ ডিপিইপিৰ মুখ্য উপাদানসমূহ

৫.৪.৩ ডিপিইপিৰ কাৰ্যকৰী পৰিকল্পনা

৫.৪.৪ ব্যৱস্থা/কৌশলসমূহ আৰু কাৰ্যাৱলীসমূহ

৫.৪.৫ প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণত আঁচনিৰ প্ৰভাৱ

৫.৫ সামৰণি

৫.৬ শব্দকোষ/সংক্ষিপ্ত নাম

৫.৭ পৰামৰ্শমূলক পঠন আৰু প্ৰসংগপুথি

৫.৮ গোট সমাপ্তি/সামৰণি অনুশীলনী

# প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণৰ ব্যৱস্থা/কৌশলসমূহ-১

**৫.০ অৱতাৰণা ঃ**

যিহেতু আপোনালোকে জানে বা আপোনালোক আগত যে প্ৰাথমিক শিক্ষা ভাৰতবৰ্ষৰ শৈক্ষিক আঁচনি, নীতি আৰু পৰিকল্পনাৰ আটাইতকৈ গুৰুত্বপূৰ্ণ উপাদান। শিক্ষা ৰাজ্য আৰু কেন্দ্ৰ উভয় চৰকাৰৰে বিচাৰ্য বিষয়। স্বাধীনতাৰ কালৰ পৰাই ভাৰতবৰ্ষত ৰাজ্য চৰকাৰসমূহে শিক্ষা প্ৰদান কৰি আহিছে। ১৯৮৬ চনত কেন্দ্ৰীয় চৰকাৰে ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ দ্বাৰা বহুতো আঁচনি প্ৰৱৰ্তন কৰিছিল, যি দেশখনত প্ৰাথমিক শিক্ষাৰ স্থিতি উন্নত কৰিছিল। বৰ্তমান ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যত প্ৰাথমিক শিক্ষাৰ স্থিতি কি? আমি কি পৰিস্থিতিত আছো? প্ৰাথমিক শিক্ষাৰ উন্নয়নৰ বাবে ৰাজ্যসমূহে কি ব্যৱস্থা/প্ৰচেষ্টা হাতত লৈছে? এই গোটটোত আমি এনে ধৰণৰ প্ৰশ্নসমূহৰ উত্তৰ বিচাৰিবলৈ চেষ্টা কৰিম।

**৫.১ শিক্ষণ উদ্দেশ্যসমূহ ঃ**

এই গোটটো অধ্যয়ন কৰাৰ পিছত আপোনালোকে সমৰ্থনবান হ'ব—

- জি ই আৰ (GER– Gross enralment ratio) ৰ ক্ষেত্ৰত আৰু এন ই আৰ (NER– Net enrolment ratio)ৰ ক্ষেত্ৰত আপোনালোকৰ ৰাজ্যৰ (মহাৰাষ্ট্ৰৰ ৰাজ্যৰ ঘটনা বিৱৰণৰ ভিত্তিত) প্ৰাথমিক শিক্ষাৰ বৰ্তমানৰ স্থিতি সম্বন্ধে এক প্ৰতিবেদন প্ৰস্তুত কৰিবলৈ সমৰ্থ হ'ব।
- প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণৰ প্ৰেক্ষাপটত প্ৰাথমিক শিক্ষাৰ বিভিন্ন ৰাজ্যভিত্তিক প্ৰকল্পসমূহৰ পৰীক্ষা কৰিবলৈ সমৰ্থবান হ'ব।
- আপোনালোকৰ ৰাজ্যত (মহাৰাষ্ট্ৰৰ ৰাজ্যৰ ঘটনাৰ ভিত্তিত) বিভিন্ন পৰিকল্পনাসমূহ আৰু প্ৰকল্পসমূহৰ ক্ষেত্ৰত প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণৰ উন্নতিৰ বিষয়ে পুনৰীক্ষণ কৰিবলৈ
- প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণৰ বাবে ডিপিইপিয়ে গ্ৰহণ কৰা বিভিন্ন ব্যৱস্থাসমূহৰ বিষয়ে তালিকা প্ৰস্তুত আৰু বৰ্ণনা কৰিবলৈ সমৰ্থবান হ'ব।
- আপোনালোকৰ ৰাজ্যৰ বিভিন্ন জিলাসমূহত প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণত ডিপিইপিৰ প্ৰভাৱৰ তুলনা কৰিবলৈ সমৰ্থবান হ'ব।

**৫.২ প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণ (ইউ ই ই) ঃ**

আপোনালোকে প্ৰশংসা কৰিব যে আপোনালোকৰ ৰাজ্যত প্ৰত্যেক শিশুক প্ৰাথমিক শিক্ষাৰ সুবিধা প্ৰদানৰ বাবে, ইয়াৰ কৃতকাৰ্যতাৰে কাৰ্যকৰীকৰণৰ ক্ষেত্ৰত দেখা দিয়া সমস্যাসমূহ দূৰীকৰণৰ বাবে আপোনালোকে কঠোৰ পৰিশ্ৰম কৰিব লাগিব। অভিভাৱক আৰু শিশুসকলে বিদ্যালয়ত যোৱাৰ ক্ষেত্ৰত সন্মুখীন হোৱা সমস্যাসমূহৰ ক্ষেত্ৰত প্ৰত্যেকখন ৰাজ্যই পৃথক। পৰৱৰ্তী পৰ্যায়লৈ যোৱাৰ আগতে তলত উল্লেখ কৰা এই উদাহৰণলৈ চাওক—

প্ৰকাশ গণেশ পাটিল হৈছে ধুমকা জিলাৰ মহাদি গাঁওৰ এজন চতুৰ্থ শ্ৰেণীৰ ছাত্ৰ। তেওঁৰ এজন ২য় শ্ৰেণীত পঢ়া কনিষ্ঠ ভায়েক আছে আৰু ষষ্ঠ শ্ৰেণীত পঢ়া জ্যেষ্ঠা বায়েক আছে। প্ৰকাশৰ দেউতাক গণেশে এজন কমাৰ যি গৰুৰ জোতা ফিক্স কৰে। কুঁহিয়াৰ কাটা ব্যক্তিসকলে গৰুগাড়ীৰ সহায়ত কুঁহিয়াৰ কঢ়িয়াই নিবলৈ তেওঁলোকৰ লগত গৰুবোৰ লৈ আহিছিল। ই তেওঁৰ বাবে যথেষ্ট কামৰ সুবিধা প্ৰদান কৰিছিল। তেওঁ কুঁহিয়াৰ কাটা ব্যক্তিসকলৰ লগত ৬ মাহৰ বাবে আছিল। গণেশে প্ৰত্যেক বছৰে দীপাৱলীৰ আগত তেওঁৰ পৰিয়ালৰ সৈতে উদ্যোগ ক্ষেত্ৰলৈ আহিছিল। উদ্যোগ ক্ষেত্ৰলৈ অহাৰ পিছত প্ৰকাশে জিলা পৰিষদৰ বিদ্যালয়লৈ শিক্ষা গ্ৰহণৰ অব্যাহত কৰাৰ বাবে যাব বিচাৰিছিল। গাঁওৰ বিদ্যালয়ৰ পৰা জিলা পৰিষদৰ বিদ্যালয়লৈ স্থানান্তৰণৰ প্ৰক্ৰিয়াত সমস্যাৰ বাবে সি দুবছৰ লোকচান কৰিছিল। গতিকে তলৰ প্ৰশ্নবোৰ লক্ষ্য কৰক আৰু আপোনালোকে কি ভাবে চাওক।

- প্ৰকাশে তেওঁৰ শিক্ষা এৰিব বুলি ভাবিছিল আৰু দেউতাকৰ ব্যৱসায়ত সহায় কৰিব বিচাৰে। আপোনালোকে সি বিদ্যালয় এৰাটো উচিত হ'ব বুলি ভাবেনে?
- আপোনালোকে কিদৰে প্ৰকাশৰ শিক্ষা অব্যাহত কৰিবলৈ প্ৰকাশৰ দেউতাকক পৰামৰ্শ প্ৰদান কৰিব?

> এই ধৰণৰ সমস্যাসমূহ সমাধান কৰিবলৈ, মহাৰাষ্ট্ৰত ৰাজ্য চৰকাৰে শাৰীৰিক স্থানচ্যুতিৰ ক্ষেত্ৰত বিদ্যালয় শিক্ষা অব্যাহত ৰখাৰ কৌশল বা ব্যৱস্থা হিচাপে ২০০১ চনত সাক্ষৰ শালা (Shakhar Shalas) আৰম্ভ কৰিছিল। চাখৰ চাৰ্লচ গোটেই বছৰ কাম নকৰে। তেওঁলোকে কেৱল শৈক্ষিক বৰ্ষৰ দ্বিতীয় খণ্ডৰ সময়ছোৱাতহে কাম কৰে। সাধাৰণতে গৰমৰ বন্ধৰ পিছত জুন মাহত বিদ্যালয় আৰম্ভ হয়। কুঁহিয়াৰ কটা ব্যক্তিসকলৰ শিশুসকলে নিষ্পেষণ ঋতুৰ সময়ছোৱাত প্ৰব্ৰজন কৰে যি অক্টোবৰ আৰু নৱেম্বৰ মাহৰ মাজত পৰে। প্ৰব্ৰজনৰ সময়ছোৱাত শিশুসকলে কেইবামাহৰ বাবে বিদ্যালয়ত অনুপস্থিত থাকে আৰু যেতিয়া পিছৰ বছৰৰ মাৰ্চ এপ্ৰিল মাহত তেওঁলোকৰ পৰিয়াল গাঁওলৈ উভতি আহে, শিশুসকলে তেওঁলোকে আধাতে এৰা শিক্ষা পুনৰ আৰম্ভ কৰিবলৈ অসমৰ্থ হয় আৰু এইদৰে তেওঁলোকে বিদ্যালয় এৰিবলৈ বাধ্য হয়। সাক্ষৰ শালা (Shakhar Shalas) ত, ছাত্ৰ-ছাত্ৰীসকলৰ উপযোগীকৈ প্ৰব্ৰজনৰ সময়ছোৱাৰ মাজত চেনি উদ্যোগৰ কাষত শ্ৰেণীসমূহ সময়মতে আৰম্ভ কৰা হয়। (প্ৰায় ৬ মাহ) সেয়ে সেইবোৰক 'দ্বিতীয় ষান্মাসিক বিদ্যালয়' বুলি কোৱা হয় (Second Semester School)



শ্ৰেণীকোঠাৰ বাহিৰ (কুঁহিয়াৰৰ ফাৰ্মত সাক্ষৰশালা)

এই অধ্যয়নে আমাক তলত দিয়া ধৰণে প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণৰ বিষয়ে সংজ্ঞা দিয়াত সহায় কৰিব।

শিক্ষাৰ সাৰ্বজনীনকৰণ মানে হৈছে স্থান আৰু শিশুসকলৰ বিশেষ প্ৰয়োজন অনুসৰি সকলোতে শিক্ষাৰ সুবিধা উপলব্ধ কৰা।

ভাৰতবৰ্ষত বিদ্যালয় শিক্ষা বহলভাৱে তলত উল্লেখিত পৰ্যায়ত বিভক্ত কৰিব পাৰি।

প্ৰাক্-বিদ্যালয়— ৩ৰ পৰা ৬ বছৰ বয়সলৈ

প্ৰাথমিক— প্ৰাথমিক (১-৫ম লৈ) ৬-১১বছৰ বয়সলৈ

— উচ্চ-প্ৰাথমিক (৬-৮ম লৈ) ১১-১৪ বছৰ বয়সলৈ

মাধ্যমিক— (৯ম-১০ম) ঃ ১৫-১৬ বছৰ বয়সলৈ

উচ্চ মাধ্যমিক— (১১ম-১২ম) ঃ ১৭-১৮ বছৰ বয়সলৈ।


নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ক একেলগে প্ৰাথমিক শিক্ষা বুলি অভিহিত কৰা হৈছে।

প্ৰাথমিক শিক্ষা হৈছে শিক্ষা ব্যৱস্থাৰ পিৰামিডৰ ভেটি স্বৰূপ। আৰু সৰ্বশিক্ষা অভিযানৰ দ্বাৰা দশম পঞ্চবাৰ্ষিক পৰিকল্পনাত মুখ্য স্থান লাভ কৰিছে। সমগ্ৰ অঞ্চলতে সৰ্বশিক্ষা অভিযানে প্ৰাথমিক বিদ্যালয়ৰ সুবিধাৰ উন্নয়ন কৰিছে, যিয়ে প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণৰ দিশ পথ সুচল কৰিছে।

**প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণ আৰু ইয়াৰ দিশসমূহ ঃ**

প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণক আকৌ প্ৰত্যেক ব্যক্তিকে শিক্ষিত কৰি তোলাৰ বাবে প্ৰত্যেক

ব্যক্তিক সমান সুবিধাৰ উপলব্ধকৰণ বুলি সংজ্ঞায়িত কৰা হৈছে। প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণৰ তিনিটা দিশ আছে—




চিত্ৰ ঃ ৫.১

**প্ৰাথমিক শিক্ষা ঃ**

**সাৰ্বজনীন সুবিধা আৰু নামভৰ্তিকৰণ ঃ**

ভাৰত চৰকাৰে প্ৰতি কিলোমিটাৰ দূৰত্বত প্ৰাথমিক বিদ্যালয় স্থাপনৰ পৰিকল্পনা কৰিছিল যাতে ছাত্ৰ-ছাত্ৰীসকলে শিক্ষাৰ সুবিধা পায়। নিৰ্দিষ্ট বিদ্যালয়ৰ পৰিসীমাৰ অধীনত অহা পৰিয়ালসমূহৰ জৰীপকৰণ সেই বিদ্যালয়ৰ দ্বাৰা বছৰৰ আৰম্ভণিত কৰা হৈছিল। সকলো শিশুৰে, যিবোৰ শিক্ষাৰ বাবে উপযুক্ত আৰু যিসকল বিদ্যালয় বহিৰ্ভূত তেওঁলোকক উভয়কে বিদ্যালয়লৈ অনাৰ বাবে তালিকা প্ৰস্তুত কৰা হৈছিল। যেতিয়া বিদ্যালয় আৰম্ভ হয়/খোলে, সকলো উপযুক্ত ছাত্ৰ-ছাত্ৰীৰ ১০০ শতাংশ নামভৰ্তিকৰণ নিশ্চিত কৰিবলৈ নামভৰ্তিকৰণ সপ্তাহ পালন কৰা হৈছে।

**উপস্থিতি আৰু সংৰক্ষণ ঃ** এইটো অনুভৱ কৰা হৈছে যে বঞ্চিত শিশুসকলক শিক্ষা ব্যৱস্থাত নামভৰ্তিকৰণতকৈ, তেওঁলোকৰ বিদ্যালয়ত নামভৰ্তিকৰণ সংৰক্ষণ কৰাটো অধিক প্ৰত্যাহ্বানমূলক কাম। গতিকে ১৪ বছৰ বয়সলৈ শিশুসকলৰ সাৰ্বজনীন সংৰক্ষণ অতি গুৰুত্বপূৰ্ণ। গতিকে বিভিন্ন সা-সুবিধাসমূহ যেনে— দৈনিক ভাট্টা, বিনামূলীয়া ভ্ৰমণ পাছ, বিনামূলীয়া মধ্যাহ্ন ভোজন আদি প্ৰদান কৰা হৈছে আৰু উপস্থিতিৰ হাৰ উন্নতিৰ বাবে নতুন শিক্ষাৰ কৌশল গ্ৰহণ কৰা হৈছে।

**শিক্ষাৰ গুণমান ঃ** ই প্ৰতিজন শিশুৰ সামৰ্থ অনুসৰি শিক্ষণৰ ন্যুনতম পৰ্যায় লাভ কৰাৰ বাবে প্ৰত্যেকজন শিশুকে গুণগত শিক্ষাৰ ব্যৱস্থা প্ৰদান কৰাটো বুজাইছে আৰু আন্তঃগাঁথনি, খোৱা-পানীআৰু শৌচালয়ৰ মৌলিক সুবিধাসমূহ, শিক্ষকৰ প্ৰশিক্ষণ আৰু ছাত্ৰ-ছাত্ৰী-শিক্ষকৰ অনুপাতৰ অৰ্থপূৰ্ণ উন্নয়ন বুজায়।

**কাৰ্যাৱলী ঃ**

ধৰা হ'ল এখন বিদ্যালয়ত ছজিদ আৰু তাৰ ভনীয়েক প্ৰত্যেক শনিবাৰে অনুপস্থিত থাকে আৰু তেওঁলোকৰ শিক্ষকক সদায় মিছা কাৰণ দিয়ে। এজন শিক্ষক হিচাপে তেওঁলোকৰ অনুপস্থিতিৰ কাৰণ অনুসন্ধান কৰাৰ বাবে আপোনাৰ প্ৰথম পদক্ষেপ কি হ'ব

..........................................................................................................

..........................................................................................................

..........................................................................................................

**৫.৩ বিভিন্ন ৰাজ্যত প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণৰ বাবে প্ৰকল্প ৰূপ ঃ**

২১ শতিকাত সোমোৱাৰ পূৰ্বে ভাৰত চৰকাৰে ৰাষ্ট্ৰীয় শিক্ষানীতি ১৯৮৬ আৰু কৰ্ম/ক্ৰিয়া পৰিকল্পনা ১৯৯২ চনৰ অধীনত ১৪ বছৰ বয়স পৰ্যন্ত সকলো শিশুকে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ সৈতে প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণৰ আশ্বাস দিছিল। এই লক্ষ্যত উপনীত হ'বলৈ আঁচনিসমূহ অভিযান আকাৰত কাৰ্যকৰী কৰা হৈছিল, যিয়ে বুজাইছিল যে প্ৰকল্পসমূহৰ স্পষ্ট উদ্দেশ্য, পৰিসৰ আৰু কাৰ্যকৰীকৰণৰ সাময়িকতা আৰু পৰিমাণযোগ্য ফলাফল আছে আৰু প্ৰত্যেকটো পৰ্যায়তে সহায় প্ৰদান কৰে।

**৫.৩.১ উত্তৰ প্ৰদেশ বুনিয়াদী শিক্ষা প্ৰকল্প (ইউ-পি-বিইপি) ঃ**

বুনিয়াদী শিক্ষা প্ৰকল্পটো উত্তৰ প্ৰদেশ ৰাজ্য চৰকাৰৰ দ্বাৰা বিশ্ববেংকৰ অনুদানৰ অধীনত ১৯৯৩ চনত আৰম্ভ কৰা হৈছিল। উত্তৰ প্ৰদেশৰ এখন সমাজ যাক চভী কে লিয়ে শিক্ষাপৰিয়োজনা পৰিষদ (UP education for all project board) বা সকলোৰে বাবে শিক্ষা পৰিযোজনা পৰিষদৰ ওপৰত এই প্ৰকল্পটো কাৰ্যকৰীকৰণৰ দায়িত্ব ন্যস্ত কৰা হৈছিল।

**প্ৰকল্পটোৰ উদ্দেশ্যসমূহ ঃ**

- প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণক, ১৪ বছৰ বয়সলৈ সকলো শিশুকে প্ৰাথমিক শিক্ষাৰ সুবিধা প্ৰদান কৰাৰ সমগ্ৰ ব্যৱস্থা হিচাপে গণ্য কৰা আৰু আনুষ্ঠানিক আৰু অগতানুগতিক মাধ্যমৰ দ্বাৰা প্ৰাথমিক পৰ্যায় সমাপ্ত নকৰা পৰ্যন্ত সাৰ্বজনীন সংৰক্ষণ কৰা।
- নূন্যতম পৰ্যায়ৰ শিক্ষণৰ বাবে সাৰ্বজনীন সাফল্য ব্যৱস্থা।
- যুৱকসকলৰ বাবে শিক্ষাৰ ব্যৱস্থা আৰু কৌশল বিকাশৰ ব্যৱস্থা কৰা।
- মহিলা সবলীকৰণ আৰু শিক্ষাত লিংগ সমতা।
- এচ চি আৰু এচ টি (SC/ST) শিশুসকলৰ বাবে শিক্ষাৰ সমান সুবিধা প্ৰদান।

**কৌশল/ব্যৱস্থাসমূহ** ঃ এই প্ৰকল্পটোত গ্ৰহণ কৰা ব্যৱস্থাসমূহ তলত উল্লেখ কৰা ধৰণৰ—

- ৰাজ্য আৰু জিলা পৰ্যায়ৰ পৰিকল্পনাৰ সুদৃঢ় গাঁথনি, পৰিচালনা আৰু বৃত্তিগত সহায়, ৰাজ্যিক

সংগঠন আদি স্থাপন কৰা হৈছিল যাতে আনুষ্ঠানিক সামৰ্থ গঢ়িবলৈ পৰিকল্পনা, পৰিচালনা আৰু বিভিন্ন বুনিয়াদী শিক্ষা বিকাশ ব্যৱস্থাৰ মূল্যায়ন কৰিব পৰা যায়।

- আগতীয়া বাল্যকালৰ শিক্ষা পাঠ্যক্ৰমৰ সংস্কৰণ, কৰ্ম-কালীন প্ৰশিক্ষণ, মহিলা আৰু ছোৱালী শিক্ষা, বিদ্যালয় পৰিচালনা সুদৃঢ়কৰণ আদি শিক্ষাৰ গুণমান উন্নত কৰাৰ বাবে ব্যৱহাৰ কৰা হৈছিল।
- বঞ্চিত অঞ্চলসমূহ অধিক সংখ্যক প্ৰাথমিক আৰু উচ্চ মাধ্যমিক বিদ্যালয় গঠনৰ/স্থাপনৰ দ্বাৰা দহখন জিলাত বুনিয়াদী শিক্ষাৰ সুবিধা প্ৰদানত উন্নতি সাধন কৰা আৰু বিদ্যালয় বৰ্হিভূত শিশুসকলৰ বাবে অগতানুগতিক শিক্ষাৰ পুনঃপ্ৰস্তুতিত কাৰ্যকৰীকৰণ সমৰ্থন কৰা।

কাৰ্যাৱলীসমূহ ঃ তলৰ কাৰ্যাৱলীসমূহৰ ওপৰত আলোকপাত কৰা হৈছিল—

- সংস্কৃতি আৰু যোগাযোগৰ ওপৰত শৈক্ষিক কাৰ্যাৱলী
- বিজ্ঞান আৰু পৰিবেশ
- সামাজিক ন্যায়ৰ ধাৰণা সৃষ্টি কৰা।

**কাৰ্যকৰীকৰণ ঃ** উত্তৰাঞ্চলক অন্তৰ্ভুক্ত কৰি উত্তৰ প্ৰদেশৰ ৬৩ খন জিলাৰ ভিতৰত ১০ খন লক্ষ্য নিৰ্ধাৰিত জিলাত প্ৰকল্পৰ বিভিন্ন কাৰ্যাৱলীসমূহ কেন্দ্ৰীভূত কৰা হৈছিল। ইয়াৰ অন্তৰ্ভুক্ত জিলাসমূহ হৈছে— বাৰানসী, এলাহাবাদ, বান্দা, এটাবাহ, সীতাপুৰ, আলিগড়, চাহাৰণপুৰ, গোৰখপুৰ পৌৰি আৰু নৈনিতাল।

### ৫.৩.২ বিহাৰ শিক্ষা প্ৰকল্প (বি ই পি) ঃ

ৰাজ্যত শিক্ষাৰ গুণমান উন্নয়নৰ ওপৰত গুৰুত্ব আৰোপ কৰি এই প্ৰকল্পই প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে। এই প্ৰকল্পটো উত্তৰ প্ৰদেশৰ বুনিয়াদী শিক্ষা প্ৰকল্পৰ সফলতাৰ ওপৰত আৰু ইউ পি বি ই পি ৰ কাৰ্যকৰীকৰণৰ বাবে দায়বদ্ধ সংস্থাসমূহৰ ওপৰত প্ৰতিষ্ঠিত যেনে— ইয়াৰ বাবে উত্তৰ প্ৰদেশ বুনিয়াদী শিক্ষা পৰিষদ দায়বদ্ধ। ইউনিচেফ, ভাৰত চৰকাৰ আৰু বিহাৰ চৰকাৰৰ দ্বাৰা যুটীয়াভাৱে এই প্ৰকল্পটো গ্ৰহণ কৰা হৈছে। সমাজৰ বঞ্চিত শ্ৰেণীৰ লোকসকল যেনে এচ চি/এচ টি আৰু মহিলাসকলৰ শিক্ষাৰ বাবে এই প্ৰকল্পটোৱে বিশেষ গুৰুত্ব আৰোপ কৰিছে। সকলোৰে বাবে শিক্ষাৰ ক্ষেত্ৰত এইখন হৈছে প্ৰথম ব্যাপকভাৱে অনুদানপ্ৰাপ্ত প্ৰকল্প যি পোনপ্ৰথমে তিনিখন জিলা— ৰাঞ্চি, ৰোহটাছ, আৰু পশ্চিম চম্পৰণ (Ranchi, Rahtos and west champaran) ১৯৯১-৯২ চনত আৰম্ভ হৈছিল আৰু ১৯৯২-৯৩ চনত পিছলৈ আকৌ চাৰিখন জিলালৈ সম্প্ৰসাৰণ হৈছিল।

**প্ৰকল্পটোৰ উদ্দেশ্যসমূহ ঃ**

- প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণক, ১৪ বছৰ বয়স পৰ্যন্ত সকলো বয়সৰ ল'ৰা-ছোৱালীৰ বাবে প্ৰাথমিক শিক্ষাৰ সুবিধা প্ৰদান কৰাৰ সমগ্ৰ ব্যৱস্থা হিচাপে গণ্য কৰা হৈছে আৰু ন্যূনতম পৰ্যায়ৰ শিক্ষণৰ ক্ষেত্ৰত সাৰ্বজনীন সফলতা লাভৰ ব্যৱস্থা হিচাপে অভিহিত কৰা হৈছে।

- মহিলাসকলৰ সমতা আৰু তেওঁলোকৰ সবলীকৰণৰ উদ্দেশ্যৰ পূৰণৰ বাবে শিক্ষা ব্যৱস্থাৰ উন্মুখীকৰণ।
- নিম্ন বৰ্ণৰ, জাতিগত সম্প্ৰদায় আৰু সমাজৰ দুখীয়া শ্ৰেণীৰ লোকসকলৰ শিশু আৰু প্ৰাপ্তবয়স্কসকলক শিক্ষাৰ সমান সুবিধা প্ৰদান কৰাৰ বাবে উপযুক্ত সহায়ক ব্যৱস্থা গ্ৰহণ কৰা।
- শিক্ষাত নামভৰ্তিৰ সুবিধা বৃদ্ধি কৰা আৰু বিশেষকৈ ছোৱালী আৰু এচ চি ছাত্ৰ-ছাত্ৰীসকলৰ বিদ্যালয়ত বাদ পৰা হাৰ হ্ৰাস কৰা।

**কৌশল/ব্যৱস্থাসমূহ**

- প্ৰায় ১১,০০০ প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক শ্ৰেণীকোঠা নিৰ্মাণ কৰা।
- প্ৰায় ১৬,০০০ অতিৰিক্ত শিক্ষক নিযুক্তি কৰা।
- নতুনকৈ নিযুক্তিপ্ৰাপ্ত শিক্ষকসকলৰ প্ৰশিক্ষণ।
- অংশগ্ৰহণকাৰী পৰিকল্পনা আৰু কাৰ্যকৰীকৰণ।
- মহিলা সমীক্ষা উপাদানৰ কাৰ্যকৰীকৰণ।

**কাৰ্যাৱলীসমূহ ঃ** এই প্ৰকল্পৰ দ্বাৰা তলত উল্লেখিত ব্যৱস্থাসমূহ গ্ৰহণ কৰা হৈছিল—

- গাঁও শিক্ষা কমিটিৰ সংগঠন আৰু তৃণমূল পৰ্যায়ত আঁচনি কাৰ্যকৰীকৰণৰ ক্ষেত্ৰত সম্প্ৰদায়ৰ অংশগ্ৰহণ।
- স্বেচ্ছাসেৱী সংগঠনৰ দ্বাৰা অগতানুগতিক শিক্ষা প্ৰদান।
- ৰাজ্যভিত্তিক কৰ্মশালাৰ আয়োজন/সংগঠন ঃ প্ৰধান ব্যক্তি/মূল ব্যক্তিসকলৰ প্ৰশিক্ষণ আৰু প্ৰাথমিক শিক্ষকসকলৰ প্ৰশিক্ষণ আৰু ন্যূনতম পৰ্যায়ৰ শিক্ষণৰ ব্যৱস্থা কৰা।
- মহিলাসকলৰ বিকাশৰ বাবে জিলা পৰ্যায়ত প্ৰধান দলৰ গঠন।
- নামভৰ্তিকৰণ/তালিকাভুক্তিৰ ড্ৰাইভ।
- পোষ্টাৰ কৰ্মাশালা ঃ গাঁৱলীয়া পুথিভঁৰালৰ ধাৰণাৰ সম্প্ৰসাৰণ ইত্যাদি।
- শিক্ষা খণ্ডৰ বাবে কম্পিউটাৰৰ দ্বাৰা অথবা কম্পিউটাৰকৃত পৰ্যবেক্ষণ ব্যৱস্থা।
- মহিলা সমীক্ষা ঃ বিদ্যালয়ৰ স্থানীয় দায়িত্ববোধ স্থাপন/গঢ়ি তুলিবলৈ, আগতীয়া বাল্যকালৰ যতন আৰু শিক্ষাৰ পৰিচালনাৰ ক্ষেত্ৰত সক্ৰিয় ভূমিকা পালন কৰিবলৈ, শিক্ষকসকলক সহায় কৰা আৰু গাঁও শিক্ষা কমিটিত অংশগ্ৰহণ কৰা (ভি ই চি)।

**কাৰ্যকৰীকৰণ ঃ**

ৰাজ্য আৰু জিলা পৰ্যায়ত পৰিচালনা গাঁথনিৰ স্থাপন, মহিলা সবলীকৰণ, ব্যাপক সম্প্ৰদায় গতিশীলন, বুনিয়াদী শিক্ষাত ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় আগ্ৰহৰ গতিশীলন ইত্যাদি জনসংখ্যাৰ

বিশ্লেষণ আৰু নামভৰ্তিকৰণৰ সমস্যাৰ ওপৰত ভিত্তি কৰি শ্ৰেণীকোঠাৰ নিৰ্বাচনৰ বাবে গাঁওভিত্তিক ক্ষুদ্ৰ পৰিকল্পনা প্ৰস্তুত কৰা হৈছিল। ইউ পি বি ই পি ১ (UPBE 1) আৰু দ্বিতীয় জিলা প্ৰাথমিক শিক্ষা প্ৰকল্পৰ পৰ্যবেক্ষণৰ লগত সংগতি ৰাখি প্ৰকল্পৰ পৰ্যবেক্ষণ বছৰত দুবাৰ হোৱা উচিত।

১ ৰ দ্বাৰা সামৰি লোৱা এই প্ৰস্তাৱিত প্ৰকল্পটো ১২ খন জিলাত বৰ্তমান কাৰ্যকৰীকৰণ কৰা হৈছিল।

**৫.৩.৩ লোক জুম্বিচ ঃ**

লোক জুম্বিচ— 'সকলোৰে শিক্ষাৰ বাবে ব্যক্তিৰ আন্দোলন' চুইডিছ আন্তৰ্জাতিক বিকাশ কৰ্তৃপক্ষৰ (এচ আই ডি এ)সমৰ্থিত ৰাজস্থান চৰকাৰৰ দ্বাৰা ১৯৯২ চনত স্থাপন কৰা হৈছিল। ই হৈছে আনুষ্ঠানিক আৰু অগতানুগতিক মাধ্যমৰ আৰু কাৰ্যকৰী সাক্ষৰতাৰ দ্বাৰা এক সন্তোষজনক পৰ্যায়লৈ প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণৰ লক্ষ্যত উপনীত হোৱাৰ ব্যৱস্থা। ই প্ৰধানকৈ ছোৱালী শিক্ষাৰ ওপৰত আৰু পৰিচালনা ব্যৱস্থাৰ স্থাপনৰ আৰু ব্যক্তিসকলৰ গতিশীলনৰ বাবে কাৰ্যাৱলীসমূহৰ আৰম্ভণিৰ উদ্দেশ্যৰ সৈতে পোষ্ট সাক্ষৰতা আৰু অবিৰত শিক্ষাৰ বিকাশৰ গুৰুত্ব প্ৰদান কৰে।

**প্ৰকল্পটোৰ উদ্দেশ্যসমূহ ঃ**

- ২০০০ চনৰ ভিতৰত ব্যক্তিসকলৰ গতিশীল আৰু তেওঁলোকৰ অংশগ্ৰহণৰ দ্বাৰা সকলোৰে বাবে শিক্ষাৰ লক্ষ্যত উপনীত হোৱা।
- ছোৱালী, শিশু আৰু মহিলাসকলৰ ওপৰত গুৰুত্ব প্ৰদান কৰি ছোৱালীসকলৰ নামভৰ্তিকৰণৰ উন্নয়ন নিশ্চিত কৰা।
- শিক্ষাক সমতাৰ আহিলা হিচাপে গণ্য কৰি মহিলাসকলক সবলীকৰণ কৰা।
- প্ৰতিটো লিংগৰ ক্ষেত্ৰত ১৫-৩৫ বছৰৰ দলৰ ব্যক্তিসকলৰ ৮০ শতাংশলৈ সাক্ষৰতাৰ পৰ্যায় বৃদ্ধি কৰা আৰু বঞ্চিত দলৰ ব্যক্তিসকলৰ বাবে ৩ আৰ্চ (3 Rs) জীৱনৰ পৰিস্থিতিৰ বাবে উপযোগী কৰি তোলা।
- শিক্ষণ প্ৰক্ৰিয়াত গুণগত উন্নয়নৰ বাবে প্ৰশিক্ষণৰ ব্যৱস্থা, প্ৰযুক্তিগত সমল/সম্পদ, সহায়ক গাঁথনিৰ সৃষ্টি কৰা।
- স্বচ্ছতা নিশ্চিত কৰা যাৰ দ্বাৰা তথ্য সংগ্ৰহ কৰা হয় আৰু একে ব্যক্তিৰ দ্বাৰা ব্যৱহাৰ কৰা হয় যিসকল ব্যৱস্থা দ্বাৰা ইজনে সিজনৰ লগত সম্পৰ্কিত।

**প্ৰধান উপাদানসমূহ ঃ**

- কমিটিৰ সবলীকৰণৰ সৈতে যিয়ে উন্নয়নৰ খতিয়ান ল'ব আৰম্ভণি আৰু পৰিচালনা ব্যৱস্থাৰ বাবে স্বায়ত্তশাসিত সংস্থাৰ সৃষ্টি কৰা।
- সামাজিক উৎসাহকসকল শিক্ষকসকল আৰু লোক জুম্বিচ কৰ্মচাৰীৰ দ্বাৰা সম্পাদন কৰা বিদ্যালয় মানচিত্ৰ আৰু ক্ষুদ্ৰ পৰিকল্পনাই গাঁও পৰ্যায়ত লোক জুম্বিচৰ প্ৰধান কাৰ্যনিৰ্বাহক বৈশিষ্ট্যসমূহক প্ৰতিনিধিত্ব কৰে। তদুপৰি ই শিক্ষাৰ মূল্যায়ন কৰে যি প্ৰতিটো শিশুৰ তেওঁলোকৰ নামৰ দ্বাৰা

উন্নয়নৰ খাতিয়ান লোৱাত সহায় কৰে।

**কৌশলসমূহ ঃ**

- নিম্ন পৰ্যায়ত এক পদ্ধতিৰ বিকাশ সাধন কৰা যেনে— প্ৰেৰক দল, ভৱন নিৰ্মাণ কমিটি, গাঁও শিক্ষা কমিটি, গোট, খণ্ড স্তৰীয় শিক্ষা প্ৰৱন্ধন সমিতি আৰু খণ্ড চালনা দলসমূহ যাতে পাঁচটা খণ্ডত প্ৰচেষ্টাৰ সময় হিচাপে ব্যৱস্থাসমূহক সমৰ্থন আৰু পৰ্যবেক্ষণ কৰিব পাৰি।
- মহিলাসকলৰ অংশগ্ৰহণ লাভৰ বাবে অধ্যাপিকা মঞ্চৰ সৃষ্টি কৰা।
- কৰ্মৰত ক্ষেত্ৰত দায়িত্ব সম্পূৰ্ণ কৰিবলৈ পৰিচালনাৰমেট্ৰিস্ক প্ৰণালী আৰম্ভ কৰিবলৈ সকলো পৰ্যায়তে কৰ্মচাৰীৰ সংখ্যা বৃদ্ধি কৰা।
- প্ৰত্যেক মাহতে খণ্ড আৰু গোট পৰ্যায়ত সকলো কৰ্মচাৰীৰ পৰ্যালোচনা পৰিকল্পনা সাক্ষাতৰ (Planning meetings) অনুষ্ঠিত কৰা হয় যাতে কামৰ পৰ্যালোচনা হয় আৰু পৰৱৰ্তী মাহৰ বাবে পৰিকল্পনা কৰিব পৰা যায় আৰু এই প্ৰক্ৰিয়াটো জিলা পৰ্যায়ত ২-৩ পৰ্যালোচনা পৰিকল্পনাৰ সাক্ষাতৰ (আৰ পি এম চ)ৰ সৈতে পুনৰাবৃত্তি কৰা হয়।
- প্ৰবেশোৎসৱ— ই হৈছে এক অনুষ্ঠান যাৰ দ্বাৰা শিশুসকল, বিদ্যালয় আৰু সমাজৰ মাজত শিক্ষাৰ বাবে এক ইতিবাচক আৰু সৃষ্টিশীল পৰিবেশৰ সৃষ্টি কৰা হয়।

**কাৰ্যাৱলীসমূহ ঃ** এই প্ৰকল্পটোৰে গ্ৰহণ কৰা প্ৰধান কাৰ্যাৱলীসমূহ তলত উল্লেখিত চিত্ৰ ৫.১ ত দেখুওৱা হৈছে—

| | |
|---|---|
| জনজাতীয় শিশুসকলৰ বাবে হোষ্টেল/আৱাস | ঋতুগত প্ৰব্ৰজনকাৰীসকলৰ শিশু আৰু ভিতৰুৱা অঞ্চলত বসবাস বসবাস কৰা শিশুসকলৰ শৈক্ষিক প্ৰয়োজন পূৰণ কৰা। |
| মহিলা শিক্ষা বিহাৰ | ইয়াত ১৫⁺ বছৰ বয়সৰ বিদ্যালয় বহিৰ্ভুত ছোৱালীসকলৰ বাবে আৱাসিক পাঠ্যসূচীৰ ব্যৱস্থা কৰা হৈছিল যি গাঁওৰ অঞ্চলত এক আৱাসিক গুণগত শিক্ষা প্ৰদান কৰিব। |
| বালিকা শিক্ষা শিবিৰ | ৯⁺ বছৰ বয়সৰ ছোৱালীসকলৰ বাবে বিদ্যালয়ৰ ৬ৰ পৰা ৮ মাহলৈ আৱাসিক শিবিৰ স্থাপন যাতে আনুষ্ঠানিক শিক্ষাত প্ৰৱেশৰ সুবিধা প্ৰদান কৰিব পাৰি। |
| মুক্তাংগন | ই হৈছে বৰাকৰ কৰিমগঞ্জ খণ্ডৰ খান্দেলাখণ্ডৰ জনজাতীয় শিশুশকলৰ বাবে এক ব্যৱস্থা। |
| সহজ শিক্ষা কেন্দ্ৰৰ সাংগঠনিকৰণ বা প্ৰতিষ্ঠা | কৰ্মৰত শিশুসকলৰ প্ৰয়োজন পূৰণ কৰাৰ বাবে ই হৈছে এক অগতানুগতিক শিক্ষা ব্যৱস্থা। |

| | |
|---|---|
| মাদ্ৰাছা | ভৰতপুৰৰ কামান খণ্ডৰ সংখ্যালঘু সম্প্ৰদায়ৰ শিশুসকলক সামৰি লোৱাৰ বাবে সুদৃঢ়কৰণ। |
| বিদ্যালয় স্বাস্থ্য ব্যৱস্থা আঁচনি | বিদ্যালয় শিশুসকলৰ মাজত সচেতনতা সৃষ্টিৰ প্ৰচেষ্টাৰ ওপৰত এই ব্যৱস্থাই আলোকপাত কৰে। |
| অংগনবাড়ী কেন্দ্ৰ | প্ৰাক্-প্ৰাথমিক শিক্ষা ব্যৱস্থাৰ সুদৃঢ়কৰণৰ আৰু প্ৰাথমিক শিক্ষাৰ লগত ইয়াৰ সম্পৰ্ক সুদৃঢ়কৰণৰ বাবে ইউ পিৰ দ্বাৰা প্ৰচাৰিত স্বেচ্ছাসেৱী সংগঠন 'বিহনে' ২৪৫ অংগনবাড়ী কেন্দ্ৰ গ্ৰহণ কৰিছে। |

**চিত্ৰ ঃ** ৫.২ লোক জুম্বিচৰ প্ৰধান কাৰ্যাৱলীসমূহ

**৫.৩.৪ শিক্ষাকৰ্মী প্ৰকল্প ঃ**

ছুইডিচ আন্তৰ্জাতিক বিকাশ কৰ্তৃপক্ষৰ পৰা অনুদানৰ সৈতে ১৯৮৭ চনৰ পৰা ৰাজস্থান শিক্ষাকৰ্মী পৰিষদৰ জৰিয়তে ৰাজস্থান চৰকাৰৰ দ্বাৰা শিক্ষাকৰ্মী প্ৰকল্প নামৰ শৈক্ষিক আঁচনি বা ব্যৱস্থাটো কাৰ্যকৰী কৰা হৈছিল।

এই প্ৰকল্পই শিক্ষকসকলৰ অনুপস্থিতি যি সাৰ্বজনীনকৰণৰ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত প্ৰধান বাধা, সেই বিষয়ে পৰ্যবেক্ষণ কৰিছিল। সেই অনুক্ৰমে এই প্ৰকল্পই দুজন স্থানীয় নিবাসী আৰু শৈক্ষিক কৰ্মী বা শিক্ষাকৰ্মীৰ দ্বাৰা এজনীয়া শিক্ষকৰ বিদ্যালয়ত প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকৰ বিকল্পকৰণৰ কথা ভাবিছিল।

স্থানীয় ব্যক্তিসকলৰ নিয়োগ নিশ্চিত কৰিবলৈ শিক্ষকৰ বাবে নিৰ্ধাৰণ কৰা শৈক্ষিক যোগ্যতা শিক্ষাকৰ্মীসকলৰ নিৰ্বাচনৰ ওপৰত দিয়া হোৱা নাই। কিন্তু তেওঁলোকক প্ৰশিক্ষণ আৰু শৈক্ষিক সমৰ্থন বা সহায় প্ৰদান কৰা হৈছে যাতে শিক্ষক হিচাপে কৰ্তব্য পালন কৰিবলৈ তেওঁলোকক সমৰ্থৱান কৰি তুলিব পাৰি।

**প্ৰকল্পটোৰ উদ্দেশ্যসমূহ ঃ**

- প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণক ১৪ বছৰ বয়সপৰ্যন্ত সকলো শিশুৰ বাবে প্ৰাথমিক শিক্ষাৰ সুবিধা প্ৰদানৰ সমগ্ৰ ব্যৱস্থা হিচাপে গণ্য কৰা হৈছে আৰু ন্যূনতম পৰ্যায়ৰ শিক্ষণৰ ক্ষেত্ৰত সাৰ্বজনীন সফলতা লাভকৰা ব্যৱস্থা হিচাপে অভিহত কৰা হৈছে।
- মহিলাসকলৰ সমতা আৰু তেওঁলোকৰ সবলীকৰণৰ উদ্দেশ্যৰ পূৰণৰ বাবে শৈক্ষিক ব্যৱস্থাৰ উন্মুখীকৰণ।
- নিম্নবৰ্ণৰ জাতিগত আৰু সমাজৰ দুখীয়া শ্ৰেণীৰ লোকসকলৰ শিশু আৰু প্ৰাপ্তবয়স্কসকলক শিক্ষাৰ সমান সুবিধা প্ৰদান কৰাৰ বাবে সহায়ক ব্যৱস্থা গ্ৰহণ কৰা।
- শিশুসকলৰ দুৰ্বল বা নিম্ন নামভৰ্তিকৰণ আৰু শিশুসকলৰ বাদ পৰাৰ উচ্চ হাৰ বিশেষকৈ

ছোৱালীসকলৰ প্ৰধান সমস্যাৰ সমাধান কৰা।

**কৌশলসমূহ বা ব্যৱস্থাসমূহ ঃ**

- এছ আই ডি এৰ দ্বাৰা অনুমোদিত দ্বি-বাৰ্ষিক শিক্ষাকৰ্মী প্ৰকল্পৰ পৰ্যালোচনাত অনুষ্ঠিত হোৱা এক পৰ্যবেক্ষণ অভিযান।
- ক্ষেত্ৰ অভিজ্ঞতা আৰু সন্মতিসূচক সিদ্ধান্ত গ্ৰহণৰ ওপৰত ভিত্তি কৰি এক পদ্ধতি বিকাশ সাধন কৰা।
- ব্যাপক বিকেন্দ্ৰীকৰণ আৰু অধিক সম্প্ৰদায়ৰ অংশগ্ৰহণ।
- শিক্ষাৰ সুবিধাৰ ক্ষেত্ৰত লিংগ আৰু সামাজিক সংবেদনশীলতাৰ বিকাশ।

**কাৰ্যকৰীকৰণ ঃ**

ৰাজস্থান চৰকাৰ আৰু স্বেচ্ছাসেৱী সংগঠনসমূহে প্ৰকল্প নিৰ্দেশকৰ সৈতে (হাতে হাত ধৰি) একেলগে এছ কে প্ৰশিক্ষকসকলৰ বাবে প্ৰশিক্ষণ আৰু শিক্ষাকৰ্মীসকলৰ প্ৰশিক্ষণৰ প্ৰস্তুত, আয়োজন আৰু পৰিচালনা কৰাৰ বাবে কাম কৰে।

গাঁৱলীয়া অঞ্চলৰ বঞ্চিত শ্ৰেণীৰ লোকসকলৰ প্ৰয়োজন পূৰণ কৰাৰ বাবে শিক্ষা সেৱাসমূহে পঞ্চায়ত সমিতি, শিক্ষাকৰ্মী সহযোগী আৰু স্বেচ্ছাসেৱী সংগঠনসমূহৰ বিষয় বিশেষজ্ঞ, শিক্ষাকৰ্মী আৰু গাঁও সম্প্ৰদায়ৰ সমৰ্থন লাভ কৰা উচিত যাতে এই প্ৰকল্পটোৰ লক্ষ্যসমূহত উপনীত হ'ব পৰা যায়।

কাৰ্যাৱলীসমূহ ঃ এই প্ৰকল্পটোৱে গ্ৰহণ কৰা ব্যৱস্থাসমূহ তলত উল্লেখ কৰা ৫.৩ চিত্ৰটোৱে দেখুৱাইছে—

| | |
|---|---|
| দিবাকেন্দ্ৰ— | যেতিয়া প্ৰচলিত প্ৰাথমিক বিদ্যালয়সমূহ শিক্ষাকৰ্মীৰ দ্বাৰা পৰিচালিত হয়, তাক দিবাকেন্দ্ৰ বোলে। |
| প্ৰহৰ পাঠশালা— | যিসকল শিশুৱে দিবাকেন্দ্ৰত উপস্থিত থাকিব নোৱাৰে তেওঁলোক নিশা বিদ্যালয়লৈ আহে ইয়াক প্ৰহৰ পাঠশালা বোলে। |
| মহিলা প্ৰকাশন কেন্দ্ৰ— | এই প্ৰকল্পই আকৌ মহিলা শিক্ষাকৰ্মীৰ নিযুক্তি আৰু মহিলা শিক্ষাকৰ্মী প্ৰশিক্ষণ কেন্দ্ৰ স্থাপনৰ ওপৰত গুৰুত্ব দিছিল, ইয়াক মহিলা প্ৰশিক্ষণ কেন্দ্ৰ বুলি কোৱা হয়। ই স্থানীয় মহিলাসকলক মহিলা শিক্ষাকৰ্মী হিচাপে কাম কৰিবলৈ প্ৰস্তুত কৰি তোলে। |
| সংহত ব্যৱস্থা— | এক জৰীপকৰণে প্ৰমাণ কৰিছে বা তথ্য দাঙি ধৰিছে যে খণ্ড ঘাটল (জনজাতীয়) আৰু বেলট্ৰা (মৰুভূমি)ৰ প্ৰায় ১৪ বছৰ বয়সৰ ৬ শতাংশ শিশুৱে শাৰীৰিক অক্ষমতাত ভোগে। গতিকে অক্ষম শিশুসকলক একলগ কৰিবলৈ আঁচনি এছ কে পি (SKP) বিদ্যালয়সমূহত স্থাপন কৰা হৈছিল। |

**চিত্ৰ ঃ** ৫.৩ শিক্ষাকৰ্মীসকলৰ প্ৰধান কাৰ্যাৱলীসমূহ

**কাৰ্যাৱলী ২ ঃ**

১. আপোনাৰ অঞ্চলত থকা যিকোনো অনুষ্ঠান যি বিদ্যালয় বহির্ভূত শিশুসকলৰ বাবে কাম কৰি আছে তেনে অনুষ্ঠানলৈ যাওক আৰু তলত উল্লেখিত দিশসমূহ সামৰি এখন প্ৰতিবেদন প্ৰস্তুত কৰক।

- সাধাৰণ তথ্য— অনুষ্ঠানৰ নাম, ঠিকনা, দূৰভাষ নম্বৰ, কৰ্মক্ষেত্ৰ, শ্ৰেণী আৰু ছাত্ৰী-ছাত্ৰীৰ সংখ্যা, ৰাজ্যিক পৰ্যায়ৰ নে ৰাষ্ট্ৰীয় পৰ্যায়ৰ।
- উদ্দেশ্যসমূহ আৰু বিভিন্ন কাৰ্যাৱলীসমূহ

(শৈক্ষিক আৰু সহ-পাঠ্যক্ৰমিক)

**৫.৫ ঘটনা বিৱৰণী ঃ মহাৰাষ্ট্ৰৰ বিভিন্ন প্ৰকল্পবোৰ ঃ**

ভাৰতীয় ৰাষ্ট্ৰত প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণৰ বাবে থকা বিভিন্ন প্ৰকল্পসমূহ পৰীক্ষণ কৰিবলৈ আমি এতিয়া এখন ৰাজ্যৰ ঘটনা বিৱৰণী অধ্যয়ন কৰিম। আমি মহাৰাষ্ট্ৰ ৰাজ্যখন নিৰ্বাচন কৰিছো যিখন আপোনালোকে নিজৰ ৰাজ্যৰ লগত সম্পৰ্কিত কৰাৰ প্ৰয়োজন আছে। গুণগত আৰু পৰিমাণগত প্ৰাথমিক শিক্ষাৰ উন্নয়নৰ বাবে মহাৰাষ্ট্ৰত বিভিন্ন প্ৰকল্পৰ বিকাশ আৰু কাৰ্যকৰীকৰণে মহাৰাষ্ট্ৰত প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণৰ দিশ সুচল কৰিব পাৰে।

মহাৰাষ্ট্ৰৰ চৰকাৰে প্ৰাথমিক শিক্ষাৰ বাবে উদ্ভাৱন কৰা বিভিন্ন প্ৰকল্পবোৰ তলত উল্লেখ কৰা হ'ল—

**৫.৩.৫ মহাৰাষ্ট্ৰৰ বাবে ঃ**

**৫.৩.৫.১ সামাজিকভাৱে বঞ্চিত শিশুসকলৰ বাবে আঁচনি ঃ**

অনুসূচীত জাতি, অনুসূচীত জনজাতি, যাযাবৰ জাতি আৰু জনজাতিসকলক সামাজিকভাৱে পিছপৰা শ্ৰেণীত অন্তৰ্ভুক্ত কৰা হৈছে। ৰাজ্য চৰকাৰে মহাৰাষ্ট্ৰৰ পিছপৰা শ্ৰেণীৰ ল'ৰা আৰু ছোৱালীৰ কল্যাণৰ বাবে তলত উল্লেখিত প্ৰকল্পসমূহ পৰিচালনা কৰিছে।

- ১০ম শ্ৰেণী পৰ্যন্ত বেতন
- বিনামূলীয়া ইউনিফৰ্ম আৰু কিতাপ
- আৱাসিক ঘৰ
- চৰকাৰী আৰু ব্যক্তিগত সংস্থাসমূহৰ বাবে হোষ্টেল।
- এন চি ই আৰ টি (NCERT)ৰ দ্বাৰা স্থাপিত সম্ভাৱনা গৱেষণাৰ ৰাষ্ট্ৰীয় পৰিষদে (National Board of talent research) মাধ্যমিক শিক্ষা সমাপ্ত হোৱাৰ পিছত এছ চি/এচ টি ছাত্ৰ-ছাত্ৰীসকলক ছাত্ৰবৃত্তি প্ৰদান কৰে।
- উপস্থিতিৰ বাবে ভাট্টা।

- আশ্ৰম বিদ্যালয়সমূহ
- কিতাপ বেংক আঁচনি।

**৫.৩.৫.২ ছোৱালীৰ বাবে আঁচনি ঃ**

পৰিয়াল আৰু সমাজৰ বাবে ছোৱালীৰ শিক্ষা অতি প্ৰয়োজনীয়। ৰাজ্যখনে ছোৱালী শিক্ষাৰ বাবে বিভিন্ন প্ৰকল্প আৰম্ভ কৰিছে।

**উপস্থিতিৰ বাবে ভাট্টা ঃ**

এছ্ টি ডি ১—৪ত বিদ্যালয়ত বাদ পৰা শিশুৰ হাৰ হ্ৰাস কৰিবলৈ পিছপৰা শ্ৰেণীৰ সকলো ছোৱালীকে ভাট্টা হিচাপে প্ৰতিদিনে এক টকাকৈ প্ৰদান কৰা হ'ব যদি তেওঁলোকে বিদ্যালয়ত ৭৫% কৰ্মদিনত উপস্থিত থাকে।

**অহল্যাবাই হলকাৰ দ্বাৰা ছোৱালীৰ বাবে বিনামূলীয়া ভ্ৰমণৰ ব্যৱস্থা ঃ** ১৯৯৭ চনত চৰকাৰে গাঁৱলীয়া অঞ্চলৰ ছোৱালীৰ বাবে বিনামূলীয়া ভ্ৰমণৰ ব্যৱস্থা কৰিছিল যাতে ছোৱালীসকল তেওঁলোকৰ শিক্ষাৰ বঞ্চিত হ'ব নোৱাৰে।

**মাত্ৰোপ্ৰবোধন (Matru-Prabodhan) প্ৰকল্প ঃ** গাঁও অঞ্চলত প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণৰ লক্ষ্যত উপনীত হ'বলৈ মাতৃসকলক শিশুৰ শিক্ষা, তেওঁলোকৰ স্বাস্থ্য আৰু ব্যক্তিগত বিকাশৰ বিষয়ে শিক্ষিত কৰিবলৈ ব্যৱস্থাৰ আয়োজন কৰা হৈছে।

**সেনা বিদ্যালয় ঃ** মহাৰাষ্ট্ৰৰ ছোৱালীসকলক উৎসাহিত কৰিবলৈ চৰকাৰে নাছিকৰ ভোৰত (Bhor) সেনা বিদ্যালয় স্থাপন/আৰম্ভ কৰিছিল। ছোৱালীসকলক আকৌ কিছু বেতন আৰু পৰৱৰ্তী পৰ্যায়ৰ বাবে প্ৰশিক্ষণৰ বাবে সুবিধা দিয়া হৈছিল যদিহে তেওঁলোক শাৰীৰিকভাৱে সুস্থ।

**সমূহ নিবাসী বিদ্যালয় ঃ** পিছপৰা অঞ্চলৰ ছোৱালীসকল দীঘল দূৰত্বৰ বাবে বিদ্যালয়ত উপস্থিত হ'ব নোৱাৰে, সেয়েহে সমূহ নিবাসী বিদ্যালয়সমূহ আৰম্ভ কৰা হৈছিল।

**৫.৫.৫.৩ অৰ্থনৈতিকভাৱে পিছপৰা শিশুসকলৰ বাবে আঁচনি ঃ**

সমাজত প্ৰতিটো বৰ্ণৰ আৰু ধৰ্মৰ বহুতো ব্যক্তি অৰ্থনৈতিকভাৱে দুৰ্বল। তেওঁলোকে তেওঁলোকৰ শিশুসকলক শিক্ষাৰ বাবে বিদ্যালয়লৈ পঠাব নোৱাৰে। দৰিদ্ৰতাৰ বাবে এই শিশুসকলে বিদ্যালয় এৰি কাম কৰিব লগা হয় আৰু পৰিয়ালৰ বাবে অৰ্জন কৰিবলৈ আৰম্ভ কৰে।

এই শিশুসকলৰ বাবে বিভিন্ন আঁচনিসমূহ তলত উল্লেখ কৰা হৈছে—

**ছাত্ৰবৃত্তি ঃ** মহাৰাষ্ট্ৰ চৰকাৰে ১৯৭৮ চনত উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ মেধাৱী আৰু অৰ্থনৈতিকভাৱে পিছপৰা ছাত্ৰসকলৰ বাবে আৰম্ভ কৰিছিল যাৰ দ্বাৰা ৭০ টকা ল'ৰাসকলক আৰু ৮০ টকা ছোৱালীবোৰক প্ৰদান কৰা হ'ব।

**ই. বি. চি (E.B.C) ঃ** মহাৰাষ্ট্ৰ চৰকাৰে ১৯৫৬ চনৰ পৰা এই প্ৰকল্পটো আৰম্ভ কৰিছিল। ৭৫% উপস্থিত থকা শিশুসকল আৰু ১৫০০০ টকাৰ বাৰ্ষিক আয়ৰ অভিভাৱকসকলৰ ছাত্ৰ-ছাত্ৰীসকলক এই

ছাত্ৰবৃত্তি প্ৰদান কৰা হ'ব।

**পৌষ্টিক আহাৰ ঃ** গাঁও বিকাশ কমিটিৰ দ্বাৰা এই প্ৰকল্প ১৯৯৫ চনত আৰম্ভ কৰা হৈছিল। নিয়মীয়াভাৱে বিদ্যালয়ত উপস্থিত থকা শিশুসকলক পৌষ্টিক আহাৰৰ সুবিধা প্ৰদান কৰা হৈছে।

**সাবিত্ৰীবাই ফুল অভিভাৱক গ্ৰহণ আঁচনি (Savitribai Phule Parent Adoptation on Scheme) ঃ** এই আঁচনিখন ১৯৯৩ চনত আৰম্ভ কৰা হৈছিল। আৰ্থিক অৱস্থাৰ বাবে বহুতো ছোৱালী বিদ্যালয় এৰিবলগীয়া হৈছে। এই আঁচনিমতে, অধ্যক্ষ, কৰ্মচাৰী আৰু সমাজৰ বিভিন্ন সদস্যসকলে এইসকলৰ যিকোনো ছোৱালী তুলি ল'ব পাৰে (গ্ৰহণ) আৰু সপ্তম শ্ৰেণীলৈ প্ৰতিজন ছোৱালীক প্ৰতিমাহে ৩০ টকাকৈ সহায় আগবঢ়াব পাৰে।

**কিতাপ বেংক আঁচনি ঃ** প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে বিনামূলীয়াকৈ কিতাপ লাভ কৰি আহিছে। এই কিতাপসমূহ এবছৰৰ পিছত ওভতাই লোৱা হয় আৰু যেতিয়া নতুন বৰ্ষ আৰম্ভ হয় সেই একে কামটো পুনৰাবৃত্তি কৰা হয়। প্ৰথম আৰু দ্বিতীয় শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলক প্ৰত্যেক বছৰে নতুন কিতাপ প্ৰদান কৰা হয়। উচ্চ শ্ৰেণীৰ সকলোবোৰ কিতাপ কিতাপ বেংকত নতুন কিতাপৰ সৈতে সলনি কৰি ল'ব পৰা যায়।

**৫.৩.৫.৪ দূৰৱৰ্তী অঞ্চলৰ শিশুসকলৰ বাবে আঁচনি ঃ**

১৯৭০ চনত মহাৰাষ্ট্ৰ চৰকাৰে ভিতৰুৱা অঞ্চলত বসবাস কৰা শিশুসকলৰ বাবে বিভিন্ন আঁচনি আৰম্ভ কৰিছিল।

**পৌষ্টিক আহাৰ আঁচনি ঃ** ০-৬ বছৰ বয়সৰ শিশুসকলৰ আহাৰৰ মানদণ্ড উন্নত কৰা বাবে ই গুৰুত্ব প্ৰদান কৰে। অংগনবাড়ী আৰু বালবাড়ীৰ শিশুসকলক পৌষ্টিক আহাৰ প্ৰদান কৰা হয়। অনুসূচীত জনজাতিৰ শিশুসকলেও এই আঁচনিৰ দ্বাৰা লাভবান হ'ব পাৰে আৰু ই তেওঁলোকৰ শাৰীৰিক আৰু মানসিক বিকাশত সহায় কৰে। এছ টি ডি ১-৫ম ৰ ছাত্ৰ-ছাত্ৰীসকলক মধ্যাহ্ন ভোজন প্ৰদান কৰা হয়।

**আশ্ৰম শালা ঃ** জনজাতীয় উন্নয়ন দপ্তৰে আশ্ৰম শালাৰ পৰিকল্পনা আৰম্ভ কৰিছিল। দৰিদ্ৰতা বাবে ভিতৰুৱা অঞ্চলসমূহত অভিভাৱকসকলে তেওঁলোকৰ শিশুসকলৰ প্ৰয়োজনসমূহ পূৰণ কৰিব নোৱাৰে। এই দুখীয়া ছাত্ৰ-ছাত্ৰী/শিশুসকলক সাক্ষৰতাৰ বাবে থকাৰ বাবে আৰু বিনামূলীয়া ইউনিফৰ্মৰ বাবে আশ্ৰম বিদ্যালয়বোৰত নামভৰ্তি কৰোৱা হয়। এই বিদ্যালয়সমূহত শ্ৰেণী ১মৰ পৰা দশমমানলৈ আছে আৰু প্ৰশাসনৰ দ্বাৰা পৰিদৰ্শন কৰা হয়। ইয়াত দুই ধৰণৰ আশ্ৰম শালা আছে।

(১) ১ম পৰা ৭ম শ্ৰেণীলৈ বুনিয়াদী আশ্ৰম শালা।

(২) ৫ম ৰ পৰা দশমমানলৈ পাড়া বুনিয়াদী আশ্ৰম শালা।

**বিদ্যা নিকেতন ঃ** এইটো মেধাৱী জনজাতীয় ছাত্ৰ-ছাত্ৰীসকলৰ বাবে প্ৰথম অনুষ্ঠান যি ১৯৮১ চনত যাৱতমাল জিলাৰ কেলাপুৰত স্থাপন কৰা হৈছিল। ছাত্ৰ-ছাত্ৰীসকলক বিনামূলীয়া শিক্ষা প্ৰদান কৰা হৈছিল। ছোৱালীসকলৰ বাবে স্বাধীন বিদ্যানিকেতনত স্থাপন কৰা হৈছিল। সকলো শিক্ষানুষ্ঠানতে ১০খন আসন আধিবাসী ছাত্ৰ-ছাত্ৰীসকলৰ বাবে সংৰক্ষণ কৰি ৰখা হয়।

**কোৰাণশালা ঃ** ই হৈছে এক গতিশীল বিদ্যালয় যি অগতানুগতিক শিক্ষা প্ৰদান কৰে। শ্ৰীমতী তাৰাবাই মোডক আৰু শ্ৰীমতী অনুটাই ৱাঘে প্ৰথম কোৰাণশালা কাৰ্যকৰী কৰিছিল। শিক্ষকসকলে ছাত্ৰ-ছাত্ৰীসকলক অনুসৰণ কৰিব লগা হয় আৰু অনানুষ্ঠানিকভাৱে তেওঁলোকক চাফ্-চিকুণতা, ঔষধ, ভাল অভ্যাস, ভাষা আদিৰ বিষয়ে শিক্ষা দিয়ে আৰু তেওঁলোকৰ জীৱন ধাৰণৰ মানদণ্ডৰ বিকাশ সাধন কৰিব চেষ্টা কৰে।

**শিশু শিক্ষা প্ৰকল্প ঃ** ইউনিচেফৰ অধীনত (UNICEF) ১৯৮২ চনত মহাৰাষ্ট্ৰ ৰাজ্যই এই প্ৰকল্পৰ আৰম্ভণি কৰিছিল। বিদ্যালয় আৰু কিতাপৰ প্ৰতি আগ্ৰহৰ সৃষ্টি কৰিবলৈ শিশুসকলক বিভিন্ন চিত্ৰৰে পৰিপূৰ্ণ কিতাপ প্ৰদান কৰা হয়। তেওঁলোকৰ ৱাৰ্ডৰ উন্নতিৰ বিষয়ে আশ্বাস দিয়াৰ বাবে অভিভাৱক সন্মিলন অনুষ্ঠিত কৰা হয়।

**জনজাতীয় ভাষাৰ বাবে প্ৰকল্প ঃ** বিদ্যালয়ৰ ভাষা আৰু জনজাতীয় অঞ্চলৰ ভাষাৰ মাজত পাৰ্থক্য আছে। গতিকে, জনজাতীয় শিশুসকলৰ বাবে মান্য ভাষা বুজাত অসুবিধা হয়। এই অসুবিধা দূৰ কৰিবলৈ দুয়োটা ভাষা একে ধৰণৰ হোৱা উচিত যাতে ছাত্ৰ-ছাত্ৰীসকলক মাতৃভাষা আৰু আঞ্চলিক ভাষাৰ লগত চিনাকি কৰি দিব পৰা যায়। গতিকে এই শিশুসকলৰ বাবে জনজাতীয় ভাষাৰ কিতাপ NSCERT য়ে প্ৰস্তুত কৰে আৰু প্ৰশিক্ষণৰ লগতে শিক্ষকসকলৰ বাবে হাতপুথিও প্ৰস্তুত কৰে।

**৫.৩.৫.৫ বিদ্যালয় বৰ্হিভূত শিশুসকলৰ বাবে আঁচনি ঃ**

দৰিদ্ৰতাৰ বাবে বহুতো ছাত্ৰ-ছাত্ৰী শিক্ষাৰ পৰা বঞ্চিত হ'ব লগা হৈছে। তেওঁলোকক আনুষ্ঠানিক শিক্ষালৈ ওভতাই আনিবলৈ চৰকাৰে বিভিন্ন প্ৰকল্পৰ ব্যৱস্থা কৰিছে।

সেতু বিদ্যালয় ঃ ছাত্ৰ-ছাত্ৰীসকল, যিসকলে তেওঁলোকৰ অধ্যয়ন বাদ দিছে, বিদ্যালয়লৈ নাহে, কিছু পৰ্যায়লৈ অধ্যয়ন পাহৰি গৈছে, সেই ছাত্ৰ-ছাত্ৰীসকল এই আঁচনিৰ প্ৰধান বিষয়। ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকে এৰা শিক্ষা সমাপ্ত কৰিবলৈ সুবিধা প্ৰদান কৰে। ৪৫ দিনৰ পাছত এই শিক্ষা সমাপ্ত হোৱাৰ পিছত তেওঁলোকৰ নিয়মীয়া প্ৰাথমিক আৰু মাধ্যমিক বিদ্যালয়ত নামভৰ্তি কৰিবলৈ দিয়া হয়। এই বিদ্যালয় হৈছে আৱাসিক বিধৰ আৰু ৪৫ দিনৰ পাঠ্যক্ৰম ইয়াত অন্তৰ্ভুক্ত কৰা হৈছে। যিসকল ছাত্ৰ-ছাত্ৰী অধ্যয়ন এৰিছে তেওঁলোকক ইয়াত সংগ্ৰহ কৰা হৈছে আৰু তেওঁলোকৰ শ্ৰেণী অনুসৰি তেওঁলোকক শিকোৱা হ'ব আৰু তাৰ পিছত তেওঁলোকক নিয়মীয়া বিদ্যালয়লৈ পঠোৱা হয়। যিসকল ব্যক্তিয়ে এই বিদ্যালয় পৰিচালনা কৰে তেওঁলোক H.SC. পাছ আৰু তেওঁলোকে যথেষ্ট চেষ্টা কৰে যাতে এই শিশুসকলে নিয়মীয়াভাৱে সেতু বিদ্যালয়ত উপস্থিত থাকে। সেতু বিদ্যালয়ৰ আৰু ইয়াৰ ছাত্ৰ-ছাত্ৰীসকলৰ অনুসৰি চৰকাৰে পাঠ্যসূচী আৰু কিতাপ প্ৰস্তুত কৰে।

**সিন্ধু শিশু শ্ৰমিক প্ৰকল্প ঃ** বহুতো শিশুৱে বিভিন্ন বৃত্তিত শিশু শ্ৰমিক হিচাপে কাম কৰি আছে। এই আঁচনিৰ মূল লক্ষ্য হৈছে শিশু শ্ৰমিক প্ৰথা নাইকিয়া কৰা আৰু তেওঁলোকক শিক্ষাৰ মূলসুঁতিলৈ অনা। এই প্ৰকল্পটো মহাৰাষ্ট্ৰৰ পাঁচখন জিলাত যেনে—গোন্দিয়া, অমৰাৱতী, জলানা, ঔৰংগাবাদ আৰু মুম্বাইত কাৰ্যকৰী কৰা হৈছিল। MS-CERT য়ে এই প্ৰকল্পৰ স্বেচ্ছাসেৱী সদস্যসকলক প্ৰশিক্ষণ দিয়াৰ দায়িত্ব লৈছে। এই শিশু শ্ৰমিক প্ৰকল্পটো ৰাষ্ট্ৰীয় শিশু শ্ৰমিক প্ৰকল্প নামৰ এখন সমাজৰ দ্বাৰা ৰাষ্ট্ৰীয়ভাৱে আয়োজন কৰা হৈছে। বিপদজনক/সংকটপূৰ্ণ অঞ্চল যেনে উদ্যোগসমূহ, হোটেল ইত্যাদিত

শিশুশ্ৰমিক সম্বন্ধে অনুসন্ধান কৰাটো এই স্বেচ্ছাসেৱী সদস্যসকলৰ দায়িত্ব আৰু ৫-৮ বছৰ বয়সৰ শিশুসকলক নিয়মীয়া বিদ্যালয়সমূহত নামভৰ্তি কৰায় ৯ বছৰৰ পৰা ১৩ বছৰ বয়সৰ শিশুসকলক বৃত্তিগত প্ৰশিক্ষণ কেন্দ্ৰত ভৰ্তি কৰা উচিত আৰু নিয়মীয়া বিদ্যালয়ত ছাত্ৰবৃত্তিৰ সৈতে তেওঁলোকক উপস্থিত কৰাৰ বাবে উৎসাহিত কৰা উচিত। ১৪ৰ পৰা ১৭ বছৰ বয়সৰ সকলো শিশুক বৃত্তিগত প্ৰশিক্ষণ দিব লাগে আৰু অবিৰত শিক্ষাৰ বাবে বৃত্তিও প্ৰদান কৰিব লাগে।

স্থানীয় অঞ্চলত ৫০ জন ছাত্ৰ-ছাত্ৰীৰ আৱাসিক গৃহৰ সৈতে কেন্দ্ৰ খোলা উচিত। এই কেন্দ্ৰসমূহত বিভিন্ন বয়সৰ ছাত্ৰ-ছাত্ৰীসকলৰ থাকে গতিকে ছাত্ৰ-ছাত্ৰীসকলৰ বাবে সহজ কৰিবলৈ শিক্ষণৰ সময়ত দলীয় ব্যৱস্থাৰ প্ৰয়োগ কৰা দৰকাৰ। যিহেতু ছাত্ৰ-ছাত্ৰীসকল কামৰ পিছত এই কেন্দ্ৰসমূহলৈ আহে সেইটো বিবেচনা কৰিব লাগে বিভিন্ন ব্যৱস্থাৰ আয়োজন কৰা উচিত আৰু তেওঁলোকৰ অধ্যয়নত আগ্ৰহৰ সৃষ্টি কৰিবলৈ বিভিন্ন শিকণ আহিলাৰ ব্যৱহাৰ কৰা উচিত।

সাক্ষৰশালা ঃ সাক্ষৰশালাসমূহ হৈছে কুঁহিয়াৰ কাটা ব্যক্তিসকলৰ বসতি অঞ্চলত থকা বিদ্যালয় যি কুঁহিয়াৰ কাটা শ্ৰমিকসকলৰ শিশুসকলক প্ৰাথমিক শিক্ষা প্ৰদান কৰে। অভিভাৱকসকলৰ উদ্যোগিক অঞ্চলসমূহলৈ স্থায়ীভাৱে আৰু দীৰ্ঘকালীন সময়ৰ বাবে প্ৰব্ৰজন হোৱাৰ কাৰণে তেওঁলোকৰ শিশুসকল শিক্ষাৰ পৰা বঞ্চিত হ'ব লগা হয় যিহেতু তেওঁলোকৰ প্ৰব্ৰজনকাৰী শিশুসকলৰ শিক্ষা অবিৰত কৰিবলৈ উদ্যোগিক ক্ষেত্ৰত কোনো বিশেষ সুবিধা নাই। সাক্ষৰশালাসমূহে (Sakharshala) শিক্ষা অবিৰত কৰাৰ বাবে বিদ্যালয় স্থাপন কৰি আৰু প্ৰব্ৰজনকাৰী শ্ৰমিকসকলৰ বসতিস্থানত উপযুক্ত শৈক্ষিক সুবিধা প্ৰদান কৰি এই সমস্যাৰ সমাধান কৰিব চেষ্টা কৰে। এইবোৰক দ্বিতীয় ষান্মাসিক বিদ্যালয় বুলি কোৱা হয়, কাৰণ সাক্ষৰশালাসমূহে সমগ্ৰ বছৰটোত কাম নকৰে। ই কেৱল শিক্ষাবৰ্ষৰ দ্বিতীয় ভাগতহে কাম কৰে।

**অন্তৰীপ প্ৰকল্প ঃ** ৬ৰ পৰা ১৪ বছৰ বয়সৰ বিদ্যালয় বহিৰ্ভুত শিশুসকলৰ বাবে মহাৰাষ্ট্ৰ চৰকাৰে ইউনিচেফৰ সাহায্যতাত ১৯৮১ চনত এই প্ৰকল্পটো আৰম্ভ কৰিছিল যাক সকলোৰে বাবে শিক্ষা বুলি কোৱাৰ হয়। শিক্ষা মহাবিদ্যালয়সমূহৰ লগত আত্ম অধ্যয়ন/শিক্ষণ কেন্দ্ৰ স্থাপন কৰা হৈছে য'ত ২৫-৩০ জন বিদ্যালয় বহিৰ্ভূত শিশুসকলক নামভৰ্তি কৰা হয় আৰু তেওঁলোকে নিজৰ সুবিধা অনুসৰি খণ্ডকালীন (part time) শ্ৰেণীৰ বাবে বিদ্যালয়লৈ আহে। ইয়াত আত্ম শিক্ষণৰ সহায়কাৰী ব্যৱস্থা থাকিব যি ছাত্ৰ-ছাত্ৰীসকলক সহায় কৰিব।

**আৰোগ্যমূলক শিক্ষণ শ্ৰেণী ঃ** এম ফুলে হামি যোজনা (M-Phule-Hami Yojna) সেতু বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে অধ্যয়নত তেওঁলোকৰ নিম্ন মনোযোগৰ বঞ্চিত হৈ থাকে। এই শ্ৰেণীসমূহে তেওঁলোকক ন্যূনতম শিক্ষণ আহৰণ কৰিবলৈ সহায় কৰিব।

বস্তিশালা ঃ বস্তি বিদ্যালয়সমূহ প্ৰায়ে প্ৰাথমিক বিদ্যালয়, যি এক কিঃমিঃ ভিতৰত বিদ্যালয় নথকা ভিতৰুৱা, জনজাতীয় আৰু পাহাৰীয়া অঞ্চলসমূহত অনানুষ্ঠানিক শিক্ষা প্ৰদান কৰে আৰু ১ম ৰ পৰা ৪ৰ্থ শ্ৰেণীলৈ পাঠ্যসূচী শিকোৱা হয়। গাঁও পঞ্চায়তৰ দ্বাৰা আবণ্টিত এলেকাত বস্তি বিদ্যালয় আৰম্ভকৰিবলৈ হ'লে অতি কমেও ১৫জন ছাত্ৰ-ছাত্ৰী ১ম ৰ পৰা ৪ৰ্থ শ্ৰেণীলৈ নামভৰ্তি হ'ব লাগিব। গাঁওশিক্ষা কমিটিয়ে যোগ্য শিক্ষকসকলৰ ব্যৱস্থা কৰে আৰু বিদ্যালয়ত অংশ গ্ৰহণ/নিযুক্ত হোৱাৰ আগতে ডায়েটৰ দ্বাৰা ৩০ দিনৰ প্ৰশিক্ষণ দিয়া হয়। ওচৰৰ প্ৰাথমিক বিদ্যালয়ৰ অধ্যক্ষৰ দ্বাৰা এই

বিদ্যালয় পৰিদৰ্শন কৰা হয়।

**৫.৩.৫.৬ বিশেষ লক্ষ্য দলৰ বাবে আঁচনি (বাধাগ্ৰস্ত, দেৱদাসী শিশুসকল আদি) ঃ**

বিভিন্ন সামাজিক স্তৰৰ আৰু বৰ্ণ, ধৰ্ম আৰু শৈক্ষিকভাৱে পিছপৰা শ্ৰেণীৰ সকলো শিশুকে বিশেষ লক্ষ দলত অন্তৰ্ভূক্ত কৰা হয়। এই শিশুসকলে প্ৰাথমিক শিক্ষা সমাপ্ত কৰিব নোৱাৰে। সেয়েহে এই শিশুসকলক কিছুমান আঁচনিৰ অধীনত বিশেষ মনোযোগ প্ৰদান কৰা হৈছে।

**দেৱদাসীসকলৰ শিশুৰ বাবে আঁচনি ঃ** দেৱদাসী পৰম্পৰা এক নেতিবাচক সামাজিক পৰম্পৰা। অন্ধবিশ্বাসৰ কাৰণে বহুতো দেৱদাসীসকলে সামাজিক আৰু অৰ্থনৈতিকভাৱে পিছপৰা। সেয়ে তেওঁলোকে তেওঁলোকৰ শিশুসকলক শিক্ষা প্ৰদান কৰিব নোৱাৰে। সেয়েহে দেৱদাসীসকলৰ আৰু বৰাংগনাসকলৰ শিশুসকলৰ বাবে কিছুমান বিশেষ আঁচনিৰ ব্যৱস্থা কৰা হৈছে।

- পুষ্টিকৰ আহাৰ
- উপস্থিতিৰ ভাট্টা
- কিতাপ বেংক যোজনা
- আৱাসিক বিদ্যালয়— স্নোহালয়
- মহিলাৰ প্ৰবোধন ব্যৱস্থা
- বিনামূলীয়া প্ৰকোকৰণ যোজনা।

**বাধাগ্ৰস্তসকলৰ বাবে শিক্ষা ঃ**

এইসকলৰ বাবে সংহত শিক্ষা সুল বিধৰ। ইয়াত অগতানুগতিক শিক্ষাৰ, দূৰ শিক্ষাৰ, গতিশীল বিদ্যালয়, আৰোগ্যমূলক শিক্ষা আৰু অংশকালীন শিক্ষা, বৃত্তিগত শিক্ষাৰ মুক্ত শিক্ষণৰ পদ্ধতিসমূহ অন্তৰ্ভূক্ত কৰা হৈছে।

**অক্ষম শিশুসকলৰ বাবে শিক্ষা ঃ** অক্ষম শিশুসকলৰ বাবে মহাৰাষ্ট্ৰ চৰকাৰেও বিশেষ বিদ্যালয় আৰম্ভ কৰিছিল। ১৮৮৫ চনত মুম্বাইত এখন বোবা আৰু বিদ্যালয় স্থাপন কৰা হৈছিল। কিন্তু এই শিশুসকলক যদি সাধাৰণ শিশু হিচাপে গণ্য কৰা হয় বা সাধাৰণ শিশুসকলৰ লগত চামিল কৰা হয় তেন্তে তেওঁলোকৰ আত্মবিশ্বাসৰ বৃদ্ধি হ'ব। গতিকে তেওঁলোকক সাধাৰণ বিদ্যালয়ত নামভৰ্তি কৰোৱা হয়। ইয়াক সংহত ব্যৱস্থা বুলি কোৱা হয়।

**কাৰ্যাৱলী ৩ ঃ**

এতিয়া যিহেতু ঘটনা হিচাপে মহাৰাষ্ট্ৰ ৰাজ্যত কাৰ্যনিৰ্বাহ হৈ থকা বিভিন্ন প্ৰকল্পৰ বিষয়ে অধ্যয়ন কৰিছে, আপোনাৰ নিজৰ ৰাজ্যত প্ৰচলিত প্ৰকল্পসমূহলৈ মন কৰক আৰু আপোনাৰ ৰাজ্যৰ লগত মহাৰাষ্ট্ৰৰ তুলনা হয় নেকি পৰীক্ষা কৰক। আপুনি কি সাদৃশ্য আৰু বৈসাদৃশ্য লক্ষ্য কৰিছে?

________________________________________

________________________________________

________________________________________

________________________________________

## ৫.৪ ডি.পি.ই.পি (জিলা প্ৰাথমিক শিক্ষা প্ৰকল্প) ঃ

জিলা প্ৰাথমিক শিক্ষা আঁচনি ভাৰতৰ ৰাষ্ট্ৰীয় আঁচনিৰ পৰিকল্পনা আৰু কাৰ্যকৰীকৰণ, ৰাজ্যভিত্তিক আঁচনি আৰু শিক্ষাত ব্যাপকভাৱে অনুদানপ্ৰাপ্ত আঁচনিৰ ক্ষেত্ৰত দেশখনে লাভ কৰা বিভিন্ন অভিজ্ঞতাৰ ওপৰত ভিত্তি কৰি ধাৰণাকৃত কৰা হৈছে। ডি.পি.ই.পি হৈছে ১৯৯৪ চনত আৰম্ভ হোৱা পৃথিৱীৰ আটাইতকৈ ডাঙৰ শিক্ষা প্ৰকল্প। ই প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণৰ ওপৰত গুৰুত্ব দিয়ে আৰু ইয়াৰ বাবে জিলা বিশেষ পৰিকল্পনাৰ লগত বিকেন্দ্ৰীকৃত পৰিচালনা, অংশগ্ৰহণকাৰী প্ৰক্ৰিয়া, সকলো পৰ্যায়তে সবলীকৰণ আৰু সামৰ্থ গঢ়ি তোলাৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছে। প্ৰাথমিক শিক্ষা ব্যৱস্থাক পুনৰুজ্জীৱিত কৰাৰ ক্ষেত্ৰত আৰু উচ্চ প্ৰাথমিক শিক্ষাৰ উদ্দেশ্যসমূহত উপনীত হ'বলৈ এই আঁচনিখন এক প্ৰধান পদক্ষেপ।

ডি.পি.ই.পি (পৰ্যায়-১) হৈছে কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা নিয়োজিত প্ৰকল্প আৰু বিশ্ববেংকৰ সহায়ত ৫খন ৰাজ্যত আৰম্ভ কৰা হৈছিল। পিছলৈ এই প্ৰকল্প/আঁচনিখন বহুতো ৰাজ্যলৈ সম্প্ৰসাৰণ কৰা হৈছিল। প্ৰত্যেকখন ৰাজ্যকে এই আঁচনিখন আৰম্ভ কৰাৰ বাবে ৫খন জিলা নিৰ্বাচন কৰিবলৈ সূচিত কৰা হৈছিল, বিশেষকৈ আটাইতকৈ পিছপৰা জিলা য'ত মহিলা শিক্ষাৰ হাৰ ৰাষ্ট্ৰীয় অনুপাততকৈ কম আৰু য'ত টি এল চিয়ে (TLCs) কৃতকাৰ্যতাৰে প্ৰাথমিক শিক্ষাৰ চাহিদা বৃদ্ধি কৰিছে।

### ৫.৪.১ ডি.পি.ই.পি.ৰ উদ্দেশ্যসমূহ ঃ

ডি.পি.ই.পি.য়ে ইয়াৰ প্ৰতিবেদনত লক্ষ্যসমূহ উল্লেখ কৰিছে। তলত আটাইতকৈ গুৰুত্বপূৰ্ণ লক্ষ্যসমূহ উল্লেখ কৰা হৈছে যিবোৰ প্ৰত্যেক ৰাজ্যই কাৰ্যকৰী কৰিছে—

- আনুষ্ঠানিক আৰু অনানুষ্ঠানিক শিক্ষাৰ দ্বাৰা ৬ বছৰৰ পৰা ১৪ বছৰৰ শিশুসকলক ১০০ শতাংশ শিক্ষাৰ সুবিধা প্ৰদান কৰা।
- ১০০ শতাংশ নামভৰ্তিকৰণ আৰু সংৰক্ষণ।
- উন্নত শিক্ষাৰ দ্বাৰা শিশুসকলে ন্যূনতম পৰ্যায়ৰ শিক্ষা লাভ কৰা উচিত।
- বিদ্যালয়ত অনুন্নয়ণ নিয়ন্ত্ৰণ কৰা আৰু বিদ্যালয়ত বাদ পৰা শিশুৰ হাৰ হ্ৰাস কৰা।

- শিক্ষকসকলৰ আৰু সমাজৰ সামৰ্থ গঢ়ি তোলা আৰু সৰ্বোচ্চ বিকেন্দ্ৰীকৰণ আৰু সম্প্ৰদায়ৰ অংশগ্ৰহণ।
- সমাজৰ প্ৰতিটো গোটৰ পৰা বিদ্যালয়ত নামভৰ্তিকৰণ বৃদ্ধি কৰা।

**৫.৪.২ ডি পি ই পিৰ প্ৰধান উপাদানসমূহ ঃ**

ডি পি ই পিৰ চাৰিটা প্ৰধান উপাদান হৈছে—

**পৌৰ কাৰ্য ঃ** পৌৰ কাৰ্যৰ আঁচনিৰ অধীনত নতুন বিদ্যালয়ৰ নিৰ্মাণ (দুটা কোঠা আৰু বাৰান্দা সংগঠন) নতুন অতিৰিক্ত কোঠা য'ত বিদ্যালয়খন শ্ৰেণী ৫ম লৈ সম্প্ৰসাৰণ কৰা হৈছে, শৌচালয় নিৰ্মাণ, বোৰৱেল, বিদ্যালয় মেৰামতি আঁচনি/ব্যৱস্থা, দলীয় আৱাসিক বিদ্যালয়, শিক্ষকৰ আৱাস আৰু মহিলাৰ হোষ্টেলৰ প্ৰস্তাৱ আগবঢ়োৱা হৈছিল।

**আঁচনি ঃ** আধুনিক শিক্ষা ব্যৱস্থাৰ অধীনত আনিব নোৱাৰা শিশুসকলক বিদ্যালয় সা-সুবিধা প্ৰদানৰ বাবে বহুতো বিকল্প ব্যৱস্থা কাৰ্যকৰী কৰা হৈছিল। এই আঁচনিত ডি পি ই পিৰ কাৰ্যাৱলীসমূহ গুৰুত্বপূৰ্ণ উপাদান।

**পৰিচালনা ঃ** আঁচনিৰ উপযুক্ত কাৰ্যকৰীকৰণ পৰিচালনা তথ্য ব্যৱস্থাৰ বিকাশৰ দ্বাৰা কাৰ্যাৱলীসমূহৰ পৰ্যবেক্ষণ, অনুদানৰ খৰকটীয়া প্ৰবাহৰ বাবে ডি পি ই পিয়ে নিৰ্দিষ্ট পৰিচালনা গাঁথনি ব্যৱস্থা কৰিছে। এই গাঁথনি ৰাষ্ট্ৰীয়, ৰাজ্যিক আৰু জিলা পৰ্যায়ত বিবেচনা কৰা হৈছে। এই নতুন গাঁথনিসমূহ জিলা পৰিকল্পনাৰ সমৰ্থনকাৰী আৰু প্ৰকল্প পৰ্যায়ৰ শেষ হোৱাৰ সময়ছোৱাত প্ৰচলিত সাংগঠনিক ব্যৱস্থাৰ লগত সংমিশ্ৰিত হ'ব পাৰে।

**বিদ্যালয় মানচিত্ৰ আৰু ক্ষুদ্ৰ পৰিকল্পনা ঃ** ক্ষুদ্ৰ পৰিকল্পনাই প্ৰাথমিক শিক্ষাত নামভৰ্তিকৰণ আৰু অংশগ্ৰহণৰ বাধাসমূহ চিনাক্ত কৰাত সম্প্ৰদায়ৰ অংশগ্ৰহণৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এই সমস্যাসমূহৰ পৰা হাত সাৰিবলৈ সমাধান বিচাৰি উলিওৱাত ই সম্প্ৰদায়ৰ সমৰ্থন বিচাৰে। গাঁও শিক্ষা কমিটিৰ দায়িত্ব নিৰ্ধাৰণৰ দ্বাৰা ক্ষুদ্ৰ পৰিকল্পনাই দায়িত্বসমূহ নিৰ্ধাৰণ কৰে। এই গাঁও শিক্ষা কমিটিসমূহে গাঁওৰ শিক্ষা ব্যৱস্থাৰ পৰ্যবেক্ষণ কৰে আৰু নামভৰ্তিকৰণ আৰু সংৰক্ষণৰ উন্নয়নত অৰিহণা যোগায়।

**৫.৪.৩ ডি পি ই পিৰ কাৰ্যকৰী পৰিকল্পনা ঃ**

ৰাষ্ট্ৰীয় অনুষ্ঠানৰ দ্বাৰা ৰাজ্যিক আৰু জিলা পৰ্যায়ত বৃত্তিগত সমৰ্থনৰ প্ৰদানৰ মাধ্যমেৰে বিকেন্দ্ৰীকৰণ পৰিকল্পনাৰ প্ৰচেষ্টাসমূহ বিশেষভাৱে আৰম্ভ কৰা হৈছে। বি পদক্ষেপৰ মাধ্যমেৰে বিকেন্দ্ৰীকৰণৰ ধাৰণা কাৰ্যকৰী ব্যৱস্থালৈ ৰূপান্তৰ কৰিবলৈ ডি পি ই পিয়ে গম্ভীৰ প্ৰচেষ্টা হাতত লৈছে।

আঁচনিখনে জিলাক বিকেন্দ্ৰীকৰণ শৈক্ষিক পৰিকল্পনাৰ আৰম্ভণিৰ একগোট হিচাপে চিনাক্ত কৰিছিল।

এই আঁচনিখনে ৰাজ্যিক পৰ্যায়ৰ পৰা স্থানীয় পৰ্যায়লৈ সম্পদ সিদ্ধান্তৰ ৰূপ পৰিবৰ্তন কৰাৰ বাবে প্ৰচেষ্টা কৰিছিল।

এই আঁচনিয়ে পৰিকল্পনা প্ৰক্ৰিয়াক অধিক পৰামৰ্শদানকাৰী, অংশগ্ৰহণকাৰী আৰু স্বচ্ছল কৰিবলৈ

সুহৃদকৰণ কৰাৰ চেষ্টা কৰিছিল।

নতুন সাংগঠনিক ব্যৱস্থা যেনে বি আৰ চি আৰু চি আৰ চি (BRCs and CRCs) ৰ দ্বাৰা শৈক্ষিক কাৰ্যাৱলীসমূহ বৃত্তিগত সম্পদ সহায়তা প্ৰদান কৰাৰ চেষ্টা কৰিছিল।

- প্ৰত্যেকখন বিদ্যালয়কে আৰু প্ৰত্যেক শিক্ষকৰ পৰিয়ালক বাৰ্ষিকভাৱে ২০০০ টকা আৰু ৫০০ টকা যথাক্ৰমে প্ৰদানৰ দ্বাৰা ই বিদ্যালয়সমূহক সমৰ্থন প্ৰদান কৰাৰ চেষ্টা কৰিছিল।
- জিলা পৰ্যায়ত আৰু উপ-জিলা পৰ্যায়ত এই পৰিকল্পনা প্ৰক্ৰিয়াই স্থানীয় পৰ্যায়ৰ সামৰ্থ সৃষ্টি কৰিবলৈ চেষ্টা কৰিছিল।

**৫.৪.৪ ব্যৱস্থা/কৌশলসমূহ আৰু কাৰ্যাৱলীসমূহ ঃ**

**সুবিধা প্ৰদান ঃ** জনজাতীয় অঞ্চলসমূহ নতুন এল পি বিদ্যালয়, ভিতৰুৱা জনজাতীয় অঞ্চলসমূহত বহু স্তৰীয় শিক্ষণ কেন্দ্ৰ আৰু পিছপৰা আৰু ভিতৰুৱা অঞ্চলসমূহত বিকল্প বিদ্যালয়ৰ আৰম্ভ কৰা বা খোলা।

**জনজাতীয় আৰু উপকূলীয় শিক্ষা ঃ** পঞ্চায়ত আৰু স্বেচ্ছাসেৱীসকলৰ সহায়ত নামভৰ্তিকৰণৰ প্ৰচাৰ/অভিযান, সচেতনতা আঁচনি আৰু জনজাতীয় শিশুসকলৰ বাবে বিনামূলীয়া পাঠ্যপুথিৰ যোগান।

গুণগত মান উন্নয়ন ঃ ক্ৰিয়াভিত্তিক শিক্ষাদান শৈলীৰ ওপৰত সাময়িক শিক্ষকৰ প্ৰশিক্ষণ।

বি আৰ চি প্ৰশিক্ষাৰ্থীৰ দৰ্শন আৰু শিক্ষকৰ মাহেকীয়া গোট (মিটিঙৰ) সাক্ষাতৰ, যোগ্য এছ চি/এছ টি সদস্যসকলক টিটিচি (TTC) প্ৰশিক্ষণ, শিক্ষকৰ সমৰ্থনকাৰী সামগ্ৰী যেনে— হাতপুথি, কাৰ্যবেংক/ক্ৰিয়াবেংকৰ যোগান, মাহিলি শ্ৰেণী, পিটিএ (PTA) সাক্ষাৎ আৰু সহবাস শিবিৰৰ দ্বাৰা শিক্ষকসকলক ঠাইত সমৰ্থন প্ৰদান।

**সম্প্ৰদায়ৰ গতিশীলন ঃ** গাঁও শিক্ষা কমিটিৰ গঠন আৰু পঞ্চায়ত পৰ্যবেক্ষণ চেল গঠন (পি এম চি), পি এছ চিৰ বাবে প্ৰশিক্ষণ, আৰু অভিভাৱকসকলৰ উন্মুখীকৰণ।

**গৱেষণা আৰু মূল্যায়ন ঃ** ক্ৰিয়াভিত্তিক গৱেষণা ব্যৱস্থা, বি আৰ চি আৰু জিলা পৰ্যায়ত অধ্যয়নৰ সঞ্চালন।

**পৰিকল্পনা আৰু পৰিচালনা ঃ** বিদ্যালয়ভিত্তিক পৰিকল্পনাৰ বাবে উন্মুখীকৰণ, অংশগ্ৰহণকাৰী প্ৰক্ৰিয়াৰ মাধ্যমেৰে বাৰ্ষিক পৰিকল্পনাৰ প্ৰস্তুতি আৰু খণ্ড উপদেশক কমিটিৰ সাক্ষাৎ, জিলা উপদেশক বোৰ্ড আৰু জিলা কাৰ্যকৰীকৰণ কমিটি।

**অক্ষম শিশুসকলৰ চিনাক্তকৰণ আৰু শিক্ষা ঃ** (আই ই ডি চি) অক্ষম শিশুসকলৰ চিনাক্তকৰণ, সঁজুলি আৰু উপকৰণৰ যোগান, শিক্ষকসকলৰ প্ৰশিক্ষণ, অভিভাৱকসকলৰ উন্মুখীকৰণ, ব্যক্তিসকলৰ প্ৰতিনিধিসকল।

**ছোৱালীৰ শিক্ষা ঃ** ছোৱালীসকললৈ বিনামূলীয়া পাঠ্যপুথিৰ যোগান, সচেতনতা আঁচনি আৰু শিক্ষকৰ সংবেদীকৰণ ব্যৱস্থা।

**দূৰ শিক্ষা ঃ** টেলিকনফাৰেনচিং আৰু দূৰ শিক্ষণ সামগ্ৰীৰ যোগান।

**মাধ্যম ঃ** জিলা আৰু খণ্ড পৰ্যায়ত বাতৰিকাকতৰ প্ৰকাশন আৰু জিলা আৰু পঞ্চায়তভিত্তিক প্ৰদৰ্শনী।

**পৰিচালন তথ্য ব্যৱস্থা (এম আই এছ) ঃ** কম্পিউটাৰৰ যোগান আৰু সকলো ডি পি ই পি জিলা আৰু ৰাজ্য প্ৰকল্প দপ্তৰলৈ নেটৱৰ্কৰ ডায়েল কৰা, ব্যৱস্থা বিশ্লেষণকাৰী আৰু ব্যৱস্থাকাৰীৰ নিয়োগ, তথ্য অন্তৰ্ভুক্তিকৰণৰ কাৰ্যনিৰ্বাহক নিয়োগ। প্ৰত্যেক বছৰে এম আই এছে বিদ্যালয়ৰ তথ্যৰ উন্নতিকৰণ কৰে। প্ৰত্যেক মাহতে এম আই এছে এছ অ' ইৰ (SOE)/ব্যয়ৰ খাতিয়ানৰ বিকাশ সাধন কৰে। আৰু সেইটো এছ পি অ' (ৰাজ্যিক প্ৰকল্প দপ্তৰ) লৈ প্ৰেৰণ কৰে।

**গাঁও শিক্ষা নিবন্ধন/আৰু সংৰক্ষণ নিবন্ধন ঃ** ই হৈছে এক নিবন্ধন যি গাঁওৰ প্ৰতিটো পৰিয়ালৰ প্ৰতিটো ল'ৰা-ছোৱালীৰ শৈক্ষিক পৰিস্থিতি বিষয়ে অৱগত কৰে আৰু সংৰক্ষণ নিবন্ধনে সাধাৰণতে এটা শ্ৰেণী বা এখন বিদ্যালয়ৰ সংৰক্ষণৰ হাড় গণনা কৰে অৰ্থাৎ কিমান সংখ্যক ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ শিক্ষা অবিৰতভাৱে চলাই নিয়ে আৰু কিমান সংখ্যকে আধাতে বিদ্যালয় বাদ দিয়ে তাৰ গণনা কৰে।

**৫.৪.৫ প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণত আঁচনিৰ প্ৰভাৱ ঃ**

এই আঁচনিখন এক অভিযান ৰূপত কাৰ্যকৰীকৰণ কৰা হৈছিল। এক ৰাষ্ট্ৰীয় পৰিকল্পনা গাঁথনি এন এল এম এ (NLMA)ৰ দিশত স্থাপন কৰা হৈছিল যি গোটেই দেশতে আঁচনিৰ কাৰ্যকাৰিতা পৰ্যবেক্ষণ কৰিব আৰু ডি পি ই পি জিলাসমূহত সুবিধা আৰু সংৰক্ষণৰ নিৰ্ধাৰণ কৰিবলৈ আৰু নিৰ্বাচিত অঞ্চলসমূহত ডি পি ই পিৰ কৰ্মদক্ষতাৰ তুলনা কৰিবলৈ এক পৰিস্থিতিগত বিশ্লেষণৰ পৰিচালনা কৰা হৈছিল। এই বিশ্লেষণ ৰাজ্যিক শিক্ষা দপ্তৰ আৰু ডি পি ই পিৰ অধীনত স্থাপিত ই এম আই এছৰ পৰা লাভ কৰা গৌণ উৎসৰ তথ্যৰ ওপৰত ভিত্তি কৰি কৰা হৈছিল।

তলত কিছুমান পৰিমাপনৰ পৰ্যবেক্ষণ আৰু ফলাফল উল্লেখ কাৰ হৈছে—

অন্তৰ্ভুক্ত জিলা— ২১৯ (২৪৮ দ্বি-খণ্ডিত জিলাৰ সৈতে)

| | |
|---|---|
| পৰ্যায় ১ (১৯৯৪-২০০১ ছেপ্টেম্বৰ)— | ৪২ |
| পৰ্যায় ২ (১৯৯৬— ডিচেম্বৰ, ২০০২)— | ৮০ |
| পৰ্যায় ৩ (১৯৯৮— মাৰ্চ, ২০০৩)— | ২৭ |
| অন্যান্য পৰ্যায়বোৰ— | ৭০ |
| অন্তৰ্ভুক্ত ৰাজ্যসমূহ— | ১৮ |

**বিদ্যালয়সমূহ**

| | |
|---|---|
| ব্যৱস্থাত বিদ্যালয়সমূহ— | ৩,৭৫,০০০ |
| নতুনকৈ যুক্ত বিদ্যালয়— | ১০,০০০ |

**ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকসকল ঃ**

| | |
|---|---|
| ব্যৱস্থাত ছাত্ৰ-ছাত্ৰীসকল— | ৫১৩ লাখ |
| সৰ্বমুঠ শিক্ষকৰ সংখ্যা— | ১১ লাখ |

**ই চি ই (ECE)**

| | |
|---|---|
| স্থাপিত ই চি ই কেন্দ্ৰ— | ৫৬,১২৪ |
| অন্তৰ্ভুক্ত শিশুসকল— | ২১ লাখ |

**বিকল্প বিদ্যালয়সমূহ (এ এছ)**

| | |
|---|---|
| স্থাপিত বিকল্প বিদ্যালয় কেন্দ্ৰসমূহ— | ৫৬,১২৪ |
| অন্তৰ্ভুক্ত শিশুসকল— | ২১ লাখ |

**নামভৰ্তিকৰণ ঃ**

জি ই আৰ (ই জি এছ আৰু এ এছৰ নামভৰ্তিকৰণ অন্তৰ্ভুক্ত কৰি) ১০২%

এন ই আৰ (ই জি এছ আৰু এ এছৰ নামভৰ্তিকৰণ অন্তৰ্ভুক্ত কৰি) ৯০%

টোকা ঃ জি ই আৰ আৰু এন ই আৰ উলিওৱাৰ সূত্ৰ এই গোটটোৰ শেষত উল্লেখ কৰা হৈছে।

(উৎস ঃ DPEP Fact sheet, DEPE calling, Volume VI, No. 11)

**৫.৫ সামৰণি/সমাপ্তি ঃ**

ভাৰতবৰ্ষৰ শিক্ষা ব্যৱস্থা অবিশ্বাস্যৰূপে বৃহৎ। ২০১১ চনত ইয়াৰ ৩০০ মিলিয়ন ছাত্ৰ-ছাত্ৰী আৰু ৬.৫ মিলিয়ন শিক্ষকে ১২১ মিলিয়ন জনসংখ্যাৰ সৈতে ইয়াক পৃথিৱীৰ আটাইতকৈ ডাঙৰ দেশ হিচাপে প্ৰতিষ্ঠিত কৰিব পাৰে। ১২০ মিলিয়ন শিশুৱে বিদ্যালয়ত মধ্যাহ্ন ভোজন লাভ কৰি আছে। সাক্ষৰতাৰ হাৰো ৬৫% ৰ পৰা ৭৫% লৈ বৃদ্ধি পাইছে। শিক্ষাক বিস্তৃতভাৱে এক উন্নত জীৱনৰ দুৱাৰ হিচাপে গণ্য কৰা হৈছে।

বিভিন্ন প্ৰকল্প যেনে— ইউ পি বুনিয়াদী শিক্ষা প্ৰকল্প, ছোৱালীৰ শিক্ষাৰ বাবে লোক জুম্বিছ, প্ৰাথমিক শিক্ষাৰ গুণমান উন্নয়নৰ বাবে বিহাৰ শিক্ষা প্ৰকল্প, আৰু শিক্ষকৰ অনুপস্থিতিৰ বাবে শিক্ষাকৰ্মী আদি বিভিন্ন ব্যৱস্থাৰ দ্বাৰা প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণৰ লক্ষ্যত উপনীত হোৱাৰ বাবে গুৰুত্ব প্ৰদান কৰা হৈছে।

৯০ ৰ মধ্যভাগত ডি পি ই পি আঁচনিখন জিলাসমূহত য'ত মহিলাৰ সাক্ষৰতাৰ হাৰ নিম্ন, আৰম্ভ

কৰা হৈছিল। সম্প্ৰদায়ৰ অংশগ্ৰহণ আৰু প্ৰাথমিক শিক্ষাৰ বাবে বিকেন্দ্ৰীকৰণ পৰিকল্পনাৰ সৈতে বিদ্যালয় বহিৰ্ভূত শিশুসকলক বিদ্যালয়লৈ অনাৰ বাবে ই নতুন পদক্ষেপ হাতত লৈছিল। বিভিন্ন কাৰ্যাৱলীসমূহৰ উপযুক্ত কাৰ্যকৰণৰ দ্বাৰা জনসাধাৰণৰ অংশগ্ৰহণৰ প্ৰচেষ্টা গাঁও পৰ্যায়লৈ বিস্তাৰিত কৰা হৈছে। গাঁও শিক্ষা কমিটিসমূহে বিভিন্ন জিলাত প্ৰায় ১০০ শতাংশ গাঁও সামৰি লৈছে। এই ইতিবাচক পৰিবৰ্তনসমূহৰ সৈতে ভাৰতবৰ্ষই অতি সোনকালে প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণৰ লক্ষ্যত উপনীত হ'বলৈ আশা কৰিছে।

**৫.৬ শব্দকোষ/সংক্ষিপ্তনাম ঃ**

প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণ মানে হৈছে শিশুসকলৰ আৰু স্থানৰ প্ৰয়োজন অনুসৰি সকলোতে শিক্ষা ব্যৱস্থাৰ সুবিধা উপলব্ধ কৰা।

সাৰ্বজনীনকৰণৰ তিনিটা দিশ ঃ সাৰ্বজনীন সুবিধা, নামভৰ্তি, উপস্থিতি আৰু সংৰক্ষণ, শিক্ষাৰ গুণমান।

সৰ্বমুঠ নামভৰ্তিকৰণৰ অনুপাত হৈছে এক সম্বন্ধিত নিৰ্ধাৰক। প্ৰাথমিক জি ই আৰে বয়স নিৰ্বিশেষে কিমান সংখ্যক শিশুক প্ৰাথমিক বিদ্যালয়ত নামভৰ্তি কৰা হ'ল, সেইটো সূচায় আৰু প্ৰাথমিক বিদ্যালয়ৰ বয়সৰ জনসংখ্যাৰ সৈতে সম্বন্ধিত/সম্পৰ্কিত।

$$\text{প্ৰাথমিক জি ই আৰ} = \frac{\text{প্ৰাথমিক বিদ্যালয়ত নামভৰ্তি কৰা শিশুৰ সংখ্যা}}{\text{প্ৰাথমিক বিদ্যালয়ৰ বয়সৰ শিশুৰ সংখ্যা}}$$

জি ই আৰৰ মূল্য ১০০ শতাংশতকৈ অধিক হ'ব পাৰে। ১০০ শতাংশতকৈ অধিক মূল্যৰ অৰ্থ হৈছে প্ৰাথমিক বিদ্যালয়ৰ বয়সৰ ওপৰৰ আৰু তলৰ কিছুমান শিশু প্ৰাথমিক বিদ্যালয়ত অন্তৰ্ভূক্ত হৈছে। ১০০ শতাংশৰ অধিক জি ই আৰ সাধাৰণতে গড় নামভৰ্তিকৰণৰ নিৰ্ধাৰক। যেনে সংৰক্ষণ আৰু পলমকৈ প্ৰৱেশ কৰাৰ কাৰণে।

$$\text{প্ৰাথমিক এন ই আৰ} = \frac{\text{প্ৰাথমিক বিদ্যালয়ত প্ৰাথমিক বিদ্যালয়ৰ বয়সৰ নামভৰ্তিকৰণ কৰা শিশুৰ সংখ্যা}}{\text{প্ৰাথমিক বিদ্যালয় বয়সৰ শিশুসকলৰ সংখ্যা}}$$

এন ই আৰৰ মূল্য ১০০%তকৈ অধিক হ'ব নোৱাৰে। যদি প্ৰাথমিক বিদ্যালয় বয়সৰ সকলো শিশুকে প্ৰাথমিক বিদ্যালয়ত নামভৰ্তি কৰা হৈছে, তেন্তে প্ৰাথমিক এন ই আৰ ১০০ শতাংশ হ'ব। প্ৰাথমিক এন ই আৰ ১০০ শতাংশ তলৰ মানে প্ৰাথমিক বিদ্যালয় বয়সৰ সকলো শিশু প্ৰাথমিক বিদ্যালয়ত অন্তৰ্ভূক্ত কৰা হোৱা নাই, কিছুমান বিদ্যালয় বহিৰ্ভূত হ'ব পাৰে, কিছুমান প্ৰাক্-প্ৰাথমিক বিদ্যালয়ত থাকিব পাৰে, কিছুমান মাধ্যমিক বিদ্যালয়ত আৰু শিক্ষাৰ অন্যান্য ব্যৱস্থাত থাকিব পাৰে।

বুনিয়াদী শিক্ষাৰ সুবিধা বৃদ্ধিকৰণৰ বাবে উত্তৰ প্ৰদেশ বুনিয়াদী শিক্ষা প্ৰকল্প (ইউ পি বি ই পি)।

ৰাজ্যত গুণগত শিক্ষাৰ উন্নয়নৰ ওপৰত গুৰুত্ব প্ৰদান কৰি বিহাৰ শিক্ষা প্ৰকল্পই (বি ই পি)য়ে প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে।

লোক জুম্বিচ হৈছে এক অভিনৱ প্ৰকল্প যাক সকলোৰে বাবে শিক্ষাৰ বাবে জনসাধাৰণৰ আন্দোলন বুলিও কোৱা হয়, ই প্ৰধানকৈ ছোৱালী শিক্ষাৰ ওপৰত গুৰুত্ব প্ৰদান কৰে।

শিক্ষাকৰ্মী প্ৰকল্প হৈছে এক শৈক্ষিক আঁচনি যিখন শিক্ষকসকলৰ অনুপস্থিতিৰ বাবে কাৰ্যকৰী কৰা হৈছিল। শিক্ষকৰ অনুপস্থিতিত সাৰ্বজনীনকৰণৰ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত এক প্ৰধান বাধা।

মহাৰাষ্ট্ৰ চৰকাৰে বিভিন্ন প্ৰকল্প যেনে— মাত্ৰো প্ৰবোধন প্ৰকল্প, সাবিত্ৰীবাই ফুলে অভিভাৱক গ্ৰহণ আঁচনি, সাক্ষৰশালা, কোৱাণশালা, বিদ্যানিকেতন, জনজাতীয় ভাষাৰ বাবে প্ৰকল্প আদিৰ আৰম্ভণি কৰিছিল।

জিলা প্ৰাথমিক শিক্ষা আঁচনি হৈছে ১৯৯৪ চনত আৰম্ভ কৰা বিশ্বৰ আটাইতকৈ ডাঙৰ শিক্ষা প্ৰকল্প, যি বিকেন্দ্ৰীকৰণ পৰিকল্পনাৰ জিলা বিশেষ পৰিকল্পনাৰ সৈতে, অংশগ্ৰহণকাৰী প্ৰক্ৰিয়া আৰু সকলো পৰ্যায়তে সামৰ্থ গঢ়ি তোলাৰ ওপৰত গুৰুত্ব প্ৰদান কৰি প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণৰ লক্ষ্যত উপনীত হোৱাৰ বাবে গুৰুত্ব আৰোপ কৰিছিল।

সংক্ষিপ্ত নামসমূহ ঃ

ডি পি ই পি— জিলা প্ৰাথমিক শিক্ষা আঁচনি।

ইউ পি-বিইপি— উত্তৰ প্ৰদেশ বুনিয়াদী শিক্ষা প্ৰকল্প।

প্ৰাথমিক জি ই আৰ— সৰ্বমুঠ নামভৰ্তিকৰণৰ অনুপাত।

ইউ ই ই— প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণ।

এন ই আৰ— নেট/শুদ্ধ নামভৰ্তিকৰণৰ অনুপাত।

বি ই পি— বিহাৰ শিক্ষা প্ৰকল্প।

**৫.৭ পৰামৰ্শমূলক পঠন আৰু প্ৰসংগ পুথি ঃ**

(১) Lok Jumbish– the sixth report Reviews http://books volume 1/1970-volume 41/ 2011

**৫.৮ গোট সমাপ্তি অনুশীলনী ঃ**

(১) শুদ্ধ উত্তৰ বাছি উলিয়াই খালী ঠাই পূৰ কৰা ঃ

(ক) প্ৰাথমিক শিক্ষাই ———— পৰিকল্পনাত সৰ্বশিক্ষা অভিযানৰ মাধ্যমেৰে প্ৰধান গুৰুত্বলাভ কৰিছিল। (দশম/একাদশ)

(খ) ২০০৯-১০ চনত আটাইতকৈ বেছি সংখ্যক বিদ্যালয় ——— ৰাজ্যত আছিল। (মধ্যপ্ৰদেশ/উত্তৰ প্ৰদেশ)।

(গ) 'সকলোৰে বাবে শিক্ষাৰ বা জনসাধাৰণৰ আন্দোলন' মানে হৈছে ——— (লোক জুম্বিছ/মহিলা সমীক্ষা)

(ঘ) ডি পি ই পিত পুনৰাবৃত্তি কাৰকৰ হাড়ৰ পতন/হ্রাস ৫০ শতাংশৰ দ্বাৰা আটাইতকৈ বেছি —— ক্ষেত্রত। (মধ্যপ্রদেশ/অসম)।

(ঙ) ১৯৮৭ চনত ——— সহায়তাৰ সহায়ত ৰাজস্থান চৰকাৰে শিক্ষাকৰ্মী প্ৰকল্পটো কাৰ্যকৰীকৰণ কৰা হৈছে। (এছ আই ডি এ/বিশ্ব বেংক)

(চ) ——— সমাজৰ বঞ্চিত শ্ৰেণীৰ লোকসকলৰ শিক্ষাৰ বাবে গুৰুত্ব আৰোপ কৰিছিল। (ইউ পি-বিইপি/বিই-পি)।

উত্তৰ ঃ (ক) দশম, (খ) উত্তৰ প্ৰদেশ (গ) লোক জুম্বিছ, (ঘ) অসম, (ঙ) এছ আই ডি এ, (চ) বি ই পি।

(২) তলত উল্লেখ কৰা পৰিস্থিতিত কাৰ্যকৰী কৰা উপযুক্ত আঁচনিসমূহৰ বিষয়ে লিখা।

বিবৃতিসমূহ

আঁচনিসমূহ ঃ

(ক) কম্পিউটাৰৰ যোগান আৰু ডি পি ই পিৰ সকলো জিলা আৰু ৰাজ্যিক প্ৰকল্প দপ্তৰসমূহলৈ নেটৱৰ্কৰ ডায়েল কৰা।

(খ) শিশু শ্ৰমিক পৰম্পৰা নাইকিয়া কৰাৰ ওপৰত গুৰুত্ব দিয়া আৰু তেওঁলোকৰ শিক্ষাৰ মূলসূতিলৈ অনাৰ আঁচনি।

(গ) যেতিয়া প্ৰচলিত প্ৰাথমিক বিদ্যালয়সমূহ শিক্ষাকৰ্মীৰ দ্বাৰা পৰিচালিত হয়।

(ঘ) গাঁৱলীয়া পুঁথিভৰালৰ ধাৰণৰ সম্প্ৰসাৰণ।

(ঙ) বৰাণৰ, কৰিমগঞ্জ খণ্ডৰ খন্দেলা গোটৰ জনজাতীয় শিশুসকলৰ বাবে আঁচনি/ব্যৱস্থা।

উত্তৰ ঃ (ক) পৰিচালনা তথ্য ব্যৱস্থা (এম আই এছ) (খ) সিন্ধু শিশু শ্ৰমিক প্ৰকল্প

(গ) দিবা কেন্দ্ৰ, (ঘ) পোষ্টাৰ কৰ্মশালা (ঙ) মুক্তাংগন

(৩) স্তম্ভসমূহ মিলোৱা ঃ

| দল ‘ক’ | দল ‘খ’ |
|---|---|
| (ক) বিহাৰ শিক্ষা প্ৰকল্প | (ক) ছোৱালীৰ বাবে শিক্ষা |
| (খ) লোক জুম্বিছ | (খ) শিক্ষকৰ অনুপস্থিতি |
| (গ) শিক্ষাকৰ্মী | (গ) সংহত শিক্ষা |
| | (ঘ) প্ৰাথমিক শিক্ষাৰ গুণমানৰ উন্নয়ন |

উত্তৰ ঃ

(ক) বিহাৰ শিক্ষা প্ৰকল্প— প্ৰাথমিক শিক্ষাৰ গুণমানৰ উন্নয়ন

(খ) লোক জুম্বিছ— ছোৱালীৰ শিক্ষা

(গ) শিক্ষাকৰ্মী— শিক্ষকৰ অনুপস্থিতি

(৪) খালী ঠাই পূৰণ কৰা ঃ

(ক) প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণ মানে হ'ল স্থান আৰু শিশুসকলৰ বিশেষ প্ৰয়োজন অনুসৰি সকলোতে শিক্ষাৰ সুবিধা —— কৰা।

(খ) ভাৰত চৰকাৰে প্ৰাথমিক পৰ্যায়ৰ বাবে —— দূৰত্বৰ ভিতৰত বিদ্যালয়ত প্ৰৱেশকৰণৰ সুবিধা প্ৰদান কৰিছে।

(গ) ১০০ শতাংশৰ ওপৰৰ —— মূল্যমানে হ'ল প্ৰাথমিক বিদ্যালয়ত কিছুমান ছাত্ৰ-ছাত্ৰী প্ৰাথমিক বিদ্যালয় বয়সৰ ওপৰৰ আৰু তলৰ পৰ্যায়ৰ।

(ঘ) ডি পি ই পি ভাৰতবৰ্ষত —— কাৰ্যকৰী কৰা হৈছিল।

(ঙ) মহাৰাষ্ট্ৰৰ ছোৱালীসকলক উৎসাহিত কৰিবলৈ চৰকাৰে নাছিকত —— সেনা বিদ্যালয় আৰম্ভ কৰিছিল।

(চ) ভাৰতৰ এছ চি জনসংখ্যাৰ সামাজিক সমতাৰ সূচী সকলো জিলাতকৈ —— অধিক।

**উত্তৰ** ঃ (ক) উপলব্ধকৰণ (খ) ১ কিঃমিঃ (গ) জি ই আৰ (ঘ) অভিযান ৰূপ,

(ঙ) ভোৰ (Bhor) (চ) ৯০।

(৫) এটা বাক্যত উত্তৰ দিয়া ঃ

(ক) কোনবোৰ বিদ্যালয়ক দ্বিতীয় যান্মাসিক বিদ্যালয় বুলি কোৱা হয়?

(খ) কিয় শিশুশ্ৰমিক প্ৰকল্পক ৰাষ্ট্ৰীয় শিশুশ্ৰমিক প্ৰকল্প বুলি কোৱা হয়?

(গ) প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণৰ সংজ্ঞা দিয়া।

(ঘ) মহাৰাষ্ট্ৰত কোনে প্ৰথমে কোৱাণশালা কাৰ্যকৰী কৰিছিল?

(ঙ) শিক্ষাকৰ্মী কি?

(চ) ডি পি ই পিৰ পৰিস্থিতিগত বিশ্লেষণৰ বাবে তথ্য ক'ৰ পৰা লাভ হয়?

(৬) (ক) প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণ কি? প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণৰ বিভিন্ন দিশসমূহ লিখা।

(খ) লোক জুম্বিছ প্ৰকল্পৰ প্ৰধান বৈশিষ্ট্যসমূহ উপস্থাপন কৰা বিদ্যালয় মানচিত্ৰ আৰু ক্ষুদ্ৰ পৰিকল্পনাৰ বিষয়ে বৰ্ণনা কৰক।

(গ) সৰ্বমুঠ নামভৰ্তিকৰণৰ অনুপাত (জি ই আৰ) মানে কি? উদাহৰণসহ ব্যাখ্যা কৰক।

(ঘ) অৰ্থনৈতিকভাৱে পিছপৰা শিশুসকলক ৰাজ্য চৰকাৰে কোনবোৰ সুবিধা প্ৰদান কৰিছে।

(ঙ) বুনিয়াদী শিক্ষা প্ৰকল্পৰ অধীনত উত্তৰ প্ৰদেশ চৰকাৰে পৰিকল্পনা কৰা বিভিন্ন কাৰ্যাৱলী আৰু ব্যৱস্থাসমূহ কি কি?

(চ) ছোৱালীৰ শিক্ষাৰ বাবে থকা বিভিন্ন পৰিকল্পনাসমূহ উল্লেখ কৰা।

(ছ) ৰাজস্থানৰ শিক্ষাকৰ্মী প্ৰকল্পৰ বিভিন্ন কাৰ্যাৱলীসমূহত শিক্ষাকৰ্মীসকলৰ ভূমিকা কি?

(জ) বাদপৰা শিশুসকলৰ বাবে থকা শৈক্ষিক আঁচনিসমূহ বৰ্ণনা কৰা।

(ঝ) উদ্দেশ্য, উপাদান আৰু বিভিন্ন ব্যৱস্থাৰ ক্ষেত্ৰত ডি পি ই পিৰ বিষয়ে বৰ্ণনা কৰা।

(ঞ) প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণত ডি পি ই পিৰ প্ৰভাৱ সম্বন্ধে লিখা।

# গোট ৬ ঃ প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণৰ ব্যৱস্থাসমূহ-২

**সংগঠন ঃ**

৬.০ অৱতাৰণা

৬.১ শিক্ষণ উদ্দেশ্যসমূহ

৬.২ সৰ্বশিক্ষা অভিযান আঁচনি আৰু গুৰুত্বপূৰ্ণ বৈশিষ্ট্যসমূহ

৬.৩ সৰ্বশিক্ষা অভিযান আঁচনিৰ লক্ষ্য আৰু উদ্দেশ্যসমূহ

৬.৪ সৰ্বশিক্ষা অভিযানৰ বহল/বিস্তৃত ব্যৱস্থাসমূহ

৬.৫ সৰ্বশিক্ষা অভিযান আঁচনিৰ অধীনত বিত্তীয় মানদণ্ড

৬.৬ বিদ্যালয় আৰু অন্যান্য সম্বন্ধিত সুবিধাসমূহৰ বিকাশ

৬.৭ মধ্যাহ্ন ভোজন আৰু সৰ্বশিক্ষা অভিযানত ইয়াৰ বৰঙনি

৬.৮ আৰ টি ই আইন, ২০০৯ আৰু সৰ্বশিক্ষা অভিযানৰ একত্ৰিকৰণ

৬.৯ সামৰণি/সমাপ্তি

৬.১০ পৰামৰ্শমূলক পঠন আৰু প্ৰসংগ পুথি

৬.১১ গোট সমাপ্তি অনুশীলনী।

**৬.০ অৱতাৰণা ঃ**

গোট ৫ত আপোনালোকে আমাৰ দেশৰ বিভিন্ন ৰাজ্যত প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণৰ বাবে কাৰ্যকাৰী হোৱা বিভিন্ন প্ৰকল্পসমূহৰ বিষয়ে অধ্যয়ন কৰিছে। আপোনালোকে প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণত ডি পি ই পিৰ প্ৰভাৱ সম্বন্ধেও অধ্যয়ন কৰিছে। এই গোটটোত আপোনালোকে সৰ্বশিক্ষা অভিযানৰ গুৰুত্বপূৰ্ণ বৈশিষ্ট্য, উপাদান, পৰিচালনা আৰু পৰ্যবেক্ষণৰ বিষয়ে অধ্যয়ন কৰিব যি দেশত প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণৰ লক্ষ্যত উপনীত হোৱাৰ প্ৰধান অভিযান। ৬ বছৰৰ পৰা ১৪ বছৰ বয়সৰ শিশুসকলক প্ৰাথমিক শিক্ষা প্ৰদান কৰাৰ বাবে সৰ্বশিক্ষা অভিযান আঁচনিৰ আৰম্ভ কৰা

হৈছিল। বহুতো প্ৰচেষ্টাৰ তথা উন্নয়নৰ পিছতো, বহুতো ৰাজ্যত যথেষ্টসংখ্যক বিদ্যালয় বহিৰ্ভূত শিশু আছে, যিসকল এই আঁচনিৰ দ্বাৰা লাভৱান হোৱা নাই। সৰ্বশিক্ষা অভিযান আঁচনিৰ কাৰ্যকৰীকৰণ আলোচনাৰ সময়ত, আমি ইয়াত আৰ টি ই ২০০৯ৰ আইনৰ লগত সম্বন্ধিত কৰিম, যি শিক্ষাক এক মৌলিক অধিকাৰ হিচাপে গণ্য কৰে।

**৬.১ শিক্ষণ উদ্দেশ্যসমূহ ঃ**

এই গোটটো অধ্যয়ন কৰাৰ পিছত আপোনালোক সমৰ্থবান হ'ব—

- সৰ্বশিক্ষা অভিযানৰ বৈশিষ্ট্যসমূহ আৰু পৃষ্ঠভূমিৰ বিষয়ে ব্যাখ্যা কৰিবলৈ
- সৰ্বশিক্ষা অভিযানৰ লক্ষ্য আৰু উদ্দেশ্যসমূহ বৰ্ণনা কৰিবলৈ
- সৰ্বশিক্ষা অভিযানৰ বিস্তৃত ব্যৱস্থাসমূহ চিনাক্ত কৰিবলৈ আৰু সেইবোৰ বৰ্ণনা কৰিবলৈ
- সৰ্বশিক্ষা অভিযানৰ লক্ষ্যত উপনীত হোৱাত মধ্যাহ্ন ভোজনৰ বৰঙনি সম্বন্ধে আলোচনা কৰিবলৈ
- আৰ টি ই আইন ২০০৯ ৰ গুৰুত্ব আৰু সৰ্বশিক্ষা অভিযানৰ লগত ইয়াৰ সম্পৰ্ক আলোচনা কৰিবলৈ
- নিৰক্ষতা দূৰীকৰণত সৰ্বশিক্ষা অভিযানৰ ভূমিকাৰ বিষয়ে আলোচনা কৰিবলৈ

**৬.২ সৰ্বশিক্ষা অভিযান আঁচনি আৰু ইয়াৰ গুৰুত্বপূৰ্ণ বৈশিষ্ট্যসমূহ ঃ**

আপোনালোকে জানে যে, সৰ্বশিক্ষা অভিযান হৈছে ৬ বছৰৰ পৰা ১৪ বছৰ বয়সৰ বিদ্যালয়লৈ যোৱা ল'ৰা-ছোৱালীৰ বাবে প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীন সুবিধা প্ৰদান কৰাৰ, চৰকাৰৰ এক প্ৰমুখ্য কাৰ্যসূচী। এই আঁচনিয়ে নামভৰ্তিকৰণ, সংৰক্ষণ আৰু শিক্ষাৰ গুণমান উন্নয়নৰ ওপৰত গুৰুত্ব আৰোপ কৰে যাতে শিশুসকলে উপযুক্ত পৰ্যায়ৰ শিক্ষণ লাভ কৰিব পাৰে। ই আকৌ লিংগ বৈষম্যতা দূৰ কৰাৰ ওপৰত গুৰুত্ব দিছে। ১৯৯৮ চনৰ ৰাজ্যিক শিক্ষামন্ত্ৰীৰ সন্মিলনৰ পৰামৰ্শ অনুসৰি কৰি ২০০১ চনত এছ এছ এ আৰম্ভ হৈছিল। ২০০২ চনত অধিনিয়মিত ৮৬ নং সংশোধনীয়ে প্ৰাথমিক শিক্ষাক মৌলিক অধিকাৰ হিচাপে গণ্য কৰাৰ লগতে শিশুসকলৰ বাবে প্ৰাথমিক শিক্ষা বিনামূলীয়া আৰু বাধ্যতামূলক অধিকাৰ আইনে কাৰ্যনিৰ্বাহ কৰা বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ ব্যৱস্থা ২০০৯ চনৰ আগষ্ট মাহত সংসদত গৃহীত হৈছিল।

**(ক) সৰ্বশিক্ষা অভিযানৰ গুৰুত্বপূৰ্ণ বৈশিষ্ট্যসমূহ ঃ** সৰ্বশিক্ষা অভিযানৰ বৈশিষ্ট্যসমূহ তলত উল্লেখ কৰা হৈছে আৰু এই বৈশিষ্ট্যসমূহ ইয়াক প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণৰ লক্ষ্যত উপনীত হোৱাৰ বাবে এক আটাইতকৈ গুৰুত্বপূৰ্ণ আঁচনি হিচাপে বিবেচনা কৰিছে।

- এক স্পষ্ট সময় গাঁথনিৰ সৈতে ই হৈছে এক আঁচনি, যি প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণৰ লক্ষ্যত উপনীত হোৱাৰ ওপৰত গুৰুত্ব প্ৰদান কৰে।
- ই হৈছে সমগ্ৰ বিশ্বতে গুণগত বুনিয়াদী শিক্ষাৰ চাহিদাৰ প্ৰতিক্ৰিয়া।

- ই হৈছে বুনিয়াদী শিক্ষাৰ দ্বাৰা সামাজিক ন্যায় স্থাপন কৰাৰ এক সুবিধা বা ব্যৱস্থা।
- ই হৈছে শিশুৰ শিক্ষাৰ এক প্ৰচেষ্টা যি পঞ্চায়তৰাজ অনুষ্ঠান, বিদ্যালয় পৰিচালনা কমিটি, গাঁও শিক্ষা কমিটি, শিশুক-অভিভাৱক সংস্থা আৰু স্থানীয় পৰ্যায়ৰ ব্যক্তিক অনুৰ্ভুক্ত কৰে।
- ই হৈছে সমগ্ৰ দেশতে সাৰ্বজনীন প্ৰাথমিক শিক্ষাৰ বাবে থকা ৰাজনৈতিক ইচ্ছাৰ প্ৰকাশ।
- প্ৰাথমিক শিক্ষাৰ পৰিচালনাৰ ক্ষেত্ৰত ই স্বতন্ত্ৰ পৰিষদ আৰু অন্যান্য তৃণমূল পৰ্যায়ৰ গাঁথনি অন্তৰ্ভুক্ত কৰে।
- ই কেন্দ্ৰ, ৰাজ্য আৰু স্থানীয় চৰকাৰৰ মাজত অংশীদাৰিত্ব স্থাপন কৰে।
- ই হৈছে ৰাজ্যসমূহৰ বাবে এক সুবিধা যাতে তেওঁলোকে নিজৰ প্ৰাথমিক শিক্ষাৰ লক্ষ্যসমূহৰ বিকাশ সাধন কৰিব পাৰে।
- ইয়াৰ ব্যৱস্থাসমূহৰ কাৰ্যকৰীকৰণত ৰাজহুৱা-ব্যক্তিগত খণ্ডৰ অংশীদাৰিত্বৰ বাবে ই হৈছে এক সুযোগ।
- মুঠতে, সৰ্বশিক্ষা অভিযান হৈছে এক প্ৰচেষ্টা যাৰ দ্বাৰা এক অভিযান ৰূপত সম্প্ৰদায়ভিত্তিক গুণ শিক্ষাৰ ব্যৱস্থাৰ জৰিয়তে সকলো শিশুৰ মাজত মানৱীয় গুণাৱলীৰ উন্নয়নৰ বাবে সুবিধা প্ৰদানে কৰা হয়।

**(খ) সৰ্বশিক্ষা অভিযানৰ উদ্দেশ্যসমূহ ঃ** তলত উল্লেখ কৰা সমূহ হৈছে সৰ্বশিক্ষা অভিযানৰ বিশেষ উদ্দেশ্য ঃ

- সকলো শিশুকে ২০০৩ চনৰ ভিতৰত বিদ্যালয়, শিক্ষা নিশ্চিত কেন্দ্ৰ, বিকল্প বিদ্যালয়, বিদ্যালয় প্ৰত্যাৱৰ্তন শিবিৰ আদিত সামৰি লোৱা (পিছলৈ ২০০৫ লৈ সম্প্ৰসাৰণ কৰা হৈছে)।
- সকলোবোৰ শিশুক ২০০৭ চনৰ ভিতৰত প্ৰাথমিক বিদ্যালয়ত ৫ বছৰীয়া শিক্ষা সমাপ্ত কৰাৰ সুযোগ দিয়া।
- সকলোবোৰ শিশুকে ২০১০ চনৰ ভিতৰত ৮ বছৰীয়া প্ৰাথমিক শিক্ষা সম্পূৰ্ণ কৰাৰ সুযোগ দিয়া।
- প্ৰাথমিক শিক্ষাক শিক্ষাৰ সন্তোষজনক ক্ষেত্ৰ হিচাপে গঢ়ি তুলি এনে শিক্ষাক গুণসম্পন্ন শিক্ষা হিচাপে বিকাশপ্ৰাপ্ত কৰি তুলি প্ৰতিজন শিশুৰ জীৱনৰ বাবে প্ৰয়োজনীয় শিক্ষা হিচাপে ইয়াৰ গুৰুত্ব বঢ়াই তোলা।
- প্ৰাথমিক শিক্ষাৰ স্তৰত সৃষ্টি হোৱা সামাজিক আৰু লিংগ বৈষম্য ২০০৭ চনত আৰু উচ্চ প্ৰাথমিক স্তৰত ২০১০ চনৰ ভিতৰত আঁতৰ কৰাৰ ব্যৱস্থা কৰা।
- ২০১০ চনৰ ভিতৰত প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত সাৰ্বজনীন সংৰক্ষণ নিশ্চিত কৰা।
- সমগ্ৰ গাঁথনিৰ ভিতৰত ৰাজ্যসমূহক প্ৰসংগ বিশেষ নীতি নিৰ্ধাৰণ/গঠন কৰিবলৈ অনুমতি কৰা।
- ৰাজ্যত জিলাসমূহক আৰু ইউ টি চ (UTs) স্থানীয় বিশেষত্ব প্ৰতিফলন কৰিবলৈ উৎসাহিত কৰা।

- বিস্তৃত ৰাষ্ট্ৰীয় নীতি মানদণ্ডৰ ওপৰত প্ৰতিষ্ঠিত স্থানীয় প্ৰয়োজনভিত্তিক পৰিকল্পনাৰ প্ৰচাৰ কৰা।
- বিস্তৃত ৰাষ্ট্ৰীয় মানদণ্ড গ্ৰহণৰ দ্বাৰা পৰিকল্পনাক এক বাস্তৱ অনুশীলনী হিচাপে প্ৰস্তুত কৰা।

এই উদ্দেশ্যসমূহ ৰাষ্ট্ৰীয়ভাৱে প্ৰকাশ কৰা হৈছিল যদিও বিভিন্ন জিলা আৰু ৰাজ্যসমূহে তেওঁলোকৰ নিজৰ প্ৰসংগত আৰু তেওঁলোকৰ নিজৰ সময় গাঁথনিত সাৰ্বজনীনকৰণৰ লক্ষ্যত উপনীত হ'ব বুলি আশা কৰা হৈছিল। ২০১০ চনটো হৈছে এনে সফলতাসমূহৰ বাবে সময়সীমা। ইয়াৰ প্ৰধান গুৰুত্বৰ বিষয়টো হৈছে বিদ্যালয় বহিৰ্ভূত শিশুসকলক বিভিন্ন ব্যৱস্থাৰ দ্বাৰা মূলসুঁতিলৈ আনা আৰু ৬ বছৰৰ পৰা ১৪ বছৰ বয়সৰ সকলো শিশুকে ৮ বছৰীয়া বিদ্যালয় শিক্ষা প্ৰদান কৰা। তদুপৰি ইয়াৰ মুখ্য দিশ হৈছে সামাজিক আৰু লিংগ বৈষম্য আঁতৰ কৰা আৰু বিদ্যালয়ত সকলো শিশুৰ সম্পূৰ্ণ সংৰক্ষণ এই গাঁথনিৰ ভিতৰত এইটো আশা কৰা হৈছে যে শিক্ষা ব্যৱস্থা উপযুক্ত কৰি গঢ় দি তোলা হ'ব যাতে শিশু আৰু অভিভাৱকসকলে তেওঁলোকৰ প্ৰাকৃতিক আৰু সামাজিক পৰিবেশ অনুসৰি বিদ্যালয় ব্যৱস্থা উপযুক্ত আৰু মনোগ্ৰাহী বিধৰ হয়।

**এক গাঁথনি আৰু আঁচনি হিচাপে সৰ্বশিক্ষা অভিযান ঃ**

সৰ্বশিক্ষা অভিযানৰ দুটা দিশ আছে—

(ক) ই প্ৰাথমিক শিক্ষা আঁচনিসমূহ কাৰ্যকৰীকৰণৰ বাবে এক বিস্তৃত একমুখী গাঁথনি প্ৰদান কৰিছে।

(খ) ই হৈছে এক আঁচনি যি প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণৰ লক্ষ্যত উপনীত হ'বলৈ গুৰুত্বপূৰ্ণ দিশসমূহৰ সুদৃঢ়কৰণৰ বাবে বাজেটৰ ব্যৱস্থা কৰে। প্ৰাথমিক শিক্ষাখণ্ডত যেতিয়া সকলো বিনিয়োগ ৰাজ্যৰ পৰা হয় আৰু কেন্দ্ৰীয় পৰিকল্পনাসমূহে সৰ্বশিক্ষা অভিযানৰ গাঁথনিৰ এক অংশ হিচাপে প্ৰতিফলিত হ'ব আৰু পৰৱৰ্তী কেইবছৰমানৰ ভিতৰত সংলগ্ন হ'ব। এক আঁচনি হিচাপে, প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণৰ বাবে ই অতিৰিক্ত সম্পদৰ ব্যৱস্থাৰ প্ৰতিফলিত কৰে।

**৬.৪ সৰ্বশিক্ষা অভিযান আঁচনিৰ বিস্তৃত ব্যৱস্থাসমূহ ঃ**

**আনুষ্ঠানিক সংশোধন/সংস্কাৰ ঃ** সৰ্বশিক্ষা অভিযানৰ অংশ হিচাপে, বিতৰণ ব্যৱস্থাৰ যোগ্যতাৰ উন্নয়ন কৰিবলৈ কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে সংস্কাৰ সাধনৰ ব্যৱস্থা গ্ৰহণ কৰিব। ৰাজ্যসমূহে তেওঁলোকৰ প্ৰচলিত শিক্ষা ব্যৱস্থাৰ বিষয়ে এক বস্তুনিষ্ঠ পৰিমাপন কৰিব লাগে আৰু ই শৈক্ষিক প্ৰশাসন, বিদ্যালয়ত সফলতাৰ পৰ্যায়, বিত্তীয় সমস্যাসমূহ, বিকেন্দ্ৰীকৰণ আৰু সম্প্ৰদায় মালিকীস্বত্ব, ৰাজ্যিক শিক্ষা আইনৰ পুনৰীক্ষণ, আৰু শিক্ষকসকলৰ নিযুক্তি, পৰ্যবেক্ষণ আৰু মূল্যায়ন, ছোৱালীৰ শিক্ষাৰ স্থিতি, এছ চি/এছ টি আৰু বঞ্চিত দলসমূহ আৰু ই চি চি ই আদি অন্তৰ্ভুক্ত কৰিব লাগে। প্ৰাথমিক শিক্ষাৰ বিতৰণ ব্যৱস্থাৰ উন্নয়নৰ বাবে বহুতো ৰাজ্যই ইতিমধ্যে বিভিন্ন পৰিবৰ্তন সাধন কৰিছে।

**বহনক্ষম বিত্তীয় ব্যৱস্থা ঃ** সৰ্বশিক্ষা অভিযান এইটো প্ৰসংগত ভিত্তি কৰে যে প্ৰাথমিক শিক্ষাৰ সহায়তা কাৰ্যসূচীৰ বিত্তীয় ব্যৱস্থা বহনক্ষম হ'ব। ই কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰসমূহৰ মাজত এক দীৰ্ঘকালীন বিত্তীয় অংশীদাৰিত্ব বিচাৰে বা আহ্বান কৰিছে।

**সম্প্ৰদায় মালিকীস্বত্ব ঃ** উপযুক্ত বিকেন্দ্ৰীকৰণৰ দ্বাৰা এই আঁচনি/ব্যৱস্থাই বিদ্যালয়ভিত্তিক সহায়তা কাৰ্যসূচীৰ সম্প্ৰদায় মালিকস্বত্বৰ আহ্বান কৰিছে। ইয়াক মহিলাৰ দল, ভি ই চি সদস্যসকল আৰু পঞ্চায়ত ৰাজ অনুষ্ঠানৰ সদস্যসকলৰ অন্তৰ্ভুক্তিকৰণৰ দ্বাৰা উদ্দীপিত কৰা হ'ব।

**আনুষ্ঠানিক/সাংগঠনিক সামৰ্থ গঢ়িকৰণ ঃ** ৰাষ্ট্ৰীয়, ৰাজ্যিক আৰু জিলা পৰ্যায় অনুষ্ঠানসমূহ যেনে নিপা (NIEPA), এন চি ই আৰ টি, এছ চি ই আৰ টি, এছ আই এম এ টি আৰু ডায়েট (DIET) আদিৰ বাবে সৰ্বশিক্ষা অভিযানে এক প্ৰধান সামৰ্থ গঢ়িকৰণৰ ভূমিকা পালন কৰে।

**মূলসুঁতিৰ শৈক্ষিক প্ৰশাসনৰ উন্নয়ন ঃ** ই সাংগঠনিক বিকাশ, নতুন দৃষ্টিভংগীসমূহৰ সংমিশ্ৰণ আৰু মিতব্যয়ী আৰু উপযুক্ত পদ্ধতিৰ গ্ৰহণৰ দ্বাৰা মূলসুঁতিৰ শৈক্ষিক প্ৰশাসনৰ উন্নয়ন সাধন কৰিব বিচাৰিছে।

**সম্পূৰ্ণ স্বচ্ছতাৰ সৈতে সম্প্ৰদায়ভিত্তিক পৰ্যবেক্ষণ ঃ** এই ব্যৱস্থাৰ এক সম্প্ৰদায়ভিত্তিক পৰ্যবেক্ষণ ব্যৱস্থা থাকিব। শৈক্ষিক পৰিচালনা তথ্য ব্যৱস্থাই ক্ষুদ্ৰ পৰিকল্পনা আৰু জৰীপকৰণৰ পৰা সম্প্ৰদায়ভিত্তিক তথ্যৰ লগত আৰু বিদ্যালয় পৰ্যায়ৰ তথ্যৰ সম্বন্ধিত কৰিব। ইয়াৰ উপৰিও, অনুদানপ্ৰাপ্তি অন্তৰ্ভুক্ত কৰি সকলো তথ্য সম্প্ৰদায়ৰ লগত আদান-প্ৰদান কৰাৰ বাবে প্ৰত্যেকখন বিদ্যালয়ক উৎসাহিত কৰা হ'ব।

**পৰিকল্পনাৰ গোট হিচাপে বাসস্থান ঃ** এছ এছ এ পৰিকল্পনাৰ গোট হিচাপে বাসস্থানৰ লগত পৰিকল্পনাৰ সম্প্ৰদায়ভিত্তিক দৃষ্টিভংগীৰ ওপৰত কাম কৰে। বসতি পৰিকল্পনা জিলা পৰিকল্পনা প্ৰস্তুতকৰণৰ ভেটি হিচাপে পৰিগণিত হ'ব।

**সম্প্ৰদায়ৰ প্ৰতি দায়িত্ব ঃ** এছ এছ এয়ে শিক্ষক, অভিভাৱক আৰু পি আৰ আইসমূহৰ মাজত সহযোগিতা স্থাপন কৰে আৰু সম্প্ৰদায়ৰ প্ৰতি দায়িত্ব আৰু স্বচ্ছতাৰ ওপৰত গুৰুত্ব দিয়ে।

**ছোৱালীৰ শিক্ষাৰ প্ৰতি প্ৰাধান্য ঃ** ছোৱালীৰ শিক্ষা, বিশেষকৈ এছ ছি/এছ টি আৰু সংখ্যালঘু সম্প্ৰদায়ৰ পৰা অহাসকলৰ শিক্ষা সৰ্বশিক্ষা অভিযানৰ এক প্ৰধান গুৰুত্বৰ দিশ।

**বিশেষ দলসমূহৰ ওপৰত আলোকপাত ঃ** শিক্ষা প্ৰক্ৰিয়াত এছ চি/এছ টি, সংখ্যালঘু দলসমূহ, নগৰৰ বঞ্চিত শিশুসকলক, বঞ্চিত দলসমূহ আৰু বিশেষ প্ৰয়োজনসম্পন্ন শিশুসকলক অন্তৰ্ভুক্তিকৰণ আৰু অংশগ্ৰহণৰ ওপৰত আলোকপাত কৰা হ'ব।

**গুণমানৰ ওপৰত গুৰুত্ব ঃ** সৰ্বশিক্ষা অভিযানে পাঠ্যক্ৰম, শিশুকেন্দ্ৰিক কাৰ্যাৱলীসমূহৰ আৰু উপযুক্ত শিক্ষণ-শিক্ষণ ব্যৱস্থাৰ উন্নয়নৰ দ্বাৰা প্ৰাথমিক পৰ্যায়ত শিক্ষাক শিশুসকলৰ বাবে উপযুক্ত আৰু প্ৰাসংগিক কৰি তোলাৰ ওপৰত গুৰুত্ব দিয়ে।

**শিক্ষকসকলৰ ভূমিকা ঃ** এছ এছ এয়ে শিক্ষকসকলৰ প্ৰধান আৰু গুৰুত্বপূৰ্ণ ভূমিকাক স্বীকৃতি প্ৰদান কৰিছে আৰু তেওঁলোকৰ বিকাশমূলক প্ৰয়োজনসমূহৰ ওপৰত আলোকপাত কৰাৰ পোষকতা কৰিছে। গোট সম্পদ কেন্দ্ৰৰ স্থাপন, যোগ্য শিক্ষকৰ নিযুক্তি, পাঠ্যক্ৰম সম্বন্ধিত বিষয়বস্তুৰ বিকাশত অংশগ্ৰহণৰ দ্বাৰা শিক্ষকৰ বিকাশৰ বাবে সুবিধা প্ৰদান আৰু শিক্ষকসকলৰ বাবে প্ৰকাশমূলক ভ্ৰমণ আদি শিক্ষকসকলৰ মাজত মানৱসম্পদৰ বিকাশ সাধনৰ বাবে প্ৰস্তুত কৰা হৈছে।

**জিলা প্ৰাথমিক শিক্ষা পৰিকল্পনা ঃ** এছ এছ এৰ গাঁথনি অনুসৰি সকলো জিলাই প্ৰাথমিক শিক্ষা খণ্ডত কৰা বিনিয়োগ আৰু প্ৰয়োজন হোৱা বিনিয়োগ প্ৰতিফলিত কৰি এক জিলা প্ৰাথমিক শিক্ষা পৰিকল্পনা প্ৰস্তুত কৰিব।

**সৰ্বশিক্ষাত ৰাজহুৱা-ব্যক্তিগত খণ্ডৰ অংশীদাৰিত্ব ঃ** সৰ্বশিক্ষা অভিযানে এক তথ্য উল্লেখ কৰিছে যে প্ৰাথমিক শিক্ষাৰ ব্যৱস্থা বিশেষভাৱে চৰকাৰী আৰু চৰকাৰী অনুদানপ্ৰাপ্ত বিদ্যালয়সমূহে প্ৰদান কৰে। দেশৰ বিভিন্ন প্ৰান্তত বহুতো ব্যক্তিগত অনুদানবিহীন বিদ্যালয় আছে যি প্ৰাথমিক শিক্ষা প্ৰদান কৰে। দেশৰ বিভিন্ন প্ৰান্তত দুখীয়া পৰিয়ালৰ লোকসকলে ব্যক্তিগত খণ্ডত বিচৰা মাচুল প্ৰদান কৰিব নোৱাৰে। ইয়াত কিছুমান ব্যক্তিগত বিদ্যালয় আছে যিবোৰে সাধাৰণতে কম পৰিমাণৰ মাচুল বিচাৰে আৰু য'ত দুখীয়া পৰিয়ালৰ শিশুসকলে বিদ্যালয়ত উপস্থিত থাকিব পাৰে। এই বিদ্যালয়সমূহৰ কিছুমান বিদ্যালয় নিম্ন সাংগঠনিক ব্যৱস্থা আৰু নিম্ন বেতনপ্ৰাপ্ত শিক্ষকসকলৰ দ্বাৰা চিহ্নিত কৰা হৈছে। সুপৰিকল্পিত, সুসংগঠিত ব্যক্তিগত অনুদানবিহীন বিদ্যালয়সমূহত সকলোৰে বাবে সমতা আৰু সুবিধা প্ৰদানৰ সকলো প্ৰচেষ্টাক উৎসাহিত কৰা হৈছে আৰু ৰাজহুৱা ব্যক্তিগত খণ্ডৰ অংশীদাৰিত্বৰ দিশসমূহ অনুসন্ধান কৰাৰ প্ৰচেষ্টা গ্ৰহণ কৰা হ'ব। চৰকাৰৰ, স্থানীয় কৰ্তৃপক্ষ আৰু চৰকাৰী অনুদানপ্ৰাপ্ত বিদ্যালয়সমূহক মধ্যাহ্ন ভোজন আৰু ডি পি ই পি আঁচনিৰ অনুশীলনৰ দৰে, সৰ্বশিক্ষা অভিযান আঁচনিৰ অধীনত সামৰি লোৱা হ'ব, যদি কোনো ক্ষেত্ৰত ব্যক্তিগত খণ্ডই ৰাজহুৱা খণ্ড, চৰকাৰ, স্থানীয় কৰ্তৃপক্ষ আৰু ব্যক্তিগত অনুদানপ্ৰাপ্ত বিদ্যালয়ৰ কাৰ্যৰ উন্নয়ন কৰিব বিচাৰে। এই ক্ষেত্ৰত ৰাজ্যিক নীতিৰ বিস্তৃত মানদণ্ডৰ ভিতৰত অংশীদাৰিত্ব বিকাশৰ প্ৰচেষ্টা গ্ৰহণ কৰা হ'ব। ৰাজ্যিক নীতিসমূহৰ ওপৰত নিৰ্ভৰ কৰি, ডায়েটসমূহ (DIETs) আৰু অন্যান্য চৰকাৰী শিক্ষক প্ৰশিক্ষণ অনুষ্ঠানসমূহক ব্যক্তিগত অনুদানবিহীন অনুষ্ঠানসমূহক সম্পদৰ সমৰ্থন প্ৰদান কৰিবলৈ ব্যৱহাৰ কৰিব পাৰি যদিহে, অতিৰিক্ত খৰচসমূহ/ব্যয় এই ব্যক্তিগত কৰ্তৃপক্ষবোৰে বহন কৰে।

**৬.৫ সৰ্বশিক্ষা অভিযানৰ অধীনত বিত্তীয় মানদণ্ড ঃ**

দ্বাদশ পৰিকল্পনাৰ সময়ছোৱাত সৰ্বশিক্ষা অভিযানৰ আঁচনিৰ অধীনত অনুদান সাহায্য ব্যৱস্থা ৮৫ঃ১৫ হ'ব, দশম পৰিকল্পনাত সাহায্য ব্যৱস্থা ৭৫ঃ২৫ হ'ব, ইয়াৰ পিছত ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ মাজত ৫০ঃ৫০ সাহায্য ব্যৱস্থা হ'ব। ৰাজ্য চৰকাৰৰ পৰা লিখিতভাৱে ব্যয়ৰ অংশীদাৰিত্ব সম্বন্ধে প্ৰতিশ্ৰুতি লোৱা হ'ব।

১৯৯৯-২০০০ চনৰ দৰে ৰাজ্য চৰকাৰে প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত তেওঁলোকৰ বিনিয়োগৰ মানদণ্ড/পৰ্যায় বজাই ৰাখিব লাগিব। সৰ্বশিক্ষা অভিযানৰ বাবে ৰাজ্যসমূহে আগবঢ়োৱা সাহায্যৰ/বৰঙণি এই ব্যয়তকৈ অধিক হ'ব।

— ভাৰত চৰকাৰে কেৱল ৰাজ্য চৰকাৰসমূহক আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহলৈ অনুদান মুক্ত কৰিব কৰিব আৰু কেন্দ্ৰীয় চৰকাৰৰ পূৰ্বৱৰ্তী কিস্তিসমূহ প্ৰদান কৰাৰ পিছত কিস্তিসমূহ (প্ৰথম কিস্তিৰ বাদে) প্ৰদান কৰা হ'ব। আৰু ৰাজ্যৰ অংশটো ৰাজ্যিক কাৰ্যকৰীকৰণ সমাজলৈ স্থানান্তৰ কৰা হৈছে।

পৰিকল্পনাৰ সময়ছোৱাত সৰ্বশিক্ষা অভিযান আঁচনিৰ অধীনত নিযুক্ত শিক্ষকসকলৰ বেতনৰ

সমৰ্থনৰ বাবে কেন্দ্ৰীয় চৰকাৰ আৰু  ৰাজ্যিক চৰকাৰ মাজত ৮৫ঃ১৫ অনুপাতত ভাগ হ'ব, দশম পৰিকল্পনাত ৭৫ঃ২৫, আৰু ইয়াৰ পিছত ৫০ঃ৫০ ভাগ হ'ব।

নৱম পৰিকল্পনাৰ পিছত দপ্তৰৰ প্ৰাথমিক শিক্ষাৰ প্ৰচলিত আঁচনিসমূহ সংযুক্ত কৰা হ'ব (ৰাষ্ট্ৰীয় বালভৰন আৰু এন চি টি ই-ৰ বাহিৰে) প্ৰাথমিক শিক্ষাৰ পৌষ্টিক সমৰ্থনৰ ৰাষ্ট্ৰীয় আঁচনি খাদ্যশস্যৰ সৈতে স্বতন্ত্ৰ সহায়ক ব্যৱস্থা হিচাপে পৰিগণিত হ'ব আৰু যাতায়াতৰ নিৰ্দিষ্ট ব্যয় কেন্দ্ৰীয় চৰকাৰে আৰু বনোৱা খাদ্যৰ ব্যয় ৰাজ্য চৰকাৰৰ দ্বাৰা বহন কৰা হ'ব।

জিলা পৰিকল্পনাসমূহে বিভিন্ন আঁচনি যেনে— PMGY, JGSY, PMRY, সুনিশ্চিত ৰোজগাৰ যোজনা, MPs/MLAs ৰ বাবে ক্ষেত্ৰনিধি, ৰাজ্যিক পৰিকল্পনা, বিদেশী নিধি আৰু স্বেচ্ছাসেৱী সংগঠনৰ ক্ষেত্ৰত সম্পদৰ উৎপন্ন আদিৰ অধীনৰ বিভিন্ন উপাদানসমূহৰ বাবে নিধি/সম্পদ স্পষ্টভাৱে দেখুৱাব।

বিদ্যালয়ৰ উন্নয়ন, ৰক্ষণাবেক্ষণ, মেৰামতি আৰু শিকন-শিক্ষণ সঁজুলি আৰু স্থানীয় পৰিচালনাৰ বাবে ব্যৱহাৰ কৰিব লগা সকলো নিধি, গাঁও শিক্ষা সমিতি, বিদ্যালয় পৰিচালনা সমিতি, গাঁও পঞ্চায়ত আৰু অন্যান্য গাঁও। বিদ্যালয় পৰ্যায়ৰ ব্যৱস্থালৈ স্থানান্তৰ কৰা হ'ব।

অন্যান্য উদ্দীপকমূলক আঁচনি যেনে ছাত্ৰবৃত্তিৰ বিতৰণ আৰু ৰাজ্যিক পৰিকল্পনাৰ অধীনত ইউনিফৰ্মসমূহ অনুদান অবিৰতভাৱে চলি থাকিব। সেইবোৰ সৰ্বশিক্ষা অভিযানৰ আঁচনিৰ অধীনত অনুদান প্ৰদান কৰা নহ'ব।

**৬.৬ বিদ্যালয় আৰু অন্যান্য সম্বন্ধিত সঁজুলিসমূহৰ বিকাশ ঃ**

আপোনালোক অৱগত যে, শিক্ষা হৈছে এক ৰাজ্যিক দায়িত্ব। কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা প্ৰাথমিক শিক্ষাত অনুদানসমূহ আৰম্ভণি তথা পৰিচালনা কৰা হৈছে, ৰাজ্যসমূহে বৰ্তমান আন্তঃগাঁথনিৰ সুবিধাসমূহ, শিক্ষকৰ নিযুক্তি আৰু শিক্ষকক প্ৰশিক্ষণ প্ৰদানৰ বাবে অতিৰিক্ত সম্পদৰ ব্যৱহাৰ কৰিব পাৰে যাতে এই ব্যৱস্থাসমূহৰ বিকাশত অনুদান প্ৰদান কৰিব পাৰে। সৰ্বশিক্ষা অভিযানৰ প্ৰকৃত সাফল্য বৈষয়িক আৰু মানৱ সম্পদৰ বাবে নিম্নগামী হৈছে, বিশেষকৈ মুখ্য দিশসমূহ যেনে— শ্ৰেণীকোঠা, পাঠ্যপুথিৰ বিতৰণ, শিক্ষকৰ নিযুক্তি আৰু শিক্ষকৰ প্ৰশিক্ষণ।

**সৰ্বশিক্ষা অভিযানত সহায়ক ব্যৱস্থা ঃ**

**(১) AIE (এ আই ই) ঃ** বিকল্প আৰু অভিনৱ শিক্ষা হৈছে সৰ্বশিক্ষা অভিযানৰ এক প্ৰধান সহায়ক ব্যৱস্থা যাৰ দ্বাৰা সকলো শিশুকে প্ৰাথমিক শিক্ষাৰ সুবিধা প্ৰদান কৰিব পাৰি। জনজাতীয় আৰু উপকূলীয় অঞ্চলসমূহত বঞ্চিত আৰু প্ৰান্তিক অঞ্চলৰ শিশুসকলৰ অংশগ্ৰহণ নিশ্চিত কৰাৰ বাবে বিভিন্ন ব্যৱস্থাৰ বিকাশ সাধন কৰা হৈছে।

**(২) পৌৰ কাৰ্যাৱলী ঃ** এছ এছ এৰ অধীনত পৌৰ কাৰ্যাৱলীৰ উপাদানসমূহ গুৰুত্বপূৰ্ণ। এই উপাদানৰ অধীনত, ইয়াত মুঠ প্ৰকল্প বাজেটৰ ৩৩% পৰ্যায়পৰ্যন্ত বৃহদায়তন বিনিয়োগৰ ব্যৱস্থা আছে। বিদ্যালয়ৰ সাংগঠনিক ব্যৱস্থাই শিশুসকলক শিক্ষাৰ সুবিধা প্ৰদানত সহায় কৰে আৰু তেওঁলোকৰ

সংৰক্ষণত সহায় কৰে যি দুটা সৰ্বশিক্ষা অভিযানৰ গুৰুত্বপূৰ্ণ উদ্দেশ্য। উপ-জিলা পৰ্যায়ত সম্পদ কেন্দ্ৰসমূহৰ আন্তঃগাঁথনি ব্যৱস্থাৰ সুবিধাই শৈক্ষিক সমৰ্থন সৃষ্টি কৰাত সহায় কৰে আৰু ই গুণগত উন্নয়নৰ বাবে এক অনুঘটক হিচাপে কাম কৰে।

(৩) **অভিনৱ কাৰ্যাৱলীসমূহ ঃ** বিদ্যালয়ত কাৰ্যকৰী কৰা অভিনৱ কাৰ্যাৱলীসমূহে ৬ বছৰৰ পৰা ১৪ বছৰ বয়সৰ সকলো শিশুৰ বাবে উপযুক্ত আৰু প্ৰাসংগিক প্ৰাথমিক শিক্ষা লাভৰ প্ৰক্ৰিয়াত অনুঘটক হিচাপে কাম কৰে। তদুপৰি ই সম্প্ৰদায়ৰ সক্ৰিয় অংশগ্ৰহণৰ দ্বাৰা সামাজিক, ধৰ্মীয় আৰু লিংগ বৈষম্য দূৰীকৰণৰ ওপৰত গুৰুত্ব প্ৰদান কৰে। আপোনালোক সচেতন/অৱগত যে, এই ব্যৱস্থাসমূহে শিক্ষাত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত মনোযোগ/আগ্ৰহ সৃষ্টি কৰাত সফলতা অৰ্জন কৰিছে। আৰু তেওঁলোকক শিক্ষাত সংৰক্ষণ কৰাত সহায় কৰে। অভিনৱ আঁচনিৰ অধীনত কাৰ্যকৰী আঁচনিসমূহ হৈছে— আগতীয়া বাল্যকালৰ যতন আৰু শিক্ষা, ছোৱালী শিক্ষা, এছ চি/এছ টিসকলৰ শিক্ষা আৰু কম্পিউটাৰ শিক্ষা আদি।

(৪) **গৱেষণা আৰু মূল্যায়ন ঃ** এই সহায়ক ব্যৱস্থাই গৱেষণা, মূল্যায়ন, পৰ্যবেক্ষণ আৰু নিৰীক্ষণ আদি অন্তৰ্ভুক্ত কৰে। ইয়াত পাৰিবাৰিক তথ্য উন্নয়নৰ বাবে বিদ্যালয় মানচিত্ৰ, ক্ষুদ্ৰ পৰিকল্পনাৰ ব্যৱস্থা আছে। এই অনুদানসমূহ চৰকাৰী আৰু চৰকাৰী অনুদানপ্ৰাপ্ত বিদ্যালয় উভয় বিদ্যালয়ৰ বাবে ব্যৱহাৰ কৰিব পাৰে।

তলত উল্লেখিত কাৰ্যাৱলীসমূহ এই সহায়ক ব্যৱস্থাৰ অধীনত প্ৰস্তাৱিত কৰা হৈছে—

— উপযুক্ত ক্ষেত্ৰভিত্তিক পৰ্যবেক্ষণৰ বাবে অভিজ্ঞ ব্যক্তিৰ দলৰ সৃষ্টি কৰা।

— সম্প্ৰদায়ভিত্তিক তথ্যৰ নিয়মিত উৎপত্তি কৰা

— উপলব্ধি পৰীক্ষাৰ পৰিচালনা আৰু মূল্যায়নমূলক অধ্যয়ন।

— গৱেষণামূলক কাৰ্যাৱলীসমূহ গ্ৰহণ কৰা।

— নিম্ন মহিলা সাক্ষৰতা হাড় থকা জিলাসমূহৰ বাবে বিশেষ কৰ্মদল গঠন কৰা আৰু এছ চি, এছ টি (SC/ST) ছোৱালীৰ বাবে বিশেষ পৰ্যবেক্ষণৰ কৰ্মদল গঠন কৰা।

— শিক্ষা পৰিচালনা তথ্য ব্যৱস্থাৰ ওপৰত যথাযোগ্য ব্যয় কৰা।

— চাক্ষুস পৰ্যবেক্ষণৰ বাবে আকস্মিক ব্যয় বহন কৰা যেনে— চাৰ্ট, পোষ্টাৰ, কলম, OHP কলম ইত্যাদি।

— দলীয় অধ্যয়নৰ পৰিচালনা কৰা।

(৫) **বিদ্যালয় অনুদান ঃ** এই প্ৰকল্পৰ অধীনত প্ৰত্যেক বিদ্যালয়ক ২০০০ টকা বিদ্যালয় অনুদান প্ৰদান কৰা হৈছিল। বিদ্যালয়ৰ অনুদানৰ পৰা ১০০০ টকা পুথিভঁৰালৰ সা-সুবিধাৰ উন্নয়নৰ বাবে প্ৰদান কৰা হৈছিল। বাকী থকা অনুদান তথা টকাসমূহ কাৰ্যকৰী নোহোৱা সঁজুলিসমূহ কাৰ্যকৰী কৰা, বিদ্যালয় সৌন্দৰ্যকৰণ, আচবাবৰ মেৰামতি আৰু উন্নয়ন, সাংগীতিক সঁজুলি আৰু বিদ্যালয়ৰ সমগ্ৰ পৰিবেশৰ বিকাশৰ বাবে ব্যৱহাৰ কৰা হৈছে।

(৬) **শিক্ষকসকলৰ অনুদান ঃ** শ্ৰেণীকোঠাৰ কাৰ্যনিৰ্বাহৰ উন্নয়ন আৰু শিক্ষণ সঁজুলিৰ প্ৰস্তুতিৰ বাবে প্ৰত্যেক শিক্ষককে ৫০০ টকাকৈ প্ৰদান কৰা হৈছে। শিক্ষকসকলে উপযুক্ত শ্ৰেণীকোঠাৰ কাৰ্যনিৰ্বাহকৰ বাবে শিকন-শিক্ষণ সামগ্ৰীৰ কৰাৰ বাবে ব্যৱহাৰ কৰা হৈছে।

(৭) **শিক্ষকৰ প্ৰশিক্ষণ ঃ** সকলো শিশুকে গুণগত শিক্ষা প্ৰদান কৰাটো এছ এছ এৰ আটাইতকৈ গুৰুত্বপূৰ্ণ লক্ষ্য। আপোনালোক সন্মত হ'ব যে গুণ শিক্ষা শিক্ষকৰ গুণমানৰ ওপৰত নিৰ্ভৰ কৰে। এছ এছ এৰ এক প্ৰধান পদক্ষেপ হৈছে প্ৰাসংগিক সমস্যা। দিশ আৰু বিষয়বস্তুৰ উন্নয়নৰ শিক্ষাদান শৈলীক ওপৰত অবিৰত শিক্ষক প্ৰশিক্ষণ প্ৰদান কৰা। কৰ্মকালীন শিক্ষক প্ৰশিক্ষণৰ প্ৰধান উদ্দেশ্য হৈছে শিক্ষকসকলৰ মাজত দক্ষতাৰ বিকাশ সাধন কৰা যাতে তেওঁলোকে শিশুসকলৰ শিক্ষা সুচল কৰিব পাৰে। ইয়াত মাষ্টাৰ প্ৰশিক্ষকসকলক পুংখানুপুংখভাৱে প্ৰশিক্ষণ দিয়াৰ আৰু তেওঁলোকক প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণৰ বিভিন্ন দিশ আৰু সমস্যাৰ বিষয়ে উন্মুখীকৰণ কৰাৰ ব্যৱস্থা আছে যি ইয়াৰ পৰিবৰ্তে তেওঁলোকৰ শিক্ষকসকলক আৰু অন্যান্য কৰ্মচাৰীসকলক প্ৰশিক্ষণ দিব। এই কৰ্মকালীন শিক্ষক প্ৰশিক্ষণ ব্যৱস্থাই প্ৰাথমিক শিক্ষাৰ নতুন ধাৰা আৰু ব্যৱস্থাৰ বিষয়ে শিক্ষকসকলক খাপ খুৱাই নিয়াত সহায় কৰে। প্ৰশিক্ষণৰ উন্নয়নৰ বাবে বিভিন্ন ব্যৱস্থা ব্যৱহাৰ কৰিব পাৰি। গুৰুত্বপূৰ্ণ ব্যৱস্থাসমূহ তলত উল্লেখ কৰা হ'ল—

— শিক্ষকসকলৰ প্ৰশিক্ষণ আৰু পুনঃ প্ৰশিক্ষণ।

— নতুন পাঠ্যক্ৰম আৰু পাঠ্যপুথিৰ বিষয়ে পৰিচয় সম্বন্ধীয় প্ৰশিক্ষণ।

— ৰাষ্ট্ৰীয় পাঠ্যক্ৰম গাঁথনি (এন চি এফ) ২০০৫ ৰ বিষয়ে পৰিচয় সম্বন্ধীয় প্ৰশিক্ষণ।

— পৰীক্ষা ব্যৱস্থাৰ সংস্কাৰ সাধন।

— গ্ৰেডিং ব্যৱস্থা আৰু পৰিমাপণৰ ওপৰত প্ৰশিক্ষণ আৰু গ্ৰেডিং ব্যৱস্থাৰ প্ৰভাৱ।

— পাঠ্যক্ৰমিক আৰু সহ-পাঠ্যক্ৰমিক ক্ষেত্ৰৰ উন্নয়ন।

— বিশেষ প্ৰয়োজন সম্পন্ন শিশুৰ বাবে অন্তৰ্ভূক্তি শিক্ষাৰ ওপৰত শিক্ষকৰ প্ৰশিক্ষণ।

— গুণগত শিক্ষাৰ ব্যৱস্থাৰ পৰিকল্পনা আৰু কাৰ্যকৰীকৰণ।

— সকলো পৰ্যায়তে সম্পদ দল সুদৃঢ়কৰণ কৰা হৈছে (প্ৰত্যেক বিষয়ৰ বাবে পৃথক সম্পদ দল) আৰু প্ৰত্যেক জিলাতে ৩০০-৩৫০ অভিজ্ঞ ব্যক্তি নিয়োগ কৰা হৈছে, পুনৰীক্ষণ কাৰ্য, স্থিতিগত সমৰ্থন আৰু পুনৰীক্ষণ সাক্ষাৎ আদি নিশ্চিত কৰা হৈছে। ডায়েটে (DIETs) প্ৰশিক্ষণৰ প্ৰয়োজনীয়তা, কঠিন দিশ চিনাক্ত কৰিছে আৰু শিক্ষকৰ বাবে প্ৰশিক্ষণ ব্যৱস্থাৰ বিকাশ সাধন কৰিছে। এই প্ৰক্ৰিয়াই প্ৰশিক্ষণৰ গুণমান উন্নয়ন কৰাত সহায় কৰিছে।

অবিৰত শিক্ষক প্ৰশিক্ষণত এইসমূহ অন্তৰ্ভূক্ত হয় যেনে— শৈক্ষিক কাৰ্য্যপ্ৰণালী, শিশু মনোবিজ্ঞান, কৰ্মৰ জৰিয়তে শিক্ষণ, মূল্যায়ণ পদ্ধতিৰ প্ৰশিক্ষণ আৰু প্ৰাথমিক শিক্ষকসকল পৈত্ৰিক প্ৰশিক্ষণ দিয়া হয়।

দূৰ শিক্ষা ঃ ভাৰত চৰকাৰৰ মানৱ সম্পদ উন্নয়ন দপ্তৰ মন্ত্ৰণালয়ৰ দ্বাৰা প্ৰচাৰিত দূৰ শিক্ষা প্ৰগ্ৰেম

(Distance Education Programme, DEP), সৰ্বশিক্ষা অভিযানৰ এটা ৰাষ্ট্ৰীয় উপাদান DEPৰ কাৰ্যসমূহ ৰূপায়িত কৰা দায়িত্বসমূহ, ভাৰতৰ সকলো ৰাজ্য/কেন্দ্ৰীশাসিত অঞ্চলসমূহৰ সহযোগিতাত, ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় মুক্ত বিশ্ববিদ্যালয়ৰ ওপৰত আৰোপ কৰা হৈছিল। DEP আৰু সৰ্বশিক্ষা অভিযানে, প্ৰাথমিক শিক্ষাৰ লগত জড়িত শিক্ষক আৰু অন্যান্য ব্যক্তিসকলৰ সবলীকৰণৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ই বহু-মাধ্যম টোপোলাৰ ব্যৱহাৰৰ দ্বাৰা মুখা-মুখা প্ৰশিক্ষণৰ যোগান ধৰে যে স্ব-শিক্ষণ সামগ্ৰী, শ্ৰব্য-দৃশ্য প্ৰগ্ৰেমসমূহ, ৰেডিঅ'ৰ সম্প্ৰচাৰ, টেলিকনফাৰেঞ্চিং ইত্যাদি। আপোনালোকে এই ক্ষেত্ৰত সহমত জনাব যে দূৰ মাধ্যম প্ৰশিক্ষণে এক বৃহৎ সংখ্যাৰ ব্যক্তিসমূহক সম্বোধন কৰি সহায় কৰাই নহয়, লগতে প্ৰশিক্ষণ নিবেশক এটা সমৰূপ প্ৰদান কৰে আৰু হস্তান্তৰণৰ লোকচানৰ হাৰ হ্ৰাস কৰে। যাক সাধাৰণতে মুখামুখি প্ৰশিক্ষণৰ আৰ্হিতে দেখা যায়।

| |
|---|
| কাৰ্য-১ ঃ সৰ্বশিক্ষা অভিযানক সমৰ্থন কৰি তিনিটা প্ৰগ্ৰেমৰ পৰামৰ্শ দিয়া। |
| পৰিঘটনা অধ্যয়ন— কিছুমান সৰ্বশিক্ষা অভিযান কেন্দ্ৰ দৰ্শন কৰা আৰু ইয়াৰ কামসমূহ অধ্যয়ন কৰা। |

**৬.৭ মধ্যাহ্ন ভোজন আঁচনি আৰু সৰ্বশিক্ষা অভিযানত ইয়াৰ অৱদান ঃ**

এজন সৰ্বসাধাৰণ ব্যক্তিৰ বুনিয়াদী চাহিদাসমূহ পূৰণ কৰাৰ ক্ষেত্ৰত শিক্ষাই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। যেনে— খাদ্য বাসস্থান আৰু বস্ত্ৰ। শিক্ষাৰ প্ৰধান লক্ষ্য হৈছে, শিশুক শাৰিৰীক মানসিক আৰু আধ্যাত্মিকভাৱে সাজু কৰা আৰু বিকাশ কৰা যাতে সি এটা উচ্চ মানদণ্ড সম্পন্ন জীৱন অতিবাহিত কৰিব পাৰে। শিক্ষা হৈছে এটা প্ৰক্ৰিয়া যাৰ দ্বাৰা এটা শিশুক প্ৰয়োজনীয় কৰ্মদক্ষতা আৰু কৌশল আয়ত্বকৰণৰ বাবে সামৰ্থ বাণ কৰি তোলা হয় যাতে সি জীয়াই থাকিবলৈ জীৱনৰ প্ৰত্যাহ্বানসমূহৰ মুখামুখি হ'ব পাৰে আৰু অস্তিত্ব ৰক্ষাৰ বাবে সংগ্ৰাম কৰিব পাৰে। সকলোৰে বাবে শিক্ষাৰ লক্ষ্যত উপনীত হোৱাৰ বাবে চাৰিটা প্ৰধান উপাদান চিনাক্ত কৰা হৈছে। এইসমূহ হ'ল শিক্ষাৰ সুগমতা, শিশুসকলৰ নামভৰ্তি/তালিকাভূক্তকৰণ আৰু তালিকাভুক্ত শিশুসকলৰ সংৰক্ষণ আৰু উপলব্ধিতা। ওপৰত উল্লেখিত সমগ্ৰ চাৰিটা উদ্দেশ্যত উপনীত হোৱা আৰু সুবিধা প্ৰদান বাবে মধ্যাহ্ন ভোজন আচনি এটা প্ৰচেষ্টা।

পিছপৰা জনসংখ্যাৰ স্বাৰ্থ পূৰণৰ অৰ্থে প্ৰাথমিক শিক্ষা খণ্ডত চৰকাৰে বিভিন্ন আচনি ৰূপায়ণ কৰিছিল। সৰ্বশিক্ষা অভিযানৰেৰে প্ৰমুখ কাৰ্যক্ৰমৰ জৰিয়তে প্ৰাথমিক শিক্ষা লাভক সাৰ্বজনীন কৰা হৈছিল। যি কি নহওক, ইয়াৰ স্বত্বেও, এতিয়াও কিছুসংখ্যক শিশু প্ৰাথমিক শিক্ষা লাভৰ পৰা বঞ্চিত হৈ আছে কাৰণ সিহঁতৰ পিতৃ-মাতৃৰ সিহঁতক বিদ্যালয়লৈ পঠিওৱাৰ সামৰ্থ নাই যিহেতু সিহঁতৰ অৰ্থনৈতিক অৱস্থা অতি শোচনীয়। এই পিতৃ-মাতৃসকলৰ বাবে সিহঁতৰ শিশুসকলক বিদ্যালয়লৈ পঠিওৱাটো এটা কেৱল অতিৰিক্ত বোজাই নহয়, ইয়াৰ লগতে সিহঁতৰ শিশুসকলে শ্ৰম উপাৰ্জনেৰে ঘটা কিছু পৰিমাণৰ ধনক অৱহেলা কৰাৰ নিচিনা। অৰ্থনৈতিকভাৱে দুৰ্বল মাক-দেউতাকৰ এনে আচৰণ বা দৃষ্টিভংগীৰ বাবে কোনোবাই সেই পিতৃ-মাতৃ আৰু শিশুসকলক খাদ্য আৰু পুষ্টিকৰ সামগ্ৰীৰ যোগান ধৰি বিদ্যালয়লৈ অনাৰ ক্ষেত্ৰত আগ্ৰহী কৰি তুলিব পাৰে।

ভাৰত চৰকাৰে ১৯৯৫ চনৰ ২ অক্টোবৰ তাৰিখে, প্ৰাথমিক শিক্ষাৰ বাবে National Programme

of Nutritional Support নামৰ এখন আচনি মুকলি কৰিছিল যাক মধ্যাহ্ন ভোজন আচনি বুলি জনা যায়। এই আঁচনিৰ অধীনত প্ৰাথমিক শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলক ৮০ শতাংশ উপস্থিতিৰ আধাৰত প্ৰতিমাহে প্ৰতিজন ছাত্ৰক ৩ কেজি আটা দিয়া হৈছিল (এক বছৰত ১০ মাহৰ বাবে)। ইতিমধ্যে সৰ্বোচ্চ ন্যায়ালয়ে এক নিৰ্দেশযোগে ২০০১ চনৰ ২৪ নৱেম্বৰ তাৰিখে এই ক্ষেত্ৰত হস্তক্ষেপ কৰি ৰাজ্য চৰকাৰ/কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ মধ্যাহ্ন ভোজন আঁচনি ৰূপায়ণ কৰাৰ বাবে নিৰ্দেশ দিলে য'ত প্ৰত্যেক চৰকাৰী আৰু চৰকাৰী সাহাৰ্য লাভ কৰা প্ৰাথমিক বিদ্যালয়ৰ প্ৰতিজন শিশুৱে ৰন্ধা মধ্যাহ্ন ভোজন লাভ কৰিব আৰু প্ৰত্যেকদিনে বিদ্যালয়ত এই ৰন্ধা মধ্যাহ্ন ভোজনত ন্যূনতম ৩০০ কেলৰি শক্তি আৰু ৮-১২ গ্ৰাম প্ৰটিন থাকিব, প্ৰায় ন্যূনতম ২০০ দিনৰ বাবে।

ড° এম.জি. ৰামাচন্দ্ৰনে, দশম মান শ্ৰেণীলৈকে সকলো শিশুৰ বাবে এই আঁচনি সাৰ্বজনীন কৰাৰ সিদ্ধান্ত লৈছিল। ইয়াৰ ভিতৰত তামিলনাডুৰ মধ্যাহ্ন ভোজন আঁচনি। দেশৰ আটাইতকৈ জনাজাত আঁচনি। কমকৈ জনাজাত হ'লেও পণ্ডিচেৰীৰ ইতিহাসো সমানেই মনোগ্ৰাহী যিয়ে সাৰ্বজনীন বিদ্যালয় আহাৰ ব্যৱস্থা, ১৯৩০ চনৰ প্ৰাকক্ষণতেই আৰম্ভ কৰিছিল। এইয়াও এক মনোগ্ৰাহী কাহিনী যে কেনেকৈ কে.কৰ্মৰাজ নামৰ ব্যক্তিজনে মধ্যাহ্ন ভোজন আঁচনিৰ ধাৰণা লাভ কৰিছিল। তেওঁ দেখিছিল যে কিছুসংখ্যক ল'ৰা সিহঁতৰ গৰু আৰু ছাগলীৰ লগত ব্যস্ত আছিল। তেওঁ তাৰে এটা সৰু ল'ৰাক সুধিছিল "তুমি এই গৰুকেইটাৰ লগত কি কৰি আছা? তুমি বিদ্যালয়লৈ কিয় যোৱা নাই?" সেই ল'ৰাটোৱে তৎক্ষণাতে উত্তৰ দিছিল যে "যদি মই বিদ্যালয়লৈ যাওঁ, তুমি মোক খাবলৈ খাদ্য দিবা নেকি? মই যদিহে খাবলৈ পাওঁ তেতিয়াহে শিকিব পাৰিম।" সেই ল'ৰাটোৰ প্ৰত্যুত্তৰে সমগ্ৰ মধ্যাহ্ন ভোজন আঁচনি উপস্থাপন কৰাত উৎসাহিত কৰিছিল।

ভাৰতবৰ্ষৰ অন্যান্য বহুতো ৰাজ্যত এই আঁচনি আছে। আৰু এই সকলৰ ভিতৰত আটাইতকৈ উল্লেখনীয় হৈছে গুজৰাট য'ত ১৯৮০ দশকৰ পিছৰ পৰাই এই আঁচনি চলি আছে। ১৯৯৫ চনৰ পৰাই কেৰেলাই ৰন্ধা খাদ্য বিদ্যালয়লৈ যোগান ধৰি আহিছে ইয়াৰ পিছতেই মধ্যপ্ৰদেশ আৰু উৰিষ্যাত সৰুকৈ আৰম্ভ হৈছিল। ২০০১ চনৰ ২৮ নৱেম্বৰ তাৰিখে ভাৰতৰ উচ্চতম ন্যায়ালয়ে চৰকাৰক এটা উল্লেখনীয় নিৰ্দেশ দিলে যে ভাৰতৰ সকলো চৰকাৰী আৰু চৰকাৰী সাহাৰ্যপ্ৰাপ্ত প্ৰাথমিক বিদ্যালয়ৰ সকলো শিশুকে বিদ্যালয়ত ৰন্ধা খাদ্য যোগান ধৰা হ'ব। আৰম্ভণিতে এই নিৰ্দেশ প্ৰবলৰূপে ৰাজ্য চৰকাৰৰ ওপৰত সীমিত আছিল, কিন্তু পিছলৈ ২০০৫ চনলৈকে এই আঁচনিখন প্ৰায় সাৰ্বজনীন হৈ পৰিছিল।

বৰ্তমান ভাৰত চৰকাৰে এখন নতুন মধ্যাহ্ন ভোজন আঁচনি মুকলি কৰিছে। ৱেবছাইট যেনে, http://mdm.nic.in

প্ৰাথমিক শিক্ষাক পুষ্টিসমৰ্থনকাৰী ৰাষ্ট্ৰীয় আঁচনি (National Programme for Nutrition Support to Primary Education)

যদিও তামিলনাডুত এই আচনিখন জনপ্ৰিয়তাৰ অধিনিয়মত আৰম্ভ হৈছিল তথাপিও এই আচনিখনৰ সাৰ্থকতা উক্ত প্ৰকল্পটো বৃহৎভাৱে জনপ্ৰিয় কৰি তুলিছিল। এই আঁচনিখনৰ সফলতা ইমানেই দৃষ্টি আকৰ্ষণীয় আছিল যে, ১৯৯৫ চনত তেতিয়াৰ প্ৰধানমন্ত্ৰী পি.ভি. নৰসিংহ ৰাওঁৱে এই প্ৰকল্পটোৰ সফলতাক আহ্বান কৰি এইটো পৰামৰ্শ আগবঢ়াইছিল যে এই আঁচনিখন সমগ্ৰ দেশতে

ৰূপায়ণ কৰিব লাগে আৰু এনেদৰে প্ৰাথমিক শিক্ষাক পুষ্টি সমৰ্থনকাৰী ৰাষ্ট্ৰীয় আঁচনিৰ আৰম্ভণি হৈছিল।

এই প্ৰগ্ৰেমখনৰ মতে ভাৰত চৰকাৰে বিনামূলীয়া খাদ্যশস্য যোগান ধৰিব আৰু ৰাজ্যসমূহে অন্যান্য সামগ্ৰী দৰমহা আৰু আন্তঃগাঠনিৰ যোগান ধৰিব। যিহেতু বেছিভাগে ৰাজ্যই, বাজেট সংক্ৰান্ত সম্পদ সম্পন কৰিবলৈ অনিচ্ছুক আছিল সেয়েহে তেওঁলোকে কেৱল ভাৰত চৰকাৰৰ পৰা পোৱা খাদ্যশস্যসমূহ পিতৃ-মাতৃসমূহলৈ পঠিয়াই দিছিল। এই ব্যৱস্থাক কোৱা হৈছিল ‘শুকান ৰেচন সামগ্ৰীৰ যোগান’। ২০০১ চনৰ ২৮ নবেম্বৰত ভাৰতৰ উচ্চতম ন্যায়ালয়ে এটা বিখ্যাত নিৰ্দেশনাৰ জৰিয়তে ইয়াক বাধ্যতামূলক কৰিছিল যে ৰাজ্য চৰকাৰে ‘শুকান ৰেচন সামগ্ৰী’ (dry rations) দিয়াৰ পৰিৱৰ্তে ৰন্ধা খাদ্য যোগান ধৰিব লাগিব। এই নিৰ্দেশনা জুন ২০০২ৰ পৰা ৰূপায়িত কৰা হৈছিল, কিন্তু আদালতৰ প্ৰৱৰ্তিথ হেঁচাৰ ফলত আৰু প্ৰচাৰ মাধ্যমেৰে বহুত ৰাজ্যই বিশেষকৈ খাদ্য অভিযানৰ অধিকাৰৰ দ্বাৰা ৰন্ধা খাদ্য যোগান ধৰা আৰম্ভ কৰিছিল। ২০০৪ চনৰ মে মাহত কেন্দ্ৰত মিত্ৰজোঁটৰ চৰকাৰ গঠন কৰা হৈছিল, যিয়ে কেন্দ্ৰ চৰকাৰৰ দ্বাৰা সম্পূৰ্ণ যোগান ধৰা, ৰন্ধা খাদ্য যোগান ধৰাৰ সাৰ্বজনীন প্ৰতিশ্ৰুতি দিছিল। এই প্ৰতিশ্ৰুতি ইয়াৰ সাধাৰণ ন্যূনতম আচনিৰ দ্বাৰা ৰাজ্যসমূহক আৰ্থিক সমৰ্থন আগবঢ়াবলৈ মানি চলা হৈছিল, যাৰ দ্বাৰা ৰন্ধন প্ৰণালী আৰু আন্থঃগাঠনিৰ নিৰ্মাণ কৰিব পৰা সম্ভৱ। এই অতিৰিক্ত সহায়েৰে, এই আচনিখন বিস্তৃতভাৱে প্ৰচাৰ কৰা হৈছিল যাতে ভাৰতবৰ্ষৰ প্ৰাথমিক বিদ্যালয়ৰ বেছিভাগ শিশুকে সাঙুৰি ল’ব পাৰি। ২০০৫ চনলৈ ১৩০ মিলিয়ন শিশুক সাঙুৰি লোৱাৰ আশা কৰা হৈছিল।

**৬.৮ শিক্ষাৰ অধিকাৰ আইন ২০০৯ আৰু সৰ্বশিক্ষা অভিযানৰ একত্ৰিকৰণ ঃ**

২০১০ চনৰ এপ্ৰিল মাহৰ পহিলা তাৰিখৰ পৰা শিশুৰ বিনামূলীয়া আৰু বাধ্যতামূলক আইনখন বলবৎ হৈছিল। প্ৰত্যেক শিশুকে ৬ৰ পৰা ১৪ বছৰ বয়সৰ ভিতৰত তেওঁলোকৰ বয়োসপযুক্ত শ্ৰেণীকোঠাত আৰু তাৰ/তাইৰ নিকট বিদ্যালয়ত, ৮ বছৰীয়া প্ৰাথমিক শিক্ষা প্ৰদান কৰা হ’ব। এই উপগোটটো অধ্যয়ন কৰাৰ পিছত আপোনালোকে জানিব যে ঃ

একত্ৰিকৰণৰ উদ্দেশ্যসমূহ হ’ল যে—

— বিশেষ প্ৰয়োজনৰ শিশুসকলৰ অন্তৰ্ভুক্তিকৰণৰ ক্ষেত্ৰত, স্থায়ী শিক্ষক আৰু বিশেষ শিক্ষকসকলৰ আচৰণৰ মূল্যায়ণ কৰা।

— অন্তৰ্ভুক্তিকৃত শৈক্ষিক অনুষ্ঠানত বিদ্যালয়ৰ স্থায়ী শিক্ষক আৰু বিশেষ প্ৰয়োজনৰ শিশুসকলক চম্ভালাৰ বাবে থকা বিশেষ শিক্ষকসকলৰ নিহিত তথা প্ৰয়োজনীয় দক্ষতাৰ মূল্যায়ণ কৰা।

— সাধাৰণ ছাত্ৰ-ছাত্ৰীসমূহৰ, বিশেষ প্ৰয়োজনৰ শিশুসকলৰ অন্তৰ্ভুক্তিৰ ক্ষেত্ৰত প্ৰদৰ্শন কৰা আচৰণৰ মূল্যায়ণ কৰা।

— অন্তৰ্ভুক্তিকৃত শৈক্ষিক অনুষ্ঠানত, বিদ্যালয়ৰ স্থায়ী শিক্ষক আৰু বিশেষ প্ৰয়োজনৰ শিশুসকলক চম্ভালাৰ বাবে থকা বিশেষ শিক্ষকসকলৰ নিহিত আৰু প্ৰয়োজনীয় দক্ষতাৰ আৰু সজাগতাৰ মাজত থকা সম্পৰ্ক বিচাৰি উলিওৱা।

— বৈজ্ঞানিক দৃষ্টিভংগী/আচৰণৰ বিকাশ, বৈজ্ঞানিক আৰু প্ৰযুক্তিবিদ্যাৰ দক্ষতাৰ উত্থিতকৰণ, সৃষ্টিশীলতাক উৎসাহ প্ৰদান আৰু দৈনন্দিন জীৱনৰ লগত জড়িত সমস্যাসমূহৰ সমাধান কৰা।

— শিক্ষনীয় অসামৰ্থতাৰ ক্ষেত্ৰত, শিক্ষক আৰু পিতৃ-মাতৃসকলৰ বাবে প্ৰশিক্ষণ অনুষ্ঠান আয়োজন কৰি তেওঁলোকৰ শিশুসকলৰ শৈক্ষিক দক্ষতা/পৰিবেশন উন্নীতকৰণ কৰি, সিহঁতক সহায় আগবঢ়োৱা।

— প্ৰাথমিক স্তৰৰ শিক্ষাত, বিদ্যালয়ৰ বাদ পৰা শিশুসকলৰ, আৰ্থ-সামাজিক কাৰণসমূহৰ বিশ্লেষণ কৰা।

— প্ৰাথমিক স্তৰত ছোৱালীসকলৰ নামভৰ্তি, বাদ পৰা আৰু সংৰক্ষণৰ মূল্যায়ণ কৰা।

— নামভৰ্তিৰ ক্ষেত্ৰত প্ৰভাৱান্বিত কৰা আৰ্থিক আৰু জনসাংখিকীয় উপাদানসমূহৰ পৰীক্ষা কৰা।

— সৰ্বশিক্ষা অভিযানে প্ৰশিক্ষণৰ ক্ষেত্ৰত আগবঢ়োৱা ভৌতিক আৰু আৰ্থিক অনুদানসমূহৰ পৰীক্ষা কৰা।

প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ৰ তীব্ৰতৰ অভাৱ থকা স্বত্বেও, নতুন শিক্ষা বৰ্ষত, শিক্ষাৰ অধিকাৰ আইন ৰূপায়িত কৰা ক্ষেত্ৰত, কৰ্তৃপক্ষই কেনেধৰণৰ পৰিকল্পনা হাতত লৈছে? সৰ্বশিক্ষা অভিযানৰ অধীনত আগবঢ়োৱা নীতি-নিয়মৰ আধাৰত শিশুসকলক বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা প্ৰদানৰ আশ্বাস দিয়া হৈছে। চৰকাৰী নিয়ম অনুযায়ী প্ৰতি এক কিলোমিটাৰ দূৰত্বত থকা ৩০০ জন লোকৰ বাবে, এখন চৰকাৰী প্ৰাথমিক বিদ্যালয় থাকিব আৰু প্ৰত্যেক দুই কিলোমিটাৰ মূৰত, ৮০০ লোকৰ বাবে, এখন উচ্চ প্ৰাথমিক বিদ্যালয় থাকিব। বৰ্তমান, বুনিয়াদী শিক্ষা বিভাগৰ তথ্য অনুযায়ী জিলাসমূহত ১০৩২ খন প্ৰাথমিক বিদ্যালয় আৰু ৩৫২ খন উচ্চ প্ৰাথমিক বিদ্যালয় আছে। ইয়াৰ উপৰিও, জিলাসমূহত ৭০০ খন স্বীকৃতিপ্ৰাপ্ত প্ৰাথমিক আৰু ৫৭৭ খন উচ্চ প্ৰাথমিক বিদ্যালয় আছে। যদি আমি এই সংখ্যাসমূহ যোগ কৰো তেতিয়াহ'লে জিলাসমূহত ১৮১২ খন প্ৰাথমিক আৰু ৯২৯ খন উচ্চ প্ৰাথমিক বিদ্যালয় আছে। সৰ্বশিক্ষা অভিযানৰ নীতি অনুযায়ী, ৩১,৩৮৬৭১ জনসংখ্যা থকা জিলাসমূহত, ১০৪৬২ প্ৰাথমিক আৰু ৩৯২৩ উচ্চ প্ৰাথমিক বিদ্যালয় থাকিব লাগে (২০০১ জনগণনা)। তথাপিও, জিলাসমূহত আন আন অনুষ্ঠানসমূহো আছে যেনে ঃ ব্যক্তিগত, বেচৰকাৰী বিদ্যালয়সমূহ আৰু মাদ্ৰাছাসমূহ।

সৰ্বশিক্ষা অভিযান, কেন্দ্ৰীয় চৰকাৰৰ ২০০১ চনত মুকলি কৰা এটা উৎকৃষ্ট অনুষ্ঠান যাৰ লক্ষ্য হ'ল, নিৰ্দ্ধাৰিত সময়সীমাৰ ভিতৰত প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীন কৰা। ইয়াক ৰাজ্য চৰকাৰৰ অংশীদাৰিত্বত, সমগ্ৰ দেশকে সাঙুৰি, ৰূপায়িত কৰা হৈছে। ইয়াৰ মূল প্ৰভাৱ এয়ে আছিল যে বিভিন্ন কৌশলৰ জৰিয়তে বিদ্যালয়ৰ বাহিৰৰ শিশুসকলক মূলধাৰালৈ লৈ অহা আৰু ৬ৰ পৰা ১৪ বছৰৰ সকলো শিশুকে ৮ বছৰীয়া বিদ্যালয় শিক্ষা যোগান ধৰা। ই ২০১০ চনলৈ এই বয়সৰ সকলো শিশুকে প্ৰয়োজনীয় আৰু প্ৰাসংগিক প্ৰাথমিক শিক্ষা যোগান ধৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছিল। ভাৰতৰ সংবিধানৰ ৮৬ তম সংশোধনে শিক্ষাক মৌলিক হিচাপে পৰিগণিত কৰিছিল আৰু এতিয়া ২০০৯ চনৰ পহিলা এপ্ৰিলত, শিশুৰ বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ আইন বলবৎ হোৱাৰ পিছত, ইয়াৰ বিদ্যালয়ত

থকা প্ৰত্যেক শিশুৰে বাধ্যবাধকতাসমূহ পূৰ্ণ কৰাৰ দায়িত্ব আছে।

৬ৰ পৰা ১৪ বছৰ বয়সৰ বহুতো শিশু আছে, যি কিছুমান কামত নিয়োজিত হৈ আছে। যদিহে শ্ৰম বিভাগৰ তথ্যসমূহ বিশ্বাস কৰো তেনেহ'লে ৫০০০তকৈও অধিক শিশু বিপদজনক আৰু অধিপদজনক উদ্যোগসমূহ কাম কৰি থকা, চিনাক্ত কৰা হৈছে। আৰু ১৯৯৬ চনৰ ডিচেম্বৰ মাহৰ পৰা উত্তৰ প্ৰদেশৰ বাৰাণসী, চাণ্ডাউলী, জনপুৰ আৰু উত্তৰ প্ৰদেশৰে গাজীপুৰ জিলাৰ পৰা এই শিশুসকলক উদ্ধাৰ কৰা হৈছে। অতিৰিক্ত শ্ৰম আয়োগৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ডি.কে কাঞ্চনৰ মতে ৰাষ্ট্ৰীয় শিশু শ্ৰম প্ৰকল্পৰ মতে, শিশু শ্ৰমিকসকলৰ বাবে বাৰাণসী জিলাত ৭০ খন বিশেষ স্কুল চলি আছে যদিও জনপুৰত এনে স্কুল ৩০ খন আৰু গাজীপুৰ জিলাত ২০ খন আছে। প্ৰত্যেকখন স্কুলে তিনি বছৰৰ বাবে ৫০ জন শিশুক শিক্ষা প্ৰদান কৰে। ৰাষ্ট্ৰীয় পৰ্যায়ত, সমগ্ৰৰ ভাৰতবৰ্ষৰ শিক্ষা জৰীপমতে, মুঠ ৩৮৭৮ টা নগৰ কেন্দ্ৰ অথবা এলেকা দেশত আছে যাৰ প্ৰায় ১৯০৫ মিনিয়ন জনসংখ্যা আছে। এইসমূহত ৭৪৬৫৬ স্কুল আছে, য'ত অতিকমেও ৪-৫ বছৰীয়া শিক্ষাৰ সুবিধা আছে। এইটোৱে ইয়াকে দৰ্শাইছে প্ৰায় ২৫০০ জনসংখ্যাৰ বাবে একোখনকৈ বিদ্যালয় আছে। ১২ লাখতকৈও অধিক ভাৰতীয় শিশু, প্ৰায় ৫ আৰু ১৪ বছৰৰ ভিতৰৰ এতিয়াও, বিভিন্ন বিপদসংকুল কাৰ্যত নিয়োজিত হৈ আছে যেনে, নিৰ্মাণকাৰ্য আৰু সমগ্ৰ ভাৰতৰ কাৰাখানাজাত উদ্যোগ ইত্যাদি।

সৰ্বশিক্ষা অভিযানৰ সমগ্ৰ কৌশলৰ ৰূপায়ণৰ আৰু ব্যৱস্থাৰ ক্ষেত্ৰত, RTE আইনৰ প্ৰভাৱ পৰিলক্ষিত হয়। আৰু RTEৰ বাধ্যবাধকতাসমূহৰ লগত সৰ্বশিক্ষা অভিযানৰ দূৰদৰ্শিতা কৌশল আৰু নীতিসমূহক একত্ৰিকৰণ কৰাটো প্ৰয়োজনীয়। এই ক্ষেত্ৰত মানৱ সম্পদ উন্নয়ন দপ্তৰে, ভাৰত চৰকাৰৰ পূৰ্বৰ শিক্ষা সচিব শ্ৰীঅনিল বোৰ্ডিয়াৰ অধ্যক্ষতাৰ অধীনত এখন কমিটি গঠন কৰিছে। যাতে সৰ্বশিক্ষা অভিযানৰ কাৰ্যসমূহৰ লগতে RTE আইনো সমানে কাৰ্যকৰী কৰাৰ পৰামৰ্শ আগবঢ়াব পাৰে। এই কমিটিৰ আৰম্ভণি সভাত, মানৱ সম্পদ উন্নয়ন দপ্তৰৰ মন্ত্ৰীৰ হৈ ইয়াকে জনায় যে এই কমিটি সকলো নীতি আৰু প্ৰসংগৰ লগত নিজে যথাযথভাৱে জড়িত বা সীমাবদ্ধ নহ'লেও ই RTE আইন ২০০৯ৰ ৰূপায়ণৰ বাবে পৰামৰ্শ আগবঢ়াব।

**৬.৯ সামৰণি মাৰো আহক ঃ**

এই গোট ৬ত, সৰ্বশিক্ষা অভিযানত আলোচনা আগবঢ়োৱা প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণৰ কৌশলসমূহ বৰ্ণনা কৰা হৈছে। আপোনালোকে দেখিছে যে আমি প্ৰথমতে সৰ্বশিক্ষা অভিযানৰ প্ৰয়োজনীয় বৈশিষ্ট্যসমূহ আলোচনা কৰিছো। আৰু তাৰপিছত, সৰ্বশিক্ষা অভিযানৰ পৰিপ্ৰেক্ষিতত এই অনুষ্ঠানৰ, উদ্দেশ্য আৰু লক্ষ্যসমূহ আগবঢ়োৱা হৈছে। আৰু পিছলৈ এই গোটটোত সৰ্বশিক্ষা অভিযানৰ বহলভিত্তিক কৌশলসমূহ আলোচনা কৰা হৈছে। ইয়াৰ লগতে সৰ্বশিক্ষা অভিযানৰ ব্যক্তিগত-ৰাজহুৱা অংশীদাৰীত্বৰ বিষয়েও আলোকপাত কৰা হৈছে আৰু ইয়াৰ সাৰ্থক ৰূপায়ণত থকা ইয়াৰ গুৰুত্বসমূহকো আলোচনা কৰা হৈছে। পিছলৈ এই গোটটোত বিদ্যালয়ৰ উন্নতি আৰু সংলগ্ন সুবিধাসমূহৰ উপযুক্ত ব্যৱস্থাৰ বিষয়েও আলোচনা কৰা হৈছে। ইয়াৰ উদ্দেশ্য এয়ে যে ছাত্ৰ-ছাত্ৰীৰ সুগমতা আৰু সংৰক্ষণ বৃদ্ধি কৰা আৰু ইয়াৰ লগতে এইটো সুনিশ্চিত কৰা যাতে ৬-১৪ বছৰৰ কোনো ছাত্ৰ-ছাত্ৰীৰ বিদ্যালয়ৰ শিক্ষাৰ পৰা বঞ্চিত নহয়। এই ক্ষেত্ৰত মধ্যাহ্ন ভোজন আচনিৰ অৱদান আৰু গুৰুত্বৰ বিষয়েও

আলোচনা কৰা হৈছে আৰু শেষলৈ আমি সৰ্বশিক্ষা অভিযান আৰু RTE আইন ২০০৯ৰ একত্ৰিকৰণৰ বিষয়ে আলোচনা কৰিছো।

**৬.১০ পৰামৰ্শমূলক পঠন আৰু প্ৰসংগপুথি ঃ**

Bhumika : A handbook on Rates and Responsibilities of Headmasters/Head teachers under SSA.Bihar. A guide book for early child care.

www.educationforallinindia.com/

www.indanexpress.com/news/lesson-learnt-mp-monitors-ss

depssa.ignou.ac.in/wiki/index.php/publications.

**৬.১১ গোট সমাপ্তিৰ অনুশীলনী ঃ**

১। সৰ্বশিক্ষা অভিযানৰ বুনিয়াদী বৈশিষ্ট্যসমূহ কি কি?

২। আপোনাৰ এলেকাৰ সেই ছাত্ৰ-ছাত্ৰীসমূহৰ ওপৰত এটা ৰিপোৰ্ট তৈয়াৰ কৰক যিসমূহে সৰ্বশিক্ষা অভিযানৰ অধীনত ৬ৰ পৰা ১৪ বছৰৰ ভিতৰত শিক্ষা গ্ৰহণ কৰি আছে।

# গোট ৭ ঃ UEEৰ পৰিকল্পনা আৰু পৰিচালনা

**গঠন ঃ**

৭.০ পৰিচয়

৭.১ শিক্ষণীয় উদ্দেশ্যসমূহ

৭.২ প্ৰাথমিক শিক্ষাৰ পৰিচালনাৰ বিকেন্দ্ৰীকৰণ

৭.২.১ কেন্দ্ৰীভূত তথা বিকেন্দ্ৰীভূত পদ্ধতি

৭.২.৩ ভাৰতৰ বিকেন্দ্ৰীভূত পদ্ধতিৰ ওপৰত অভিজ্ঞতা

৭.৩ ক্ষুদ্ৰ স্তৰত/পৰ্যায়ত পৰিকল্পনা

৭.৩.১ পৰিকল্পনা মানে কি?

৭.৩.২ ক্ষুদ্ৰ পৰিকল্পনা

৭.৩.৩ ক্ষুদ্ৰ পৰিকল্পনা প্ৰক্ৰিয়াত সম্প্ৰদায় অন্তৰ্ভূক্তিৰ বাবে গ্ৰহণ কৰা পদক্ষেপসমূহ

৭.৩.৪ DEO, DRC (DIET), BEO's, BRCs আৰু CRC সমূহৰ দায়িত্ব আৰু ভূমিকা

৭.৩.৪.১ বিদ্যালয়ৰ তদাৰক আৰু পৰ্যবেক্ষণ।

৭.৪ প্ৰাথমিক শিক্ষাৰ পৰিচালনা আৰু শাসন ব্যৱস্থা।

৭.৪.১ শাসন সম্বন্ধীয় বিষয়সমূহ।

৭.৪.২ শিক্ষক নিযুক্তিকৰণ আৰু পৰিচালনা।

৭.৪.৩ বিদ্যালয় পৰিচালনা সমিতিৰ ভূমিকা।

৭.৫ বিদ্যালয় পৰিচালনা তথা RTE আইন ২০০৯।

৭.৬ সু-পৰিচালনা আৰু দক্ষতা নিৰ্মাণৰ বাবে জালি/নেটৱৰ্কিং।

৭.৬.১ UEEৰ পৰিচালনাৰ বাবে তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যা।

৭.৬.২ বিদ্যালয় নেট (NET) কি?

৭.৬.৩ বিদ্যালয় নেট (NET)ৰ কাৰ্যসমূহ।

৭.৬.৪ শিক্ষা পৰিচালনা তথ্য ব্যৱস্থা হিচাপে বিদ্যালয় নেট।

৭.৭ বিত্তীয় যোগান ব্যৱস্থা।

৭.৮ সামৰণি মাৰো আহক।

৭.৯ পৰামৰ্শমূলক পঠন আৰু প্ৰসংগপুথি।

৭.১০ গোট সমাপ্তিৰ অনুশীলনী।

**৭.০ পৰিচয় ঃ**

গোট ৫ আৰু ৬ত আপোনালোকে পঢ়িছে যে শিক্ষাৰ অধিকাৰ আইন ২০০৯ৰ আধাৰত প্ৰাথমিক শিক্ষাক সকলো শিশুৰ বাবে মৌলিক অধিকাৰ হিচাপে পৰিগণিত কৰা হৈছে। এই গোট প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীন কৰাৰ কৌশলসমূহ বৰ্ণনা কৰা হৈছে। আপুনি এজন শিক্ষক হিচাপে এই আইনখন ফলপ্ৰসূ কৰাৰ ক্ষেত্ৰত অধিক উৎসাহেৰে কাৰ্যকৰী কৰাত গুৰুত্বপূৰ্ণ ভূমিকা আছে। এতিয়ালৈকে আপোনালোকে অনুভৱ কৰিছে যে চৰকাৰে শিক্ষাৰ পৰা বঞ্চিত থকা সকলো শিশুকে বিদ্যালয়লৈ অনাৰ বাবে যতোপৰোনাস্তি চেষ্টা কৰিছে যেনেঃ বিশেষভাৱে অক্ষম, SC, ST শিশুসকল, আমাৰ সমাজৰ সংখ্যালঘু শ্ৰেণীৰ পৰা অহা শিশুসকল, প্ৰব্ৰজনকাৰী পৰিয়ালৰ শিশুসকল আৰু কৰ্মৰত শিশুসকল। ওপৰত উল্লেখিত বহুতো শিশুৱে কেতিয়াও বিদ্যালয়ত ভৰ্তি হোৱা নাই অথবা সিহঁতৰ বিভিন্ন পৰিস্থিতিৰ ওপৰত ভিত্তি কৰি বিদ্যালয় এৰাও নাই।

গোট ৪ আৰু গোট ৫ত আলোচনা কৰা মতে এই আইনখন ৰূপায়ণ কৰাৰ ক্ষেত্ৰত চৰকাৰে বহুলভিত্তিক আচনি/অনুষ্ঠান হাতত লৈছে যাতে ওপৰৰ পৰা তললৈ সকলো শিশুৰ বাবে শিক্ষাৰ সুবিধা প্ৰদান কৰিব পাৰি। এই অধ্যায়ত আপোনালোকে অধ্যয়ন কৰিব যে কেনেকৈ এজন শিক্ষকে, আইনৰ অধীনত আৰু চৰকাৰী আলমত শিশুসকলক সিহঁতৰ যিকোনো অৱস্থাতেই যাতে সিহঁতে শিক্ষাৰ সম্পূৰ্ণ অধিকাৰ লাভ কৰিব পাৰে, তাৰ ক্ষেত্ৰত সহায়-সহযোগ কৰিব পাৰে। ইয়াৰ বাবে আপোনালোকে বুজিব লাগিব যে কেনেকৈ ৰাষ্ট্ৰীয়, ৰাজ্যিক, জিলা, খণ্ড আৰু গাঁও পৰ্যায়ত, UEEৰ ৰূপায়ণৰ পৰিকল্পনা কৰা হৈছে। এইটোৱে আপোনালোকক এইটো জনাত সহায় কৰিব যে আপোনাৰ বিদ্যালয়/অনুষ্ঠানৰ সম্পদসমূহ ব্যৱহাৰৰ উপযোগী কৰাৰ ক্ষেত্ৰত, কাক যোগাযোগ কৰিব লাগিব আৰু কেনেধৰণৰ পদ্ধতি আপুনি অৱলম্বন কৰিব লাগিব? এই বোধগম্যতাই আপোনাক, অৰ্থপূৰ্ণভাৱে, বিদ্যালয় আৰু স্থানীয় চৰকাৰৰ যিকোনো সিদ্ধান্ত গ্ৰহণত অংশীদাৰ হোৱাত সহায় কৰিব।

**৭.১ শিক্ষণীয় উদ্দেশ্যসমূহ ঃ**

এই গোটটো অধ্যয়নৰ শেষত আপোনালোকে জানিব যে—

— বিভিন্ন সম্পদৰ চিনাক্তকৰণ, প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীন কৰাৰ বিভিন্ন আঁচনিসমূহ উপভোগ কৰাৰ পদ্ধতিৰ আলোচনা কৰা।

— আপোনাৰ বিদ্যালয়ৰ আশে-পাশে থকা এলেকাৰ পৰা অহা শিশুসকলে সন্মুখীন হোৱা বিভিন্ন অসুবিধাসমূহৰ বিশ্লেষণ কৰা।

— সাম্প্রদায়িক সম্পদসমূহৰ সহজলভ্যতাৰ বিশ্লেষণ আৰু আপোনাৰ বিদ্যালয়খন অৱস্থিত এলেকাৰ ওপৰত অভিজ্ঞতা আহৰণ।

— প্রাথমিক শিক্ষাক, শিশুসকলৰ বাবে মনোগ্রাহী, আনন্দপূর্ণ আৰু প্রাসংগিক অভিজ্ঞতাপূর্ণ কৰি তুলিবলৈ, বিশেষ কার্যাৱলীৰ আঁচনি পৰিকল্পনা হাতত লোৱা আৰু ৰূপায়ণ কৰা।

— আপুনি শিক্ষাৰত অৱস্থাত সন্মুখীন হোৱা প্রত্যাহ্বানসমূহৰ সমাধানৰ ক্ষেত্রত পিতৃ-মাতৃ, বিদ্যালয় প্রশাসন, স্থানীয় চৰকাৰৰ সদস্যসকল, স্থানীয় নেতা, বিজ্ঞ ব্যক্তি আৰু অন্যান্য অনুষ্ঠানসমূহৰ ভূমিকা সম্পর্কে আলোচনা কৰা।

প্রাথমিক শিক্ষাৰ সার্বজনীন কৰাৰ ক্ষেত্রত গ্রহণ কৰা কৌশলসমূহে UEEৰ পৰিকল্পনা আৰু পৰিচালনাৰ ক্ষেত্রত, সাংগঠনিক ঠাঁচ আৰু প্রসংগ দিশ হিচাপে সেৱা আগবঢ়াইছে। 'কৌশল' মানে হৈছে এটা সুপৰিকল্পিত আচনি যাৰ দ্বাৰা সহজলভ্য সম্পদসমূহৰ ফলপ্রসু ব্যৱহাৰ কৰি লক্ষ্যত উপনীত হ'ব পাৰি।

### ৭.২ প্রাথমিক শিক্ষাৰ পৰিকল্পনাৰ বিকেন্দ্রীকৰণ ঃ

#### ৭.২.১ কেন্দ্রীভূত তথা বিকেন্দ্রীভূত পদ্ধতি ঃ

কেন্দ্রীভূত শিক্ষা ব্যৱস্থাত বেছিভাগ সিদ্ধান্ত-গ্রহণ, তদাৰকীকৰণ আৰু পৰিচালনা কার্যসমূহ, ৰাষ্ট্রীয় পর্যায়ত শিক্ষা মন্ত্রণালয় আৰু ৰাজ্য চৰকাৰৰ শিক্ষা বিভাগৰ হাতত ন্যস্ত থাকে। কেন্দ্রীয় আৰু ৰাজ্য চৰকাৰ, বিদ্যালয় শিক্ষাৰ ব্যৱস্থাৰ সকলো দিশসমূহ পৰিচালনা কৰা। তেওঁলোকে নীতি নির্দ্ধাৰণ কৰে, পৰিচালনা কার্য সম্পাদন কৰে যেনে, শিক্ষকসকলক দৰমহা দিয়া, প্রাক্সেৱাকালীন আৰু সেৱাকালীন শিক্ষা প্রদান কৰা, পাঠ্যক্রম প্রস্তুত কৰা, শিক্ষণৰ ন্যূনতম স্তৰ ইত্যাদি। যিহেতু ব্যৱহাৰিকভাৱে কিছু বিষয়ৰ লগত, স্থানীয়ভাৱে লেনদেন কৰিব লাগে, সেয়েহে দৈনন্দিন কার্যাৱলীৰ কিছু ক্ষমতা বিদ্যালয়ৰ কর্তৃপক্ষক দিয়া হৈছে। বিদ্যালয় অথবা শিক্ষকসকলৰ পাঠ্যক্রম, পাঠ্যপুথি আৰু শিক্ষাদান মাধ্যম ইত্যাদিৰ পৰিৱর্তনৰ ক্ষেত্রত সীমিত ক্ষমতা থাকিব।

আনহাতে, বিকেন্দ্রীভূত পদ্ধতিত, প্রাথমিক শিক্ষাৰ বেছিভাগ দিশৰ ক্ষেত্রতেই স্থানীয়/জিলা/গ্রাম্য/বিদ্যালয় পর্যায়ে, পর্যাপ্ত ক্ষমতা অনুশীলন কৰে যদিও কেন্দ্রীয় অথবা ৰাজ্যিক অথবা জিলা পর্যায়ৰ কর্তৃপক্ষৰ সীমিত নিয়ন্ত্রণৰ অধীনত ই কার্যকৰী হয়। ব্যৱহাৰিকভাৱে, বেছিভাগ প্রাথমিক ব্যৱস্থাতেই, কেন্দ্রীভূত আৰু বিকেন্দ্রীভূত দুয়োটা উপাদানে থাকে।

বেছিভাগ ৰাজ্য চৰকাৰে ইতিমধ্যেই প্রাথমিক শিক্ষাৰ বিকেন্দ্রীকৰণ প্রক্রিয়া আৰম্ভ কৰিছে। ৰাজ্য চৰকাৰসমূহে, প্রাথমিক শিক্ষাৰ প্রদানৰ ক্ষেত্রত পৰিৱর্তিত পৰিচালনা আৰু উত্তৰদায়ী পদ্ধতি তথা সাংগঠনিক ঠাঁচ গঠনৰ দায়বদ্ধতাৰ বাবে নতুন বিধান/আইন কার্যকৰী কৰিছে। কিছুসংখ্যক ৰাজ্যই, জিলাভিত্তিত প্রাথমিক শিক্ষা প্রদানৰ বাবে সম্প্রদায় আৰু বেচৰকাৰী সংস্থাসমূহৰ অন্তর্ভুক্তিৰ আৰু

নিকট সহযোগিতাৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিছে। সামগ্ৰিকভাৱে, কেন্দ্ৰীভূতৰ পৰা বিকেন্দ্ৰীভূত কৰাৰ প্ৰক্ৰিয়াটো খুব লেহেমীয়া গতিত হৈ আছে। কিন্তু দেশে, প্ৰাথমিক শিক্ষাৰ বিকেন্দ্ৰীকৰণৰ লক্ষ্যৰ উদ্দেশ্য অবিৰত কাম কৰি যাব যাতে সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াটো ৰাজ্যৰ পৰা লাহে লাহে জিলা, উপজিলা আৰু সম্প্ৰদায় পৰ্যায়ত স্থানান্তৰ কৰিব পাৰি।

বিকেন্দ্ৰীকৰণে, জিলা আৰু উপজিলা পৰ্যায়ৰ কৰ্তৃপক্ষ আৰু বিষয়াসমূহৰ ওপৰত অধিক দায়িত্ব সপি দিছে যাতে ব্যৱহাৰকাৰীৰ বাবে অধিক শিক্ষাৰ সুযোগ প্ৰদান কৰিব পাৰি আৰু শিশুসকলৰশৈক্ষিক স্বাৰ্থ পূৰণৰ বাবে, শিক্ষক, বিদ্যালয় আৰু স্থানীয় চৰকাৰক উত্তৰদায়ী সাঁজি দিছে।

বিকেন্দ্ৰীকৰণৰ প্ৰধান উদ্দেশ্য হৈছে যাতে প্ৰাথমিক শিক্ষাৰ ন্যায় আৰু অন্তৰ্ভুক্তিকৰণ সুনিশ্চিত কৰিব পাৰি। তথাপিও যেতিয়ালৈকে সংশোধন বা পুনঃগঠন সু-পৰিকল্পিত আৰু ৰূপায়িত নহয় তেতিয়ালৈকে এই উদ্দেশ্য সম্পূৰ্ণকৈ অনুভৱ কৰিব নোৱাৰি। ৰাষ্ট্ৰীয় শিক্ষানীতি ১৯৮৬ৰ পৰিকল্পনামতে আৰু পৰৱৰ্তী কালত বিভিন্ন কমিটিয়ে পুনৰাবৃত্তি কৰা মতে, ৰাষ্ট্ৰীয় চৰকাৰেই, আনুষ্ঠানিক সংশোধনীৰ সমন্বয় আৰু ৰাজ্যিক পৰ্যায়ত প্ৰাথমিক শিক্ষাৰ ৰাষ্ট্ৰীয় লক্ষ্যত উপনীত হোৱাৰ প্ৰগতি সম্পৰ্কে তদাৰকী কৰাৰ ক্ষেত্ৰত প্ৰধান ভূমিকা পালনৰ দায়িত্ব পালন কৰি থাকিব।

বিকেন্দ্ৰীকৰণকো কিছু সীমাবদ্ধতা আছে। প্ৰাথমিক শিক্ষাক অৰ্থ যোগান ধৰা আৰু অংশীদাৰী ক্ষমতা আৰু ভূমিকাৰ বিতৰণে স্থানীয় দায়বদ্ধতা আৰু দক্ষতাক প্ৰভাৱ পেলাব। প্ৰত্যেক হিতাধিকাৰীয়ে ইজনে আনজনক, UEEৰ লক্ষ্যত উপনীত হোৱাৰ অপাৰগতাৰ বাবে দোষাৰোপ কৰে।

প্ৰাথমিক শিক্ষাৰ বিকেন্দ্ৰীভূত পৰিকল্পনা আৰু পৰিচালনাৰ ধাৰণাটো, ৰাষ্ট্ৰীয় শিক্ষা নীতি ১৯৮৬ৰ নিৰ্দ্ধাৰিত লক্ষ্য। এই আচনিয়ে/নীতিয়ে Village Education Committees (VECs) গ্ৰাম্য শিক্ষা কমিটি ৰূপে। প্ৰাথমিক শিক্ষাৰ পৰিচালনাৰ ক্ষেত্ৰত, সম্প্ৰদায়সমূহৰ প্ৰত্যক্ষ জড়িতৰ ওপৰত গুৰুত্ব আৰোপ কৰে। The Plan of Action (POA), ১৯৯২এ প্ৰত্যেক শিশুৰ নিয়মিত শৈক্ষিক অগ্ৰগতিৰ অনুসৰণৰ বাবে, ক্ষুদ্ৰ পৰিকল্পনাক এটা প্ৰক্ৰিয়া হিচাপে লোৱাত গুৰুত্ব প্ৰদান কৰিছিল আৰু ইয়াকো সুনিশ্চিত কৰিছিল যে সি/তাই, তাৰ/তাইৰ শিক্ষা, তাই/তাৰ নিৰ্বাচিত ঠাইত থাকি আঠ বছৰীয়া বিদ্যালয়ী অথবা সমসাময়িক শিক্ষা সমাপ্ত কৰিব।

### ৭.২.২ ভাৰতৰ বিকেন্দ্ৰীভূত পদ্ধতিৰ ওপৰত অভিজ্ঞতা ঃ

আপোনালোকে এই ক্ষেত্ৰত সমৰ্থন আগবঢ়াব যে শিক্ষা ব্যৱস্থাটোক সমাজৰপৰা বিচ্ছিন্ন বাচি কাৰ্যকৰী কৰাটো সম্ভৱ নহয় যিহেতু ই সমাজৰ এটা অংশ। আমাৰ সামাজিক ব্যৱস্থাটো চাৰিবিধ স্তৰত বিভক্ত যেনে— শ্ৰেণী, জাতি, লিংগ আৰু ধৰ্ম।

শ্ৰেণীক প্ৰতিনিধিত্ব কৰা এক বৃহৎসংখ্যক লোকৰ বুনিয়াদী সুবিধাসমূহ উপভোগ কৰাৰ সামৰ্থতা নাই যেনে— ঘৰ, পানী, চাফ-চিকুণতা, বিদ্যুৎ, স্বাস্থ্যসেৱা আৰু শিক্ষা। বুনিয়াদী শিক্ষাৰ অবিহনেই, সিহঁতে জীয়াই থাকিবৰ বাবে সংঘৰ্ষ কৰে।

৭৩তম আৰু ৭৪ সংখ্যক সাংবিধানিক সংশোধনে স্থানীয় স্বয়ং চৰকাৰৰ বাবে এক অনুকূল পৰিৱেশ সৃষ্টি কৰিছে যাতে তেওঁলোক এক গতিশীল আৰু সংক্ৰিয় ভূমিকা পালন কৰিব পাৰে। এই

স্থানান্তৰণে মহিলাসকলক SC আৰু আদিবাসী, সংখ্যালঘু আৰু অন্যান্য ব্যক্তিসকলক শক্তি প্ৰদান কৰিছে। এই ক্ষেত্ৰত নিম্নলিখিতসমূহৰ জৰিয়তে অন্যান্য অভিজ্ঞতাসমূহ প্ৰতিফলিত হয় যেনে—

— Integrated Child Development Services (ICDS), শিশুৰ বিকাশৰ যৌথ সেৱাসমূহৰ অভিজ্ঞতাই ইয়াকে দেখাইছিল যে 0ৰ পৰা ৬ বছৰ বয়সৰ ভেদ্য আৰু পিছপৰা শিশুসকলৰ স্বাস্থ্য আৰু পুষ্টিকৰ অৱস্থাৰ উন্নতিৰ বাবে, স্থানীয় লোকৰ অন্তৰ্ভুক্তি নিত্যান্তই প্ৰয়োজনীয়।

— ৰাষ্ট্ৰীয় সাক্ষৰতা অভিযানৰ মতে, যেতিয়া ৰাজ্যিক পৰ্যায়ত সাক্ষৰতা হাৰ বৃদ্ধিৰ বাবে প্ৰচাৰ অভিযান আৰম্ভ হৈছিল য'ত জনসাধাৰণে সংক্ৰিয় অংশগ্ৰহণ কৰিছিল, ই এটা পাৰ্থক্য আনি দিছিল।

— ১৯৯৪ চনৰ নবেম্বৰ মাহত মুকলি কৰা জিলা প্ৰাথমিক শিক্ষা অনুষ্ঠানেও (District Prinary Education Programme, DPEP) বৃহৎ সাৰ্থকতা লাভ কৰিছিল যে চৰকাৰে DPEPৰ কৌশলসমূহ UEEৰ পৰিচালনাৰ বাবে সমগ্ৰ দেশতে ব্যৱহাৰ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল।

DIETক প্ৰাথমিক শিক্ষাৰ পৰিকল্পনা আৰু বিকাশৰ গুৰুদায়িত্ব দিয়া হৈছিল যদিও, ৰাজ্যসমূহেই অৱশেষত, প্ৰাথমিক শিক্ষাৰ প্ৰগতিৰ, সমন্বয় আৰু তদাৰকী কৰাৰ দায়িত্ব পালন কৰিছিল।

এই পৰিকল্পনা আৰু পৰিচালনা কৌশলৰ স্থানান্তৰণক, সংগত প্ৰচেষ্টাৰ প্ৰয়োজন আছে যাতে ইয়াৰ দ্বাৰা চহৰৰ স্থানীয় চৰকাৰ আৰু পঞ্চায়তীৰাজ অনুষ্ঠান পৰ্যায়ত কাম কৰা শিক্ষা বিষয়া আৰু প্ৰশাসনীয় ব্যক্তিসকলক প্ৰশিক্ষণ আৰু সমৰ্থন আগবঢ়াব পাৰি। ইয়াৰ শেষৰ ফালে, বিভিন্ন ৰাজ্যৰ শিক্ষাৰ স্থানীয় পৰ্যায়ৰ অনুষ্ঠানসমূহ আৰু ইয়াৰ সংলগ্ন বিভাগসমূহক শক্তিশালী কৰি তোলা হৈছে।

যিহেতু প্ৰাক শৈশৱকালীন শিশুৰ যতন আৰু শিক্ষা (Early Childhood Care and Education, ECCE) প্ৰয়োজনীয় সেয়েহে UEE য়ে ECCE (ICDS)ৰ ভিত্তি নিৰ্মাণৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰি লৈছে। আপোনালোকে জানে যে ICDS এ বিশেষকৈ, প্ৰাক-বিদ্যালয় শিশুৰ স্বাস্থ্য আৰু পৌষ্টিক অৱস্থাৰ বিকাশৰ বাবে, স্থানীয় সম্প্ৰদায়ৰ ওপৰত নিৰ্ভৰশীল। সেয়েহে ICDSক স্বতঃস্ফূৰ্তভাৱে এটা আটাইতকৈ সাৰ্থক অনুষ্ঠান হিচাপে জনা যায় কাৰণ ই স্থানীয় লোকসকলক সাঙুৰি লয়। স্থানীয় সম্প্ৰদায় বা লোকসকলৰ সক্ৰিয় সহযোগিতা পাবৰ বাবে নিম্নলিখিতসমূহৰ অন্তৰ্ভুক্তি অতি প্ৰয়োজনীয় ঃ

— পঞ্চায়তীৰাজ অনুষ্ঠান।

— বিদ্যালয় পৰিচালনা কমিটি।

— গাঁও আৰু চহৰ ৱাৰ্ড/অপৰিষ্কাৰ বস্তি স্তৰৰ শিক্ষা কমিটিসমূহ (Village and Urbanward/ Sleem Level Education Committees)

— পিতৃ-মাতৃ শিক্ষক সংঘ (Parents-Teachers Associations)

— মাতৃ-শিক্ষক সংঘ

— ট্ৰাইবেল স্বায়িত্ব-শাসিত বিকাশ পৰিষদ (Tribal Autonomous Development Councils)

আৰু প্ৰাথমিক শিক্ষা আৰু বিদ্যালয়ৰ অংশীদাৰী পৰিচালনাত জড়িত আন আন নিম্ন স্তৰৰ

সংস্থাসমূহ।

| |
|---|
| আপোনাৰ অগ্ৰগতিৰ খতিয়ান লওঁক-১<br>১। বিকেন্দ্ৰীকৰণ কি?<br>................................................<br>................................................<br>................................................<br>২। কিয় UEEৰ বাবে বিকেন্দ্ৰীকৰণৰ কৌশলসমূহ গ্ৰহণ কৰা হৈছে?<br>................................................<br>................................................<br>................................................ |

**৭.৩ ক্ষুদ্ৰ পৰ্যায়ত পৰিকল্পনা ঃ**

জনসাধাৰণৰ, পৰিকল্পনা আৰু ৰূপায়ণৰ ক্ষেত্ৰত দেখুওৱা অংশীদাৰৰ অভাৱেই হৈছে বিকাশৰ বিভিন্ন আঁচনি ৰূপায়ণৰ অকৃতকাৰ্যতাৰ মূল কাৰণ। পঞ্চবাৰ্ষিক পৰিকল্পনা হাতত লোৱাৰ পৰা এই ক্ষেত্ৰত অধিক গুৰুত্ব দিয়া হৈছে যাতে, আচনিসমূহ প্ৰস্তুত আৰু ৰূপায়ণৰ ক্ষেত্ৰত জনসাধাৰণৰ নিকট সহায়-সহযোগ থাকে। এইটো ধৰা হৈছিল স্থানীয় লোকৰ সক্ৰিয় অংশগ্ৰহণ আৰু সমৰ্থনৰ অবিহনে। স্থানীয় পৰ্যায়ৰ বাস্তৱিক প্ৰয়োজন আৰু সহজলভ্য সম্পদসমূহৰ চিনাক্তকৰণ কৰাটো সম্ভৱ নহ'ব। ইয়াকে নিম্নস্তৰ পৰ্যায়ত কৰা পৰিকল্পনা বা ক্ষুদ্ৰ পৰিকল্পনা বুলি কোৱা হৈছিল। ক্ষুদ্ৰ পৰ্যায়ত পৰিকল্পনা মানে হৈছে (ক) প্ৰয়োজনসমূহ চিনাক্তকৰণত, লাভাৰ্থী আৰু স্থানীয় লোকৰ অংশগ্ৰহণ, (খ) সহজলভ্য সম্পদৰ উৎপন্ন কৰাৰ ক্ষেত্ৰত— (১) সামগ্ৰী যোগান (২) সহযোগিতা কাৰ্য (৩) সমৰ্থনৰ প্ৰচেষ্টাৰ জৰিয়তে আৰু অধিক সম্পদৰ সৃষ্টি আৰু (৪) সহজলভ্য সম্পদৰ ওপৰত লক্ষ্য ৰাখি, গ্ৰাম্য পৰিকল্পনা প্ৰস্তুত কৰা।

**৭.৩.১ পৰিকল্পনা মানে কি?**

সাধাৰণতে, পৰিকল্পনা মানে হৈছে—

— ক্ৰিয়া অথবা কাৰ্যাৱলী সমন্বিত এটা গোটৰ প্ৰস্তাৱনা আগবঢ়োৱা, যাতে প্ৰয়োজনীয় উদ্দেশ্যসমূহ লাভ কৰিব পাৰি আৰু জনসাধাৰণৰ চাহিদাসমূহ পূৰণ কৰিব পাৰি।

— পৰিকল্পনা হৈছে এটা প্ৰক্ৰিয়া যাৰ সহায়ত কৌশলৰ বিকাশ আৰু চিনাক্তকৰণ কৰা হয় যাতে সামগ্ৰিক লক্ষ্যসমূহ উপনীত হ'ব পাৰি।

— পৰিকল্পনা আৰু কৌশলসমূহৰ ৰূপায়ণৰ বাবে সম্পদৰ একত্ৰিকৰণ কৰা, প্ৰগতিৰ তদাৰকী কৰা আৰু ইয়াৰ প্ৰভাৱসমূহক মূল্যায়ন কৰা।

**৭.৩.২ ক্ষুদ্ৰ পৰিকল্পনা ঃ**

এটা আবাসিক এলেকাৰ সকলো শিশুৰে যাতে বিদ্যালয়ে প্ৰদান কৰা গুণগত শিক্ষা লাভ কৰে তাক সুনিশ্চিত কৰিবলৈ, ইয়াকে আশা কৰা হয় যে সেই আৱাসিক এলেকাত বসবাস কৰা লোকসকলে সকলো শিশুৰ বাবে প্ৰাথমিক শিক্ষা সুগমতা কৰাৰ ক্ষেত্ৰত মালিকিস্বত্ব আৰু দায়িত্ব লয়। যিহেতু কেৱল শিক্ষকেই, সকলো শিশুৰ চাহিদাৰ ওপৰত মনোযোগ দিব নোৱাৰে ইয়াৰ লগতে এইসকল হিতাধিকাৰীৰো অংশীদাৰী প্ৰয়োজনীয় যেনে— মহিলাৰদলসমূহ, গ্ৰাম্য শিক্ষা কমিটিৰ সদস্যসকল আৰু পঞ্চায়তীৰাজ অনুষ্ঠানসমূহৰ সদস্যসকল ইত্যাদি। এই সকলো হিতাধিকাৰীৰ সহায়ত, সকলো শিশু তথা পিছপৰা শ্ৰেণীৰ শিশুসকলকো সাঙুৰি, গুণগত প্ৰাথমিক শিক্ষা পোৱাটো সুনিশ্চিত কৰিব পাৰি।

**৭.৩.৩ ক্ষুদ্ৰ পৰিকল্পনা প্ৰক্ৰিয়াত সম্প্ৰদায় অন্তৰ্ভুক্তিৰ বাবে গ্ৰহণ কৰা পদক্ষেপসমূহ ঃ**

ক্ষুদ্ৰ পৰিকল্পনা প্ৰক্ৰিয়াত সম্প্ৰদায় অন্তৰ্ভুক্তিৰ বাবে গ্ৰহণ কৰা পদক্ষেপসমূহ তলত উল্লেখ কৰা হ'ল—

(ক) সম্প্ৰদায়ৰ সবলীকৰণ

— গ্ৰাম শিক্ষা কমিটি, বিদ্যালয় পৰিচালনা কমিটি, মাতৃ-শিক্ষক সংঘ ইত্যাদিৰ সদস্যসকলৰ বাবে প্ৰশিক্ষণ কৰ্মশালা আয়োজন কৰা আৰু প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত শিশুৰ অধিকাৰ সমন্বিত বিষয়সমূহ চিনাক্তকৰণৰ ক্ষেত্ৰত আৰু সমাধান দিয়াৰ ক্ষেত্ৰত তেওঁলোকৰ দক্ষতা বৃদ্ধি কৰা।

— শিক্ষাৰ অধিকাৰৰ ব্যৱস্থাসমূহৰ ক্ষেত্ৰত সাম্প্ৰদায়িক সজাগতা অনাৰ বাবে সজাগতা অভিযান অনুষ্ঠিত কৰা প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণৰ ক্ষেত্ৰত চৰকাৰৰ প্ৰচেষ্টা আৰু সম্প্ৰদায়সমূহৰ নিহিত ভূমিকা আৰু দায়িত্বসমূহৰ ক্ষেত্ৰত নিম্নলিখিত কাৰ্যসমূহ অনুষ্ঠিত কৰা—

— মীনা অভিযান (Meena Campaign)

— Maa-beti মেলা

— মহিলা সন্মিলন

— কিশোৰী মেলা (Kishori Mela)

— বাল শিশু মেলা (Bal, Shishu Mela)

— প্ৰভাত ফেৰীজ (Prabhat Pheris)

— নামভৰ্তিৰ অভিযান (Enrolment Drive)

— সাপ্তাহিক সাম্প্ৰদায়িৰ বজাৰ/মেলাত, সাংস্কৃতিক অনুষ্ঠান আৰু নাটক অনুষ্ঠিত কৰা যাতে বিশেষ ব্যৱস্থাসমূহ লক্ষ্য হিচাপে ল'ব পাৰি।

যেনে নামভৰ্তি বৃদ্ধি কৰা, বিদ্যালয় বাদ দিয়া হ্ৰাস কৰা, বিদ্যালয় নামভৰ্তিৰ বাবে প্ৰমাণ-পত্ৰ

লোৱা, ছোৱালী শিশুৰ শিক্ষা আৰু পিছপৰা বিশেষ দলসমূহ যেনে— SC/ST/OBC, আঘৰী/জীৱ-জন্তু পালক দলসকলৰ যোগ্যতা বৃদ্ধিৰ সুনিশ্চিত কৰা।

(খ) পৰিকল্পনা দলৰ চিনাক্তকৰণ

পৰিকল্পনাৰ বাবে প্ৰয়োজনীয় সকলো তথ্য, কেৱল অকলশৰে এজন চৰকাৰী বিষয়া বা প্ৰধান শিক্ষকে জনাটো সহজ কথা নহয়। UEEৰ সকলো দিশ চালি-জাৰিচাবলৈ এটা মূল পৰিকল্পনা দলৰ গঠন কৰাটো প্ৰয়োজনীয় সেই মৰ্মে, উদ্দেশ্য আৰু মূল সিদ্ধান্তসমূহ নিৰ্দ্ধাৰণত সম্প্ৰদায়সমূহক প্ৰধান হিতাধিকাৰী হিচাপে অন্তৰ্ভুক্তি কৰিলে তেওঁলোকে নিজে মালিকীস্বত্বৰ অনুভূতি লাভ কৰিব। এটা মূল পৰিকল্পনা দলৰ অন্তৰ্ভুক্তিয়ে সমগ্ৰ পৰিকল্পনাক বৈধতা প্ৰদান কৰিব।

সম্প্ৰদায় আৰু লক্ষ্য দলসমূহৰ লগত হোৱা আদান-প্ৰদানে, প্ৰত্যেক আৱাসিকৰ বাবে মূল পৰিকল্পনা দলৰ সদস্যৰ ক্ষেত্ৰত ব্যক্তি চিনাক্তকৰণৰ সুবিধা প্ৰদান কৰিব। কিছুমান শিক্ষিত হ'ব পাৰে, কিছুমান ৰাজনৈতিকভাৱে সক্ৰিয় হ'ব পাৰে। কিছুমান যুৱক উৎকণ্ঠা আৰু ধাৰণাৰ সৈতে ভৰপূৰ হ'ব পাৰে। আন কিছুমানে সিহঁতৰ বিশেষজ্ঞতা দেখুওৱাৰ বাবে ইচ্ছুক হ'ব পাৰে। মহিলাসকল সম্পদপূৰ্ণ হ'ব পাৰে আৰু সংখ্যালঘুসকলৰ সাজ শিক্ষিত নিবনুৱা ব্যক্তি থাকিব পাৰে। সিহঁতৰ অংশীদাৰীয়ে—

— সম্প্ৰদায় বিদ্যালয়ৰ সম্পৰ্ক গঢ়ি তুলিব আৰু মজবুত/দৃঢ় হোৱাত অৱদান আগবঢ়াব।

— বাদপৰা, প্ৰব্ৰজন আৰু বহিষ্কাৰ ৰোধ কৰাত সাম্প্ৰদায়িক সমৰ্থন আগবঢ়াব আৰু

— অন্তৰ্ভুক্তি শিক্ষাৰ সপক্ষে মতামত আগবঢ়োৱা হিতাধিকাৰীসকলক আকৰ্ষিত কৰাৰ ক্ষেত্ৰত শৈক্ষিক গুৰুত্ব আগবঢ়াব।

মূল পৰিকল্পনা দলৰ সদস্যসকলৰ নিৰ্বাচন খুব সাৱধানেৰে কৰিব লাগে। যাতে যি কৰা হৈছে তাক অসন্মতি জনোৱা কোনোবা এজনক অন্তৰ্ভুক্তি কৰিব পাৰে, কিছুমান দনমমূলক কণ্ঠস্বৰ থাকিব যিয়ে আনৰ ধাৰণাৰ ওপৰত নিজৰ ধাৰণাক জাপি দিব। সেই দলত এনেকুৱা কিছুমান সদস্য থাকিব যাক আশা কৰা মতে জুখিব নোৱাৰি, কিন্তু সেইসকলেই প্ৰাথমিক শিক্ষাক অন্তৰ্ভুক্তিকৃত কৰাত, শিক্ষকসকলক, বিদ্যালয়ক আৰু স্থানীয় কৰ্তৃপক্ষক যথেষ্ট সহায় আগবঢ়ায়। ই প্ৰাথমিক শিক্ষাক সকলো শিশুকে প্ৰদান কৰাৰ নিমিত্তে সকলো ধৰণৰ ব্যক্তিকে আকোৱালি লয়। আদৰ্শগতভাৱে, মূল পৰিকল্পনা দলে সমাজৰ সকলো শ্ৰেণীকে প্ৰতিনিধিত্ব কৰিব লাগে।

(গ) মূল পৰিকল্পনা দলৰ দক্ষতা নিৰ্মাণ

ব্যৱহৃত পৰিকল্পনাৰ গুণগত মানদণ্ড আৰু পৰিকল্পনাসমূহ, ইয়াৰ মূল পৰিকল্পনা দলৰ দক্ষতাৰ ওপৰত নিৰ্ভৰ কৰে। প্ৰস্তাৱিত পৰিকল্পনাসমূহত জিলাসমূহত 'কৰিব পৰা' (do-able) হ'ব লাগে। সমগ্ৰ পৰিকল্পনা প্ৰক্ৰিয়াটো অংশীদাৰী যিয়ে এইটো সুনিশ্চিত কৰে যে শিক্ষা বিকাশৰ সকলো দিশেই সাঙুৰি লোৱা হৈছে আৰু এইটো সুনিশ্চিত কৰে যে কোনো ব্যক্তি বা দলে নিজৰ সমৰ্থনত পৰিকল্পনা প্ৰক্ৰিয়াটো চুৰি কৰিব নোৱাৰে। যিকোনো পৰিকল্পনাৰ বাবে, বিভিন্ন বিভাগত ব্যৱহৃত হোৱা বিভিন্ন আঁচনিৰ জ্ঞানৰ দৰকাৰ লগতে এইটো জ্ঞান থকাৰ প্ৰয়োজনো আছে যে কেনেকৈ এই আঁচনিসমূহৰ

ব্যৱহাৰ কৰিব পৰা যায় যিসমূহো তেওঁলোকে সাদৃশ্যতাৰে ব্যৱহাৰ কৰে। মূল পৰিকল্পনা দলৰ বেছিভাগ সদস্যৰ অনাবৰণ নাই আৰু অথবা পৰিকল্পনা প্ৰক্ৰিয়া আৰু পৰিকল্পনাৰ বাবে অৱদান আগবঢ়াবলৈ প্ৰয়োজনীয় বিশেষজ্ঞতাও নাই। বহুতৰে বাবে এইটো প্ৰথমবাৰৰ বাবে হ'ব পাৰে যে তেওঁলোকে নিজৰ এলেকাৰ ৰাজহুৱা সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত ভাগ লৈছে যদিওবা তেওঁলোকে তেওঁলোকৰ জীৱনৰসকলো সময় সেই এলেকাতে কটাইছে। মূল পৰিকল্পনা দলে, বিদ্যালয় বিকাশ পৰিকল্পনাসমূহ প্ৰস্তুত কৰে আৰু গ্ৰাম্য শিক্ষা বিকাশ পৰিকল্পনা প্ৰস্তুত কৰে। মূল পৰিকল্পনা দলে বিদ্যালয়ৰ চাহিদাসমূহ সুযোগ্যতাৰে গ্ৰাম্য স্তৰত উপস্থাপন কৰিব লাগে, গ্ৰাম্যস্তৰে, খণ্ডত আৰু যথাক্ৰমে খণ্ডসমূহে জিলা পৰ্যায়ত উপস্থাপন কৰিব লাগে। সেয়েহে তিনি, চাৰিবাৰৰ বাবে অভিবিন্যাস কৰ্মশালাৰ আয়োজন কৰিব লাগে যাতে তেওঁলোকে সৰ্বশিক্ষা অভিযান আচনিৰ লক্ষ্য উদ্দেশ্য আৰু নীতিসমূহৰ লগত চিনা পৰিচয় হয় আৰু পৰিকল্পনা গঠনৰ বাবে আহৰণ কৰা তথ্যসমূহ আৰু ৰূপায়ণৰ তদাৰকীৰ বাবেও কৰ্মশালা আয়োজন কৰিব লাগে। তেওঁলোকে লগতে ক্লাষ্টাৰ/খণ্ড/জিলা পৰ্যায়ৰ সম্পদ কেন্দ্ৰসমূহৰ সহজলভ্য বিশেষজ্ঞৰ ব্যৱহাৰৰ লগত চা-চিনাকী কৰি দিয়া হয়।

(ঘ) হস্তক্ষেপ প্ৰয়োজনৰ বিষয়সমূহৰ চিনাক্তকৰণ

ইয়াৰ দ্বিতীয় পদক্ষেপ হৈছে যে সুগমতা, নামভৰ্তি সংৰক্ষণ আৰু প্ৰাথমিক শিক্ষাৰ গুণগত মানদণ্ডৰ লগত জড়িত বিষয়সমূহ মূল্যায়ন কৰা যাতে সেইসমূহক গাঁও, আৱাসিক, খণ্ড অথবা জিলা পৰিসৰৰ ভিতৰত সম্বোধন কৰাৰ সিদ্ধান্ত ল'ব পাৰি। তাৰ কিছুমান হ'ল—

— প্ৰশাসনীয় বিষয়

— নীতি পৰিৱৰ্তনৰ প্ৰয়োজন

— নীতিসমূহৰ পৰিসৰ বৃদ্ধিৰ প্ৰয়োজন

— সহযোগিতাৰ সহায়ত সম্বোধন

— জিলা আৰু ৰাজ্যিক পৰ্যায়ৰ কৰ্তৃপক্ষৰ সমৰ্থনৰ প্ৰয়োজন।

এই পৰ্যায়ত, বিদ্যালয়, গ্ৰাম্যাঞ্চল, খণ্ডসমূহ আৰু জিলাসমূহৰ ভিতৰত, সিহঁতৰ নিজৰ এলেকাই সন্মুখীন হোৱা বিষয় আৰু প্ৰত্যাহ্বানসমূহ চিত্ৰিত কৰাৰ বাবে তীব্ৰ প্ৰতিযোগিতা হ'ব পাৰে যিটো সহজলভ্য সম্পদৰ সুগমতাৰ বাবে আন সকলো বিষয়তকৈ বেছি আৱশ্যকীয়। ইয়াৰ আৰম্ভণিতে এইটো উল্লেখ কৰা উচিত যে শিক্ষা বিকাশ পৰিকল্পনা অন্তৰ্ভুক্ত হ'বলগা বিশেষ প্ৰাধান্যকাৰী বিষয়সমূহৰ যুক্তিপূৰ্ণ তথ্য আৰু সম্পূৰ্ণ দূৰদৰ্শিতা থকাটো প্ৰয়োজনীয়। মাজে সময়ে আন্তঃজিলা পৰিকল্পনা কৰ্মশালাৰ আয়োজন কৰাটো দৰকাৰী যাতে অভিজ্ঞতাসমূহ আদান-প্ৰদান কৰিব পাৰি। বিষয়সমূহ চিনাক্তকৰণৰ লগতে, কাৰ্যকৰী হোৱা কিছু পদ্ধতিসমূহ শিকাৰ, এইটো এটা ভাল উপায়।

(ঙ) তথ্যৰ প্ৰয়োজন আৰু তথ্যৰ উৎসসমূহ

সকলো পৰিকল্পনাই সময়ভিত্তিক আৰু বিশেষ লক্ষ্যত উপনীত হোৱাৰ বাবে অতিকৈ প্ৰয়োজনীয়। যেনেকৈ শিক্ষাৰ অধিকাৰ আইনে পৰিষ্কাৰকৈ কৈছে যে সকলো শিশুৱে আঠ বছৰীয়া প্ৰাথমিক শিক্ষা

সম্পূৰ্ণ কৰিব লাগিব। ইয়াৰ বাবে নিম্নলিখিত তথ্যসমূহ চোৰাটো দৰকাৰী যেনে—

— চৈধ্য বছৰৰ সকলো শিশুৰ (ছোৱালী আৰু ল'ৰা) নামভৰ্তি হৈছে, কেতিয়াও নামভৰ্তি হোৱা নাই, বিদ্যালয়ৰ বাহিৰত।

— চৰকাৰী অনুদানপ্ৰাপ্ত/অনুদানপ্ৰাপ্ত স্বীকৃতিপ্ৰাপ্ত/অস্বীকৃতিপ্ৰাপ্ত ব্যক্তিগত বিদ্যালয়ৰ সংখ্যা।

— বেচৰকাৰী সংস্থাৰ দ্বাৰা পৰিচালিত অনানুষ্ঠানিক বিদ্যালয়সমূহ।

— ৰক্ষনাত্মক অনুষ্ঠানত থকা শিশুসকল।

— SC, ST, অঘৰী আদিবাসী, আটাইতকৈ পিছপৰা জাতি, আদিম আদিবাসী ইত্যাদিসকলৰ শিশুসকল।

— অক্ষম শিশুসকল

— কৰ্মৰত শিশুসকল

— জনসংঘৰ্ষৰ বলি হোৱা শিশুসকল বলি হোৱা শিশুসকল

— প্ৰব্ৰজনকাৰী পৰিয়ালৰ শিশুসকল

— শৰণাৰ্থী পৰিয়ালৰ শিশুসকল

— ৰাস্তা-ঘাট, বাটপথ/ৰাজহুৱা স্থানত বসবাস কৰা শিশুসকল

— জেলৰ কয়দী/পতিতাসকলৰ শিশুসকল

— আৰু আন আন বঞ্চিত শ্ৰেণীৰ শিশুসকল

এই তথ্যসমূহৰ পৰা, লক্ষ্য দলসমূহ নিৰ্বাচন কৰাত সম্ভৱপৰ হ'ব যাক বিদ্যালয় ব্যৱস্থালৈ আনিব পাৰি।

যিহেতু পৰিকল্পনাৰ অৰ্থই হৈছে, লক্ষ্য সমন্বিত বয়সৰ দলৰ সকলো শিশুকে লক্ষ্য কৰা সেয়েহে তথ্যসমূহে প্ৰত্যেক শিশুৰ অগ্ৰগতিৰ অনুসৰণৰ অৰ্থে সুবিধা প্ৰদান কৰিব লাগে।

ওপৰোক্ত তথ্যসমূহৰ এক বৃহৎ অংশ, বিদ্যালয়সমূহতো সহজ লভ্য আৰু চৰকাৰী বিভাগসমূহতো পোৱা যায়। গ্ৰাম্য শিক্ষা ৰেজিষ্টাৰৰ প্ৰস্তুতকৰণ আৰু দৈনন্দিন উন্নীতকৰণৰ ক্ষেত্ৰত VEC সমূহৰ/SMC সমূহৰ উল্লেখযোগ্য ভূমিকা আছে। বৰ্তমান অৱস্থাৰ প্ৰতিফলিত কৰা সহজলভ্য তথ্যই কেৱল, তথ্য সংকলনৰ মূল উদ্দেশ্য নহয়। তথ্যসমূহ, প্ৰত্যাহ্বানসমূহ নিদানৰ বাবে ব্যৱহাৰ কৰিব লাগে লগতে বিশেষ প্ৰয়োজনসমূহ চিনাক্তকৰণৰ বাবে, প্ৰয়োজনীয় সম্পদৰ অনুমান কৰিবৰ বাবে, হস্তক্ষেপ পৰিকল্পনাৰ বাবে আৰু সম্পদৰ চাহিদাৰ ন্যায়সংগত উপায়ৰ বাবেও তথ্যসমূহ ব্যৱহাৰ কৰিব লাগে। তথ্যভিত্তিক পৰিকল্পনাই সহজলভ্য সম্পদৰ সুযোগ্য আৰু শ্ৰেষ্ঠতম উপকাৰিতাক সুনিশ্চিত কৰিব। কঠোৰ লক্ষ্যৰ বাবে তথ্যসমূহ প্ৰয়োজনীয়। যদিও বহুতো তথ্য সংকলন কৰিব পাৰি তথাপিও কেৱল উৎকৃষ্ট তথ্যসমূহে ব্যৱহাৰৰ উপযোগী। গৃহজৰীপৰ ভিত্তিত সংগৃহীত তথ্যসমূহে আবাসিক স্তৰৰপৰিকল্পনাৰ

বাবে এটা ভোট গঢ়ি তোলে।

ইয়াৰ উপৰিও গৃহভিত্তিক তথ্যসমূহ এনেদৰে আহৰণ কৰাৰ পিছত আৱাসিক স্তৰত একত্ৰিত আৰু সংকলিত কৰা হয়। এই কাৰ্যসমূহ সহজাত কৰাৰ অৰ্থে এখন পৰামৰ্শমূলক প্ৰ-পত্ৰৰ আৰ্হি প্ৰস্তুত কৰা হৈছে। এবাৰ বসতি অঞ্চলৰ তথ্যসমূহ একত্ৰিত কৰাৰ পিছত সেইসমূহ কম্পিউটাৰত সন্নিৱিষ্ট কৰি ৰখা হয় আৰু বসতি পৰ্যায়ৰ পৰিকল্পনাৰ বাবে ব্যৱহাৰ কৰা হয়। পৰিপূৰ্ত গৃহ DCF সমূহ গাঁও/ৱাৰ্ড শিক্ষা ৰেজিষ্টাৰত সাঁচি ৰখা হয়। যিসমূহ VECৰসদস্যসমূহৰ বাবে, প্ৰত্যেক শিশুৰ নামভৰ্তি আৰু উপস্থিতিৰ তদাৰকী কৰাৰ ক্ষেত্ৰত সহজলভ্য হ'ব পাৰে আৰু সেইসমূহ প্ৰত্যেক VEC সভাত আলোচনা কৰিব পাৰি।

(চ) ক্ষুদ্ৰ পৰিকল্পনা অনুশীলনী

এবাৰ মূল পৰিকল্পনা দল গঠন হোৱাৰ পিছত, তেওঁলোকৰ দক্ষতা নিৰ্মাণক সাঙুৰি, বিষয় আৰু হস্তক্ষেপমূলক কৌশলসমূহক সমৰ্থন কৰি আৰু প্ৰয়োজনীয় তথ্যসমূহ লাভ কৰাৰ পিছত ক্ষুদ্ৰ পৰিকল্পনা অনুশীলনী আৰম্ভ হয়। এই অনুশীলনীত নিম্নলিখিতসমূহ সন্নিৱিষ্ট হয়।

— নামভৰ্তিৰ লক্ষ্য নিৰ্দ্ধাৰণ আৰু বাদপৰা, সংৰক্ষণ, শিক্ষাৰ্থীৰ উত্তীৰ্ণৰ হাৰ আৰু শিক্ষক ছাত্ৰৰ অনুপাত, শিশুৰ শ্ৰেণীবিভাজন অনুযায়ী শিক্ষক ছাত্ৰৰ অনুপাত আৰু এক বছৰৰ সময়সীমাৰ ভিতৰত স্থানীয় বিশেষ উদ্দেশ্যসমূহত উপনীত হোৱা।

— কৰিবলগা কাৰ্যাৱলীসমূহৰ সিদ্ধান্ত লোৱা।

— কাৰ্যাৱলীসমূহ অনুক্ৰমে সজোৱা।

— লক্ষ্যত উপনীত হ'বলৈ, ব্যৱস্থা কৰি লোৱা।

— বিভিন্ন কাৰ্যাৱলীৰ ৰূপায়ণৰ বাবে দায়িত্ববান বিষয়া আৰু/অথবা অনুষ্ঠানসমূহ ঠিক কৰা।

— প্ৰয়োজন হোৱা সময়ৰ অনুমান কৰা।

— খৰচ হ'বলগা প্ৰত্যেক বস্তুৰে অনুমান কৰা।

— পৰিকল্পনা প্ৰস্তাৱনা প্ৰস্তুত কৰা।

চমুকৈ কাৰ্যৰ যুক্তিপূৰ্ণ ঠাঁচৰ (Logical frame of action) প্ৰস্তুত কৰিব লাগিব। এই যুক্তিপূৰ্ণ ঠাঁচে, উদ্দেশ্য আৰু প্ৰত্যেক উদ্দেশ্যৰ বাবে কৰিব লগা কাৰ্যসমূহ, ব্যক্তি যিজনে এই কাৰ্য সম্পাদন কৰিব, প্ৰয়োজনীয় সময়, কাৰ্যৰ সূচী/তালিকা, মূল বাজেট, আবণ্টন আৰু আশাসন্মত ফলাফলৰ তালিকা প্ৰস্তুত কৰে।

শিকন-শিক্ষণ প্ৰক্ৰিয়াত আৰু শ্ৰেণীকোঠাৰ আদান-প্ৰদানৰ ক্ষেত্ৰত, শ্ৰেণীকোঠাৰ ভিতৰত কি হয়, সেইটোহে আটাইতকৈ প্ৰয়োজনীয় যদিও ই সকলো পৰিকল্পিত কৌশলৰ পৰিণতি প্ৰতিফলিত কৰে। সেয়েহে, কেনেকৈ শ্ৰেণীকোঠাৰ আদান-প্ৰদান সংঘটিত হয় আৰু অন্যান্য দিশত শিশুৰ অংশগ্ৰহণৰ স্তৰৰ বোধগম্যটো এটা অনিবাৰ্য বিষয়, যাতে এইসমূহ উন্নত কৰিব পাৰি। শ্ৰেণীকোঠাৰ

ভিতৰৰ শিকন-শিক্ষণ প্ৰক্ৰিয়া। কিছুমান মহত্ত্বপূৰ্ণ দিশসমূহ হ'ল—

(ক) শ্ৰেণীকোঠাৰ পৰিৱেশ (ভৌতিক আৰু সামাজিকক সাঙুৰি)

(খ) শ্ৰেণীকোঠাৰ সংগঠন আৰু পৰিচালনা (আসনৰ ব্যৱস্থা, বিন্যাস, শিকন-শিক্ষন দলৰ সংগঠন, সামগ্ৰীৰ প্ৰদৰ্শন আৰু ব্যৱহাৰিতা)।

(গ) শিক্ষক-ছাত্ৰৰ অনুপাত।

(ঘ) শিক্ষণীয় কাৰ্যপ্ৰণালী আৰু গ্ৰহণীয় কৌশলসমূহ।

(ঙ) শিকন-শিক্ষণ সামগ্ৰী আৰু সমলৰ সহজলভ্যতাৰ আৰু ব্যৱহাৰ।

(চ) শ্ৰেণীকোঠাৰ কাৰ্যাৱলীত ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণ (মৌখিক/অমৌখিক)।

(ছ) শ্ৰেণীকোঠাৰ ভিতৰত শিকন-শিক্ষনৰ বাবে থকা উপযুক্ত তথা যথেষ্ট সুবিধাসমূহ।

(জ) শিক্ষকৰ দ্বাৰা নতুন অভিনৱ পৰীক্ষামূলক প্ৰাসংগিক শিক্ষাদান শৈলীৰ উদ্ভাৱন কৰাৰ পৰিসৰ।

(ঞ) পাঠ্যক্ৰমিক আৰু সহঃপাঠ্যক্ৰমিক উভয় শিক্ষন ক্ষেত্ৰত, পিতৃ-মাতৃ, স্থানীয় শিক্ষাপ্ৰিয় ব্যক্তিৰ সহায় লৈ আৰু সম্প্ৰদায়ৰ বিজ্ঞ ব্যক্তিৰ অন্তৰ্ভুক্তকৰণৰ বাবে কৌশল প্ৰয়োজন।

সকলো শিকন-শিক্ষ প্ৰক্ৰিয়া কেৱল শ্ৰেণীকোঠাৰ ভিতৰতে সম্পন্ন নহয়। কেতিয়াবা, জৈৱ-বৈচিত্ৰৰ দৰে পাঠৰ ওপৰত পাঠদান কৰিবৰ বাবে শিশুসকলক প্ৰাকৃতিক পৰিৱেশৰ মাজত লৈ যোৱাটো বেছি উপযোগী। কেতিয়াবা এনে কাৰ্যাৱলীৰ বাবে বাজেটৰ সুবিধা থকাটো দৰকাৰী। এইসমূহ সেই শিক্ষা পৰিকল্পনা তৈয়াৰ কৰিব লাগে। সমগ্ৰ শিক্ষা আৰু শিশুৰ ব্যক্তিত্ব বিকাশৰ বাবে, সাধাৰণতে বিদ্যালয়ে এনেধৰণে কাৰ্যসমূহ অনুষ্ঠিত কৰিব লাগে। যেনেঃ খেল-ধেমালী, যোগ, সাংস্কৃতিক অনুষ্ঠান, প্ৰকল্প কাৰ্য, কাৰ্যভিত্তিক শিক্ষণ, স্বাস্থ্য, পুষ্টি, বৃত্তি ইত্যাদি সম্পন্ন কিছুমান প্ৰকাশমূলক জীৱনশৈলী ইত্যাদি। এইসমূহৰ দৃষ্টিভংগী, এখন বিদ্যালয় সামাজিক অনুষ্ঠান হিচাপে স্বীকৃতি প্ৰদান কৰে, যি সাম্প্ৰদায়িক কাৰ্যৰ এক সন্মিলন ক্ষেত্ৰ হৈ পৰে। কৰ্ম অভিজ্ঞতাৰ উৎসাহ প্ৰদানৰ বাবে শিশুসকল, বিভিন্ন পেছাদাৰী, খেতিয়ক, শিল্পকাৰ আদিসমূহৰ লগত জড়িত কৰোৱাটো দৰকাৰ যাতে প্ৰাকৃতিক আৰু সামাজিক ক্ষেত্ৰত সিহত অভিজ্ঞ হৈ উঠে। এই অভিজ্ঞতাসমূহ শিশুৰ সমগ্ৰ শাৰিৰীক, সামাজিক, আৱেগিক আৰু মানসিক বিকাশৰ বাবে, শিকন-শিক্ষণ প্ৰক্ৰিয়াত তৈয়াৰ কৰাটো প্ৰয়োজনীয়। এই কাৰ্যসমূহৰ বাবে পৰিকল্পনাৰ দৰকাৰ আৰু খেলপথাৰ, শাৰিৰীক শিক্ষা/যোগ শিক্ষক, খেলৰ সামগ্ৰী, আন্তঃস্কুল খেল-ধেমালী আৰু আন আন প্ৰতিযোগিতাৰ বাবে বাজেটৰ দৰকাৰ।

১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতিক অনুসৰণ কৰি, প্ৰাথমিক শিক্ষাৰ বহুতো অভিনৱ আঁচনি আছে যেনে— অপাৰেচন ব্লেকবোৰ্ড, শিক্ষক শিক্ষা, অনৌপচাৰিক শিক্ষা, মহিলা সমক্ষা, প্ৰাথমিক শিক্ষাক পুষ্টি সহায়ক/সমৰ্থিত ৰাষ্ট্ৰীয় আঁচনি আৰু বিশেষ আৰ্হিত শিক্ষা প্ৰকল্পসমূহ যেনেঃ বিহাৰ, ৰাজস্থান উত্তৰপ্ৰদেশ আৰু অন্ধ্ৰপ্ৰদেশ আদিৰ ৰাজ্যৰ দ্বাৰা প্ৰস্তুত। যিহেতু শিকন-শিক্ষণ সামগ্ৰী এই সকলো অভিনৱ চিন্তাধাৰাত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে, সেয়েহে ইয়াৰ প্ৰকাৰ, উপলব্ধিতা, প্ৰাসংগিকতা

আৰু বৰ্তমানৰ শিকন-শিক্ষণ সামগ্ৰীসমূহৰ উপযোগিতাৰ মূল্যায়ন কৰাটো প্ৰয়োজনীয় হৈ পৰিছে যাতে এই অভিনৱ কাৰ্যসমূহ সুচাৰুৰূপে ৰূপায়ন কৰিব পাৰি। এই ক্ষেত্ৰত প্ৰতিজন শিক্ষকক বছৰি ৫০০ টকাকৈ দিয়াৰো ব্যৱস্থা আছে যাতে তেওঁলোকে শিকন-শিক্ষণ সামগ্ৰীসমূহ কিনিব তথা তৈয়াৰ কৰিব পাৰে যেনেঃ কৰ্মপুথি, শিক্ষকৰ হাতপুথি, শিকন-শিক্ষণ সমল, শৈক্ষিক সামগ্ৰীৰ বাকচ সজ্জা ইত্যাদি।

এইসমূহ প্ৰস্তাৱিত পৰিকল্পনাত অন্তৰ্ভুক্ত কৰিব পাৰি।

শিশু অনুকূল বিদ্যালয় পৰিৱেশ সৃষ্টি কৰাটো ৰাজহুৱা কাৰ্যৰ মূল লক্ষ্য হ'ব লাগে। স্কুলখন এনেকুৱা মাটিত অৱস্থিত হ'ব লাগে যি সকলো বিপদ/বিপৰ্যৰ পৰা দূৰত (দ-এলেকা, প্ৰধান ৰাস্তাঘাটৰ ওচৰত, নদী বা পুখুৰী, উচ্চক্ষমতাসম্পন্ন বৈদ্যুতিক লাইনৰ তলত আদিৰ পৰা বিৰত থাকিব লাগে) আৰু সকলো শ্ৰেণীৰশিশুৰ বাবে সুবিধাজনক আৰু সহজে পোৱা হ'ব লাগে। বিদ্যালয় গৃহৰ আৰ্হি কাৰ্যাত্মক আৰু আকৰ্ষিত হ'ব লাগে। বিদ্যালয় শ্ৰেণীকোঠাৰ আভ্যন্তৰীণ ব্যৱস্থাত যথেষ্ট পোহৰ আৰু ভেণ্টিলেচনৰ ব্যৱস্থা থাকিব লাগে লগতে গুদাম প্ৰদৰ্শন আৰু চকবোৰ্ড ৰাখিব পৰা ঠাই থাকিব লাগে। বাধামুক্ত ব্যৱস্থা যেনেঃ এঢলীয়া পথ (Ramp), হেণ্ডৰেইল ইত্যাদিসমূহ প্ৰত্যেক বিদ্যালয়তে, অন্তৰ্ভুক্তিকৃত শিক্ষাৰ প্ৰয়োজন পূৰণৰ বাবে বাধ্যতামূলক হ'ব লাগে। শৌচাগাৰৰ ব্যৱস্থা, খোৱা পানীৰ ব্যৱস্থা, বৈদ্যুতিক ব্যৱস্থা, চাৰিসীমাৰ বেৰ আৰু খেলপথাৰ ইত্যাদি প্ৰত্যেক স্কুলৰ বাবেই প্ৰয়োজনীয়। বিদ্যালয়ৰ চাৰিওকাষ সেউজীয়া হ'ব লাগে। বৰ্তমান থকা আন্তঃগাঠনি যিসমূহ (শ্ৰেণীকোঠা, কোঠা, শৌচাগাৰ, খোৱা পানী, আসনৰ ব্যৱস্থা, গুদামৰ ঠাই, কম্পিউটাৰ আৰু অন্যান্য শিকন-শিক্ষণ সামগ্ৰী স্থাপিত কৰিবলৈ, চাৰিসীমাৰ বেৰ ইত্যাদি) ব্যৱহৃত আৰু যিসমূহক সৰু-সুৰা যেনেকুৱাই মেৰামতিৰ প্ৰয়োজন আৰু নতুন প্ৰয়োজনীয় আন্তঃগাঠনি, শুদ্ধকৈ মূল্যায়ন কৰিতাৰ প্ৰয়োজনীয় বাজেট, প্ৰস্তাৱিত পৰিকল্পনাত অন্তৰ্ভুক্ত কৰিব লাগে। নিৰ্মাণৰ কাৰিকৰিতা, গোট ব্যয়, অৰ্থব্যয়ৰ পদ্ধতি, সম্প্ৰদায়ৰ ভূমিকা আৰু দায়িত্ব আৰু গণনা হিচাপ কৰা পদ্ধতিসমূহ 'সম্প্ৰদায় নিৰ্মাণ নিয়মাৱলী' (Community Construction Manual) যদিহে আছে, সেই অনুৰূপতে চলাব লাগে আৰু বাজেট ব্যৱস্থা প্ৰস্তুত কৰিব লাগে।

কি কি ব্যৱস্থা আছে আৰু সেইসমূহক কেনেকৈ প্ৰস্তাৱিত পৰিকল্পনা দেখুওৱাব পাৰি, সেই বিষয়ে জনাটো দৰকাৰ। নক্সা পৰিকল্পনাত (Draft plan), নিম্ন লিখিতসমূহ থকাটো দৰকাৰী—

— প্ৰসংগ/পৃষ্ঠপট/সমস্যা, জনসাংখ্যিক তথ্যসমূহ সাঙুৰি লৈ

— উদ্দেশ্যসমূহ

— কৌশল

— প্ৰয়োজনীয় আন্তঃগাঠনি

— অনুষ্ঠান/কাৰ্যাৱলী

— শিক্ষক প্ৰশিক্ষণ, পাঠ্যপুথি সংশোধন, নিয়মাৱলীৰ প্ৰস্তুতকৰণ কৌশলসমূহৰ ওপৰত বিস্তৃত বৰ্ণনা

— পৰিকল্পনা সময়ছোৱাত নতুন কৰ্মব্যৱস্থা হাতত লোৱা

— দস্তাবেজ/ৰিপোৰ্ট প্ৰকাশ কৰা

— তদাৰক/মূল্যায়ন, সামাজিক হিচাপ পৰিদৰ্শন ব্যৱস্থা লোৱা

— প্ৰত্যেক কাৰ্যৰ বাবে বাজেট নিৰ্দ্ধাৰণ

— পূৰ্ববৰ্ষত কেন্দ্ৰ আৰু ৰাজ্যৰ অংশীদাৰী অৰ্থ মুকলি কৰি দিয়াৰ বৰ্তমান অৱস্থা।

— আবৃত অনুদানৰ (Recurring grants) খৰচ নোহোৱা পৰিমাণৰ হিচাপ, যিটো আৰ্থিক বৰ্ষৰ শেষত ৰৈ যাব পাৰে।

— অনাবৃত্ত সামগ্ৰীৰ খৰচৰ অনুদানৰ, খৰচ নোহোৱা পৰিমাণৰ হিচাপ; যিটো পূৰ্ব পৰিকল্পনা সময়চোৱাৰ পৰা বৰ্তমানৰ বৰ্ষৰ পৰিকল্পনালৈ লৈ যাব লাগে।

— অন্যান্য উৎসৰ পৰা আৰ্থিক সমৰ্থন/সহায়।

— বৰ্তমানৰ বৰ্ষৰ বাবে প্ৰয়োজনীয় বাজেটৰ বিৱৰণ।

কাৰ্যাৱলীৰ ব্যয়সমূহ, পৰামৰ্শকৃত, স্বীকৃতিপ্ৰাপ্ত নিয়মাৱলীৰ মতে হ'ব লাগে। প্ৰস্তাৱিত পৰিকল্পনাত প্ৰাসংগিক তথ্যসমূহ থাকিব লাগে য'ত কাৰ্যসমন্বিত ৰিপোৰ্ট আৰু সম্পূৰ্ণ বোধভিত্তিক মূল্যায়নৰ লক্ষ্য হ'ব লাগে লগতে পলিচী আৰু প্ৰশাসনীয় মঞ্জুৰী, ৰাজ্য কৰ্তৃপক্ষৰ পৰা দিব লাগে। য'ত প্ৰস্তাৱিত পৰিকল্পনাৰ যিকোনো নিয়মবহিৰ্ভূত কাৰ্যত, সম্পূৰ্ণ ন্যায় প্ৰদান কৰিব লাগে। মূল পৰিকল্পনা দলৰ সৈতে হিতাধিকাৰীৰ লগত হোৱা পৰিকল্পনা গঠন, পৰিকল্পনা সভাৰ প্ৰস্তাৱনা, কৰ্মশালা আলোচনা চক্ৰ ইত্যাদি, স্পষ্টকৈ দস্তাবেজ বনাব লাগে, যিহেতু শিক্ষাৰ অধিকাৰ আইনে বিচৰা ধৰণে পৰিকল্পনা হৈছে এটা বিধান মতে হোৱা আনুষ্ঠানিক অনুশীলন।

প্ৰত্যেক বিদ্যালয়ৰ তল ওপৰ ব্যৱস্থা মানে হৈছে আৱাসিক এলেকাৰ ব্যক্তিগত অনুদানপ্ৰাপ্ত/অ-অনুদানপ্ৰাপ্ত আৰু চৰকাৰী বিদ্যালয়সমূহে ব্যক্তিগতভাৱে নিজৰ বিদ্যালয় বিকাশৰ পৰিকল্পনা প্ৰস্তাৱনা প্ৰস্তুত কৰে। সাধাৰণতে ওপৰত উল্লেখ কৰা ক্ষুদ্ৰ পৰিকল্পনাই, বিদ্যালয়ৰ পৰিকল্পনাৰ বাবে আটাইতকৈ ভাল ব্যৱস্থা।

আবাসিক স্তৰত, বিদ্যালয় পৰিকল্পনা প্ৰস্তাৱনাক, চৰকাৰৰ সহায়/সমৰ্থন আৰু দৃঢ়তাৰ প্ৰয়োজন। যেনেকৈ UEEৰ বাবে সম্প্ৰদায়ভিত্তিক ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

আপোনাৰ অগ্ৰগতিৰ খতিয়ান লওঁক-২

(১) পৰিকল্পনা মানে কি? ক্ষুদ্ৰ পৰিকল্পনা মানে কি?

.............................................................

.............................................................

.............................................................

(২) UEEৰ বাবে কিয় ক্ষুদ্ৰ পৰিকল্পনা ব্যৱস্থা গ্ৰহণ কৰা হৈছে?

.............................................................

.............................................................

.............................................................

(৩) ক্ষুদ্ৰ পৰিকল্পনাৰ বাবে প্ৰয়োজনীয় পদক্ষেপসমূহ কি কি?

.............................................................

.............................................................

.............................................................

**৭.৩.৪ DEO, DRC (DIET), BEO সমূহ, BRC সমূহ আৰু CRC সমূহৰ ভূমিকা আৰু দায়িত্বঃ**

নিম্নলিখিতসমূহেই DEO, DRC (DIET), BEO সমূহ, BRC সমূহ আৰু CRC সমূহৰ ভূমিকা আৰু দায়িত্ব।

(ক) জিলা পৰ্যায়

জিলা প্ৰাথমিক শিক্ষা বিষয়াই (District Elementary Education Officer-DEO), পৰিকল্পনাকাৰী, ৰূপায়নকাৰী, সমন্বয়কাৰী আৰু তদাৰকাৰীৰ সকলো কামে একেলগে কৰে। তেওঁ প্ৰাথমিক শিক্ষাৰ নিম্নলিখিত দায়িত্বসমূহ পালন কৰিব লাগে—

— শিশুৰ শিক্ষাৰ অধিকাৰৰ অনুভৱৰ ভাবে এক সুযোগ্য পৰিৱেশৰ সৃষ্টি কৰা।

— সকলো বসতিতে, প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক পৰ্যায়ৰ বিদ্যালয়ী সুবিধাৰ উপলব্ধতা সুনিশ্চিত কৰা।

— সকলো বিদ্যালয় বয়সৰ শিশুৰ বাবে তাৰ চুবুৰীয়াতে ভৌতিক আৰু সামাজিক শিক্ষাৰ সহজলভ্যতা সুনিশ্চিত কৰা।

— সকলো শিশুৰ নামভৰ্তি, আৰু/অথবা সংৰক্ষণৰ বাবে প্ৰয়োজন হোৱা বিশেষ গভীৰ প্ৰচেষ্টাৰ ক্ষেত্ৰত PRI সমূহক অন্তৰ্ভুক্ত কৰা।

— বিদ্যালয়ত নামভৰ্তি আৰু বিদ্যালয় বহিৰ্ভূত শিশুৰ সংৰক্ষণ কৰা (প্ৰব্ৰজন/বাটৰ শিশু/SC/ST/অঘৰী আদিবাসীৰ শিশুসকল/বিশেষ প্ৰয়োজনৰ শিশুসকল) আৰু সময়ভিত্তিক আবাস অথবা অন্যান্য নমনীয় আৰু বিকল্প বিদ্যালয়ীৰ জৰিয়তে (যেনে— মহাৰাষ্ট্ৰ চৰকাৰৰ বস্তিশালা) শৈক্ষিক সুবিধা প্ৰদানৰ ব্যৱস্থা সুনিশ্চিত কৰা।

— সকলো শিশুৰে ৰেকৰ্ড ৰাখিবলৈ, অভিযান হাতত লোৱা যাতে, ১৮ বছৰ বয়সলৈকে সকলো শিশুৰে জন্ম পঞ্জীয়ন কৰা হয়।

— বিদ্যালয়সমূহত খালী হৈ থকা শিক্ষক পদসমূহ তদাৰক কৰা, ইয়াৰ প্ৰয়োজনৰ ৰিপোৰ্ট, উচ্চ

শিক্ষা কর্তৃপক্ষক প্ৰেৰণ কৰা।

— শিক্ষকৰ উপস্থিতি, শিশুৰ উপস্থিতি, শিক্ষা মানদণ্ড আৰু শিকন-শিক্ষণ সামগ্ৰীৰ উপলব্ধিতাৰ তদাৰকী কৰাৰ বাবে, বিভিন্ন বিদ্যালয় পৰিচালনা সমিতিৰ, দক্ষতা বৃদ্ধি কৰা।

— ছোৱালী শিশু আৰু CWSN সকলৰ বিদ্যালয়লৈ অহা-যোৱা কৰিবলৈ বিনামূলীয় যাতায়ত ব্যৱস্থাৰ সুবিধা সুনিশ্চিত কৰা।

— বিদ্যালয়ৰ সুগমতাৰ পৰা বঞ্চিত এলেকাত থকা শিশুসকলক আৱাসিক সুবিধা প্ৰদান সুনিশ্চিত কৰা।

— বিভিন্ন বিভাগৰ জিলা বিষয়াৰ সহযোগিতাত এইটো সুনিশ্চিত কৰা যে পিছপৰা/বঞ্চিত শ্ৰেণীৰ পৰা অহা শিশুসকল যেনে SC/ST/অঘৰী আদিবাসী, OBC, মুছলমান আৰু অন্যান্য সংখ্যালঘু শিশুসকল, ছোৱালীসকল, চহৰৰ পৰা বঞ্চিত শিশুসকল, বাটৰ শিশুসকল, শিশু শ্ৰমিকসকল, প্ৰব্ৰজন/শৰণাৰ্থী শিশুসকল, বয়োজ্যেষ্ঠৰ সংৰক্ষণ অবিহনে থকা শিশুসকল যাতে, নিৰ্যাতিত নহয়।

— PRI সভাৰ অধ্যক্ষ অথবা নগৰীয় স্থানীয় স্বয়ং চৰকাৰৰ শিক্ষা কমিটিৰ অধ্যক্ষতাত আপত্তি নিস্পত্তিকৰণ কমিটি (Grievance Redressal Committee) স্থাপন কৰা।

— সামাজিক হিচাপ পৰিদৰ্শন প্ৰক্ৰিয়াৰ দ্বাৰা লিংগ বিষয়ক আৰু সামাজিক বহিষ্কাৰ বিষয়ক অন্যান্য বিষয় যাতে সমাধান হয় তাক সুনিশ্চিত কৰা।

— নামভৰ্তিৰ আগত হোৱা পৰীক্ষামূলক ব্যৱস্থা বন্ধ কৰিবলৈ পদক্ষেপ হাতত লোৱাৰ বাবে, নিৰ্বাচিত প্ৰতিনিধি, বিশেষজ্ঞ, কাৰ্যকৰ্তা, পিতৃ-মাতৃ, প্ৰধান শিক্ষক, বিভিন্ন বিভাগৰ বিষয়াসমূহ যেনে মহিলা আৰু শিশু বিকাশ বিভাগ, স্বাস্থ্য বিভাগ, আৰক্ষী বিভাগ ইত্যাদিৰ দ্বাৰা, জিলা শিক্ষা কমিটিৰ গঠন কৰা।

— এইটোও সুনিশ্চিত কৰা যাতে বৰ্ষ সমাপ্তিৰ পৰীক্ষা নাথাকে, কোনো নিৰোধ নাথাকে, কোনো শাৰিৰীক শাস্তি ব্যৱস্থা নাথাকে আৰু যাতে অন্য ধৰণৰ শিশু অধিকাৰ খৰ্ব হোৱাৰ কোনো সুবিধা নাথাকে।

আটাইতকৈ প্ৰয়োজনীয় DEOই বিদ্যালয়, গ্ৰাম্য, খণ্ড আৰু জিলা পৰিকল্পনা প্ৰস্তাৱনাক দৃঢ়তা প্ৰদান কৰিব লাগে। প্ৰাথমিক শিক্ষাৰ বৰ্তমান অৱস্থাৰ এটা স্পষ্ট ছবিৰ বাবে সকলো শিশুৰ বাবে খোজকাঢ়ি যোৱা দূৰত্বত পাব পৰা বিদ্যালয়ৰ সুবিধা, স্থান, সংক্ৰান্ত, সমাজ আৰু বিদ্যালয় মানচিত্ৰণ ইত্যাদি ব্যৱস্থা হাতত ল'ব লাগে যি অতিকমেও তিনি অথবা চাৰি বছৰত এবাৰকৈ সম্পন্ন হ'ব লাগে। এইসমূহেই বিদ্যালয়, গাঁও আৰু খণ্ডসমূহৰ দ্বাৰা প্ৰস্তাৱিত পৰিকল্পনাক দৃঢ়তা প্ৰদান কৰাত সহায় কৰিব।

**আপোনাৰ অগ্ৰগতিৰ খতিয়ান লওঁক-৩**

১। তদাৰকীকৰণ কি? কেনেকৈ সম্প্ৰদায়ে UEEৰ ৰূপায়ণক তদাৰক কৰে?

............................................................

............................................................

............................................................

২। UEEৰ ৰূপায়ণৰ ক্ষেত্ৰত, DEOৰ তদাৰকী ভূমিকাৰ পৰ্যালোচনা কৰা।

............................................................

............................................................

............................................................

(খ) স্থান-সংক্ৰান্ত আৰু সামাজিক মানচিত্ৰণ

এখন বিদ্যালয়ত ইয়াৰ কাষৰীয় অঞ্চলৰ শিশুৰ উপস্থিতি অধিক হোৱাটো, সম্ভৱপৰ। একেদৰে, এখন বিদ্যালয়ত থাকি শিক্ষা গ্ৰহণ কৰা শিশুৰ উপস্থিতি ইয়াৰ কাষৰীয় বিদ্যালয়তকৈও অধিক হোৱাটোও সম্ভৱপৰ। সেয়েহে অকল বিদ্যালয়ত স্থাপন কৰি এইটো সুনিশ্চিত কৰাটো যথেষ্ট নহয় যে সকলো শিশুৱে বিদ্যালয়ত উপস্থিত থাকে আৰু সকলোৱে শিক্ষা গ্ৰহণ প্ৰক্ৰিয়াত ভাগ লয়। স্কুলখন থাকিব পাৰে কিন্তু শিশুসকল উপস্থিত নহ'বও পাৰে, কিছু মাহৰ পিছত শিশুসকলে বাদ দিব পাৰে আৰু বহুত দিনৰ বাবে অনুপস্থিত থাকিব পাৰে আৰু শিক্ষণ বোজাৰ সৈতে সমযোজন কৰিব নোৱাৰে। বিদ্যালয়ী মানচিত্ৰণ এই ক্ষেত্ৰত সহায়ক হ'ব যে—

— সামাজিক, সাংস্কৃতিক, অৰ্থনৈতিক আৰু/অথবা তাৰ্কিক কাৰণত বিদ্যালয়ত যাব নোৱৰা শিশুসকলৰ চিনাক্তকৰণ।

— শিক্ষা সেৱা, আন্তঃগাঠনি, শিক্ষক আৰু প্ৰয়োজনীয় সামগ্ৰী সাঙুৰি এক গতিশীল দৃষ্টিভংগী নিৰ্মাণ কৰা যাতে সকলো শিশুকে সিহঁতৰ জাতি, ধৰ্ম, লিংগ অথবা দূৰত্ব নিৰ্বিশেষে, উচিত মানদণ্ডৰ শিক্ষা প্ৰদান কৰিব পাৰি।

বিদ্যালয় মানচিতৰণ প্ৰক্ৰিয়াত নিম্নলিখিত পদক্ষেপসমূহ সাঙুৰি লোৱা হয়—

— গাঁওখনত পৰিৱেশ নিৰ্মাণ।

(২) বিশেষকৈ বিদ্যালয় মানচিত্ৰণৰ বাবে, গ্ৰাম্য শিক্ষা কমিটি গঠন কৰা।

(৩) গাঁও কমিটিৰ সদস্যসকলৰ বাবে প্ৰশিক্ষণ দিয়া যাতে, বিদ্যালয় মানচিত্ৰণ কৰিব পাৰে।

(৪) গাঁওৰ বাবে স্থান সংক্ৰান্ত অস্থায়ী মানচিত্ৰ প্ৰস্তুত কৰা।

(৫) গৃহ জৰীপ আয়োজন কৰা।

(৬) বিভিন্ন গৃহ, প্ৰত্যেক গৃহতে থকা শিশুৰ সংখ্যাক আৰু সিহঁতৰ নামভৰ্তিৰ বৰ্তমান অৱস্থাক দেখুৱাই এখন অন্তিম মানচিত্ৰ প্ৰস্তুত কৰা।

(৭) গাঁও/বিদ্যালয় শিক্ষা পঞ্জীয়ন/ৰেজিষ্টাৰ বনোৱা।

(৮) মানচিত্ৰখনৰ উপস্থাপন কৰা আৰু ইয়াৰ বৈধতা প্ৰাপ্তিৰ বাবে জনসাধাৰণৰ সন্মুখত বিশ্লেষণ কৰা। আৰু

(৯) জনসাধাৰণৰ পৰামৰ্শ লোৱা।

জিলা সম্পদ কেন্দ্ৰসমূহে বিদ্যালয় মানচিত্ৰণ প্ৰস্তুতকৰণত প্ৰয়োজনীয় সহায়/সমৰ্থন আগবঢ়ায়। ওপৰত উল্লেখিতসমূহৰ পৰা এইটো টোকা লাভ কৰিব পাৰি যে পৰিকল্পনাসমূহ কেৱল, বহুসংখ্যক হস্তক্ষেপৰ দস্তাবেজ নহয় অথবা UEE ৰ লক্ষ্যত উপনীত হোৱাৰ বাবে প্ৰয়োজনীয় গাণিতিক বাজেট চিত্ৰণ নহয়। পৰিকল্পনাসমূহে, জিলা পৰ্যায়ত UEE ৰ প্ৰগতিৰ তদাৰকী কৰাত এজন নিৰ্দেশক হিচাপে সেৱা আগবঢ়ায়।

**(গ) পৰিকল্পনাৰ বাবে সম্পদকেন্দ্ৰসমূহ ঃ** DIET আৰু DPEP ৰ এটা পৰিকল্পনা আৰু পৰিচালনা গোট থাকে। এই গোটটোৰ জিলা পৰিপ্ৰেক্ষিতত আৰু বাৰ্ষিক পৰিকল্পনা প্ৰস্তুতকৰণত মুখ্য ভূমিকা আছে। বাৰ্ষিক আৰু শিক্ষা বিকাশ পৰিকল্পনা পৰিপ্ৰেক্ষিতত, গোট সম্পদকেন্দ্ৰ, খণ্ড সম্পদ কেন্দ্ৰসমূহে বিদ্যালয় পৰ্যায়ৰ শিক্ষকসকলক, গাঁও পঞ্চায়তৰ কৰ্মীসকলক আৰু পঞ্চায়ত সমিটিক সহায়-সহযোগিতা আগবঢ়াব বুলি আশা কৰা হয়।

**(ঘ) মূল্যাংকন (Appraisal) ঃ** জিলা পৰিকল্পনাখন সম্পূৰ্ণ কৰাৰ আগতে ই মূল্যাংকণ নামৰ এটা প্ৰক্ৰিয়াৰ মাজেৰে পাৰ হ'ব লাগে। মূল্যাংকনত নিম্নলিখিতসমূহ বিচাৰি উলিওৱা হয়—

— প্ৰমাণ হিচাপে যোগান ধৰা তথ্যসমূহ, প্ৰকৃত অৱস্থাৰ ওপৰত ভিত্তি কৰা হয়নে

— প্ৰয়োজনীয় ন্যায়সংগত ব্যৱস্থা বিশ্বাসযোগ্য হয়নে,

— বৰ্তমান অৱস্থা আৰু UEE ৰ অন্তিম লক্ষ্যসমূহৰ মাজৰ ব্যৱধান দূৰ কৰিয়েই, বিকাশ সম্ভৱপৰ হয়নে,

— নিৰ্দ্ধাৰিত সময়সীমাৰ ভিতৰত প্ৰস্তাৱিত হস্তক্ষেপমূলক কৌশলসমূহ কাৰ্যকৰী হয়নে,

— সমূহ প্ৰস্তাৱিত পৰিকল্পনা, আৰ্থিকভাৱে, কাৰিকৰীভাৱে, সামাজিকবাৱে আৰু ৰাজনৈতিকভাৱে ব্যৱহাৰ্য আৰু সম্ভৱপৰ হয়নে,

— ইয়াৰ প্ৰত্যাহ্বান আৰু সুবিধাসমূহ কি কি,

সকলো ধনাত্মক মূল্যাংকন হোৱাৰ পিছত ৰাজ্য চৰকাৰৰ শিক্ষা, অৰ্থ, মহিলা আৰু শিশুৰ বিকাশ বিভাগৰ গভীৰ পৰীক্ষাৰ ওপৰত ভিত্তি কৰি খচৰা পৰিকল্পনা প্ৰস্তুত কৰা হয়। ৰাজ্য চৰকাৰে সমগ্ৰ জিলা পৰিকল্পনাৰ আংশিকভাৱে সম্পূৰ্ণভাৱে অনুমোদন কৰিব পাৰে আৰু স্পষ্টীকৰণ আৰু যুক্তিবাদী লক্ষ্যৰ বাবে অনুৰোধ কৰিব পাৰে। সালসলনি কৰাৰ পিছত আৰু পুনৰ জমা দিয়াৰ পিছত, জিলা

পৰিকল্পনাক অননুমোদন কৰা হয় আৰু ৰূপায়ণৰ বাবে সন্মতি প্ৰদান কৰা হয়। জিলা বাৰ্ষিক পৰিকল্পনা আৰু পৰিপ্ৰেক্ষিত পৰিকল্পনা, বিদ্যালয় মানচিত্ৰৰ ওপৰত ভিত্তি কৰি প্ৰস্তুত কৰাৰ বাহিৰেও DEO ওৰে ব্যক্তিগত বিদ্যালয়, বেচৰকাৰী সংস্থা আৰু অন্যান্য হিতাধিকাৰীৰ সহায়-সহযোগিতাত পৰিকল্পনাসমূহ ৰূপায়ন কৰিব লাগে।

**(ঙ) ৰূপায়ণ ঃ** জিলা আৰু উপ-জিলা পৰ্যায়ত, UEE ৰ বাবে কৰা পৰিকল্পনা মাথোন এক আৰম্ভণিহে। পৰিকল্পনাসমূহ ৰূপায়ণ কৰাটোহে ডাঙৰ কাম। এই কথা মনত ৰাখিব লাগিব যে শিক্ষা বিকাশৰ পৰিকল্পনাসমূহ ৰূপায়ণ কৰিবলৈ জিলা শিক্ষা কমিটি, খণ্ড শিক্ষা কমিটি, বিদ্যালয় পৰিচালনা কমিটি আৰু অন্যান্য কমিটিসমূহৰ প্ৰয়োজন যাতে সিহঁতৰ কাম কৰাৰ পুৰণি পদ্ধতিসমূহ সলনি কৰিব পাৰি আৰু এনেকুৱা প্ৰক্ৰিয়া অৱলম্বন কৰা য'ত পিতৃ-মাতৃ, শিক্ষক, বেচৰকাৰী সংস্থা আৰু স্থানীয় সম্প্ৰদায়ৰ প্ৰতিনিধি সকলোৱে সিদ্ধান্ত গ্ৰহণত অংশগ্ৰহণ কৰিব পাৰে যাতে শিক্ষাৰ অধিকাৰ আইনৰ বাধ্যতামূলক নীতিসমূহ আখৰেৰে আৰু মনেৰে ৰূপায়ণ কৰিব পাৰি। শিক্ষকসমাজক পৰিকল্পনা প্ৰক্ৰিয়াত জড়িত কৰোৱাটোৱে এইটো সুনিশ্চিত কৰে যে বিদ্যালয়সমূহ UEEৰ ৰূপায়ণৰ অংশীদাৰ হিচাপে মূল অনুষ্ঠান হিচাপে দেখা দিছে আৰু ইয়াত সেই এলেকাৰ সম্প্ৰদায়ৰো সহায়-সহযোগিতা আছে।

খণ্ড শিক্ষা বিষয়া আৰু তেওঁৰ সহকৰ্মীসকলে খণ্ড সম্পদ কেন্দ্ৰ হিচাপে কাম কৰে। BRC সকলো সহকৰ্মীৰ পৰা নতুন শিকণ শিক্ষণ সামগ্ৰী, প্ৰতি বছৰৰ বাবে প্ৰস্তুত কৰাত প্ৰত্যেক বিদ্যালয়ক সহায়-সহযোগিতা আগবঢ়োৱাটো আশা কৰা হয়।

ইয়াৰ বাহিৰেও, সম্ভৱত প্ৰত্যেক ১৫খন গাঁওত এখনকৈ, বহুসংখ্যক গোট সম্পদ কেন্দ্ৰ আছে। BRC আৰু CRCৰ কৰ্মীসকলৰ মাজত, এইটো সম্ভৱ হ'ব যে—

— প্ৰত্যেক মাহতে এখন বিদ্যালয় পৰিদৰ্শন কৰা আৰু

— শিক্ষকমহলক পাঠ্যক্ৰমিক সহায় আগবঢ়োৱা।

আপোনাৰ অগ্ৰগতিৰ খতিয়ান লওঁক— ৪

(১) বিদ্যালয় পৰ্যায়ত প্ৰাথমিক শিক্ষা বিকাশৰ বাবে প্ৰস্তুত কৰা প্ৰস্তাৱনাৰ তথ্যসমূহৰ উৎসসমূহ কি কি?

..................................................................................................

..................................................................................................

..................................................................................................

(২) এখন পৰিকল্পনাৰ মূল্যাংকন মানে কি? কোনে বাৰ্ষিক জিলা শিক্ষা বিকাশ পৰিকল্পনাৰ মূল্যাংকন কৰে?

..................................................................................................

..................................................................................................

..................................................................................................

UEE ৰ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত জিলা পৰিকল্পনাসমূহ ৰূপায়িত কৰাৰ বাবে কিছুমান অনুষ্ঠানৰ মুখ্য ভূমিকা আছে। সেইসমূহ তলত আলোচনা কৰা হ'ল—

**ৰাজহুৱা আৰু ব্যক্তিগত অনুষ্ঠানৰ অংশীদাৰিত্ব ঃ** শিশুৰ বৰ্দ্ধিত চাহিদাক সুচাৰুৰূপে পৰিচালনা কৰাটো, চৰকাৰৰ বাবে এটা নিজেই কঠিন কাম। সেয়েহে আন আন বেচৰকাৰী সংস্থাসমূহৰ সহযোগিতা আৰু সমন্বয়িতা, প্ৰয়োজনীয় হৈ পৰিছে। চৰকাৰে লাহে লাহে অংশীদাৰ হিচাপে ব্যক্তিগত অনুষ্ঠানৰ বাবে ব্যৱস্থা মুকলি কৰিছে যাতে UEE ক ৰূপায়িত কৰিব পাৰি। এই আগৰ দিনৰ এটা সম্পূৰ্ণ পৰিবৰ্তন। প্ৰাথমিক শিক্ষা সুচাৰুৰূপে প্ৰদান কৰিববৈ ৰাজ্য চৰকাৰ আৰু স্থানীয় স্বয়ং চৰকাৰ সভাৰ অংশীদাৰী, বেচৰকাৰী সংস্থাসমূহ, কৰ্পোৰেট বিভাগ আৰু অন্যান্য বেচৰকাৰী সংস্থাসমূহৰ লগত প্ৰয়োজনীয় হৈ পৰিছে যাতে ইটোৱে সিটোক বিভিন্ন সমৰ্থন সেৱা আগবঢ়োৱাৰ ক্ষেত্ৰত পৰিপূৰক হিচাপে কাম কৰিব পাৰে।

এখন বহলভিত্তিক নীতি হিচাপে চৰকাৰে NGOৰ সৈতে সকলো পৰ্যায়তে অংশীদাৰ হোৱাৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। NGO সমূহ, বহুত বছৰ ধৰি সামাজিক বিকাশৰ কাৰ্যৰ লগত জড়িত আৰু বহুতো দিব্য-যত্ন কেন্দ্ৰ, ভ্ৰাম্যমান ক্ৰেচ/শিশু কেন্দ্ৰ, বালৱাড়ী, চাৰবাহা স্কুল, প্ৰাথমিক আৰু প্ৰাক-প্ৰাথমিক বিদ্যালয় পৰিচালনা বাচি আছে যি সমূহৰ এক সাংঘাতিক সৃষ্টিশীল শক্তি আছে, যাক জিলাসমূহত দেখা যায় আৰু বিদ্যালয় বহিৰ্ভূত শিশুসকলক বিদ্যালয়লৈ অনাৰ ক্ষেত্ৰত এটা অংশীদাৰ হিচাপে উপৰোক্তসমূহ তালিকাভুক্ত কৰা হৈছে। NGO ৰ সৈতে এই অংশীদাৰ সম্পৰ্ক গঢ়ি তোলোতে, চৰকাৰক স্থানীয় পৰ্যায়ত কৰি থকা কামসমূহৰ ক্ষেত্ৰত কিছু সালসলনিৰ দৰকাৰ। NGOৰ সৈতে থকা অংশীদাৰক তিনি ধৰণে গ্ৰহণ কৰিব পাৰি ঃ কেন্দ্ৰ আৰু ৰাজ্যিক চৰকাৰৰ প্ৰত্যক্ষ আৰ্থিক সহায়ৰ জৰিয়তে, স্বীকৃতিপ্ৰাপ্ত ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় সম্পদ অনুষ্ঠানৰ আৰ্থিক সহায়ৰ জৰিয়তে আৰু সাম্প্ৰদায়িক কাৰ্যাৱলী ৰূপায়িত কৰাৰ ক্ষেত্ৰত, গ্ৰাম্যশিক্ষা কমিটিৰ আৰ্থিক সহায়ৰ জৰিয়তে।

ৰাজ্যৰ বেচৰকাৰী সংস্থা/NGO সমূহৰ লগত শিক্ষাৰ অধিকাৰ আইনে নিম্নলিখিত এলেকাসমূহ এক শক্তিশালী অংশীদাৰিত্ব থকাটো বিচাৰে।

- সজাগতা বৃদ্ধিৰ ক্ষেত্ৰত
- দক্ষতা নিৰ্মাণ ঃ প্ৰভাৱশালী শিক্ষক শিক্ষা অনুষ্ঠানৰ বিকাশ, সম্প্ৰদায়ৰ মাজত দক্ষতা নিৰ্মাণ আৰু পৰিকল্পনা আৰু ৰূপায়ণৰ বাবে সম্পদ অনুষ্ঠানৰ নিৰ্মাণ।
- UEE ৰ গৱেষণা মূল্যায়ন আৰু তদাৰক
- অভিনৱ শিক্ষাদান শৈলীৰ বিকাশ
- বিদ্যালয় বহিৰ্ভুত শিশুসকলক বিদ্যালয়লৈ অনা
- লিংগ চিন্তা বিষয়ক ব্যাখ্যা
- CWSNৰ লগত কাম কৰা
- ওকালতি, দায়বদ্ধতা

- স্বচ্ছতাৰ বিকাশ (Improve Transparency) ঃ কাৰ্যকাৰীতাসমূহৰ মূল্যায়ন আৰু হস্তক্ষেপমূলক অনুষ্ঠানসমূহৰ স্বচ্ছতা

**৭.৩.৪.১ বিদ্যালয়ৰ তদাৰক আৰু পৰ্যবেক্ষণ ঃ**

**সম্প্ৰদায়ৰ ভূমিকা ঃ** বিদ্যালয়সমূহৰ তদাৰক আৰু পৰ্যবেক্ষণত VEC/ৱাৰ্ড শিক্ষা কমিটিৰ আৰু সম্প্ৰদায়ৰ প্ৰধান ভূমিকা আছে আৰু লগতে এইসমূহে গাঁও/ৱাৰ্ডত আন আন শৈক্ষিক সুবিধাসমূহো তদাৰক আৰু পৰ্যবেক্ষণ কৰে। সাম্প্ৰদায়িক ভিত্তিক তদাৰকী আৰু পৰ্যবেক্ষণ। পৰিকল্পনা ৰূপায়ণত অতি প্ৰয়োজনীয় যিয়ে এইটো সুনিশ্চিত কৰে যে—

- সকলো শিশু নিয়মিতভাৱে বিদ্যালয়লৈ আহে।
- ছোৱালী শিশুসকল আৰু বঞ্চিত শ্ৰেণীৰ শিশুসকলৰ নামভৰ্তি আৰু সংৰক্ষণ
- শিশুসকলে গুণগত শিক্ষা লাভ কৰে
- য'ত কৰ্তৃপক্ষ আছে তাত স্থানীয় পৰ্যায়ৰ শিক্ষকসকলৰ নিযুক্তি প্ৰদান
- VEC আৰু পিতৃ-মাতৃৰ লগত আলোচনা কৰি বিদ্যালয় সময়সীমা নিৰ্ধাৰণ।
- বিদ্যালয় আন্ত-গাঁথনিৰ সঠিক ব্যৱহাৰ
- যাৰ বাবে দিয়া হৈছে সেই অনুযায়ী অনুদানসমূহ সমূহ ব্যৱহাৰ কৰা
- বিকল্প বিদ্যালয় কেন্দ্ৰৰ আয়োজন আৰু তাৰ সঠিক তদাৰক।
- শিকণ শিক্ষণ সামগ্ৰীসমূহ বিদ্যালয়ত উপলব্ধ আৰু ইয়াক শ্ৰেণীকোঠাৰ শিকণত ব্যৱহাৰ

**BEDৰ ভূমিকা**

খণ্ড শিক্ষা বিষয়া আৰু সহায়ক শিক্ষা বিষয়াৰ পৰা নিম্নলিখিতসমূহ উপেক্ষা কৰা হয়।

- প্ৰত্যেক বছৰে তেওঁৰ অধিকাৰ ক্ষেত্ৰৰ ভিতৰত থকা প্ৰত্যেক বিদ্যালয়ৰ লগতে অঅনুদানপ্ৰাপ্ত ব্যক্তিগত বিদ্যালয়ৰ পৰিদৰ্শন কৰা।
- বিদ্যালয় গৃহ, আন্তঃগাঠনি আৰু ছাত্ৰ-ছাত্ৰীৰ আসন ব্যৱস্থাৰ অৱস্থা চোৱা
- পেয়পানীৰ, শৌচাগাৰৰ, পাকঘৰ ইত্যাদি য'ত মধ্যাহ্ন ভোজন ৰন্ধা হয় আদিৰ চাফ্‌চিকুণতা আৰু সুবিধাৰ ওপৰত বিশেষ মনোযোগ দিয়া।
- বিদ্যালয়ৰ শিক্ষক আৰু প্ৰধান শিক্ষকে বজাই ৰখা ৰেকৰ্ডসমূহ পৰ্যবেক্ষণ কৰা।
- প্ৰয়োজনীয় আৰু অনুভৱ কৰা দৰকাৰী বিষয়সমূহৰ ওপৰত DEO ক প্ৰতিক্ৰিয়া (Feedback) জনোৱা।
- জনসাংখ্যিক তথ্য, গাঁওৰ সংখ্যা, পঞ্চায়ত, গোট আবাসিক এলেকা, SC, ST, OBC ৰ বিদ্যালয়ৰ ল'ৰা আৰু ছোৱালী, বিদ্যালয়ৰ অন্তৰ্ভুক্ত আৰু বহিৰ্ভূত শিশু, বিশেষ প্ৰয়োজনৰ শিশু

ইত্যাদিসমূহৰ তথ্য যুগুতোৱা।

- বিদ্যালয়ৰ বয়সৰ শিশুসকলক সেৱা আগবঢ়োৱা NGO আৰু অন্যান্য অনুষ্ঠানসমূহৰ তথ্য যুগুতোৱা।

জিলা বাৰ্ষিক কৰ্ম পৰিকল্পনা আৰু বাজেট প্ৰস্তুতকৰণত ওপৰোক্ত সংগৃহীত খণ্ড শিক্ষা প্ৰফাইলে, তদাৰকী কাৰ্যৰ অংশ হিচাপে সেৱা আগবঢ়ায়।

আপোনাৰ অগ্ৰগতিৰ খতিয়ান লওঁক— ৫

(১) ৰাজহুৱা-ব্যক্তিগত অংশীদাৰিত্ব মানে কি বুজা? ই কিয় প্ৰয়োজনীয়?

..........................................................................................

..........................................................................................

..........................................................................................

(২) UEE ৰ লগত NGOৰ অংশগ্ৰহণক আপুনি কি ধৰণে বিবেচনা কৰে?

..........................................................................................

..........................................................................................

..........................................................................................

(৩) UEE ৰ বাবে কৰা ক্ষুদ্ৰ পৰিকল্পনাত DEO ৰ ভূমিকা কি?

..........................................................................................

..........................................................................................

..........................................................................................

### ৭.৪ প্ৰাথমিক শিক্ষাৰ পৰিচালনা আৰু শাসন ব্যৱস্থা ঃ

#### ৭.৪.১ শাসন সম্বন্ধীয় বিষয়সমূহ ঃ

UEE ৰ বিকেন্দ্ৰীভূত আঁচনিত, কিছুমান শাসন সম্বন্ধীয় বুনিয়াদী বিষয়ৰ আলোচনা কৰাটো দৰকাৰী। ছাত্ৰ-ছাত্ৰীৰ বিদ্যালয় ব্যৱস্থাত প্ৰৱেশ কৰাৰ অধিকাৰ বিষয়টো সুনিশ্চিত কৰাৰ বাবে এটা পদ্ধতিৰ স্থাপন জৰুৰী। এই পদ্ধতি যিমান সম্ভৱ খুব সাধাৰণ হ'ব লাগে যাতে প্ৰত্যেক বিদ্যালয়ৰে নামভৰ্তিৰ নীতি-নিয়ম প্ৰকাশত আৰু আবেদনকাৰী আৰু নামভৰ্তি কৰা ভঁৰালটোৰ তালিকা প্ৰস্তুত কৰি বাৰ্ষিক ৰিপোৰ্টৰ ফাইল প্ৰস্তুত কৰাত সহায় হয়। অৰ্থৰ আংশিক ৰোধ অথবা মান্যতা ইত্যাদি সমূহক মঞ্জুৰী দিয়াটোও গ্ৰহণ কৰিব লাগে। যদিহে বাচনিৰ অনুমতি দিয়া হয় তেনেহ'লে প্ৰাসংগিক ন্যায্য বিষয়ক, আইনগতভাৱে সম্বোধন কৰিব লাগে। এনেকুৱা প্ৰশ্ন থাকিব লাগে যে কেনেকৈ বাচনি (choice) প্ৰকাশ কৰা হ'ল, কেনেকৈ ছাত্ৰ-ছাত্ৰী বাচনি কৰা হ'ল আৰু সেই সমূহ ছাত্ৰ-ছাত্ৰীৰ কি হ'ল যিয়ে সিহঁতৰ পছন্দ/বাচনিমতে নাপালে। সামগ্ৰিকভাৱে এই সমগ্ৰ পদ্ধতিটোৱে এইটো সুনিশ্চিত কৰা

প্ৰয়োজন যে অতি কমেও এখন বিদ্যালয়ত  সকলো ছাত্ৰ-ছাত্ৰীকে গ্ৰহণ কৰা হয় কেৱল মাত্ৰ কাৰণপূৰ্ণভাৱে আৰু ন্যায়সংগত অৱস্থাৰ অধীনত। এই সম্বোধনৰ বিফলতাই, অসমান শৈক্ষিক সুবিধাৰ ফলাফল দৰ্শাই আৰু সংবিধানত দিয়া আশ্বাসসমূহ পূৰণ কৰাৰ ক্ষেত্ৰত বিফল হোৱা দৰ্শাই।

কিছুমান প্ৰয়োজনীয় শাসন সম্বন্ধীয় বিষয় হ'ল—

- যদিহে প্ৰাথমিক শিক্ষাৰ দায়িত্বত থকা স্থানীয় সত্তাসমূহক কেন্দ্ৰীয় চৰকাৰে অবিৰতভাৱে অৰ্থ যোগান ধৰি থাকে, তেতিয়াহ'লে এই অৰ্থ যোগান ধৰি থাকে, তেতিয়াহ'লে এই অৰ্থ যোগান ব্যৱস্থা যে নিৰাপদ আৰু অবিৰতভাৱে চলি থাকিব তাৰ ক্ষেত্ৰত স্থানীয় গোটসমূহে কেনেকৈ আশ্বাস পাব?
- কেনেকৈ বিভিন্ন স্থানীয় সভা/গোটসমূহক কেন্দ্ৰীয় সম্পদসমূহ আবণ্টন কৰা হ'ব?
- এই অৰ্থৰ ব্যৱহাৰৰ ক্ষেত্ৰত, স্থানীয় কৰ্তৃপক্ষই কেনে ধৰণৰ স্বাধীনতা প্ৰদান কৰা হ'ব?
- প্ৰাথমিক শিক্ষাক আৰ্থিক সহায় প্ৰদানৰ বাবে যদিহে স্থানীয় কৰ্তৃপক্ষই নিজেই নিজৰ অৰ্থৰ বাবে দায়ী, তেনেহ'লে তেওঁলোকে কি উৎসৰ সহায়ত ইয়াক টোকা কৰি ৰাখিব?
- যদিহে স্থানীয় কৰ্তৃপক্ষক কৰ আদায় শক্তি/অধিকাৰ দিয়া হয় তেনেহ'লে এই কৰভিত্তিক উৎপাদন, ৰাজহ আদায়ৰ উদ্দেশ্যেৰ যথেষ্টনে?
- কোনো স্থানীয় কৰ্তৃপক্ষৰ আৰ্থিক সংস্থান তত্ত্বাৱধান আৰু লেখা/হিচাপ পৰিদৰ্শন কৰিব?

**৭.৪.২ শিক্ষক নিযুক্তিকৰণ আৰু পৰিচালনা ঃ**

শিক্ষাৰ অধিকাৰ আইনে শিক্ষক কাৰ্যকৰ্তাসকলৰ পৰিচালনা, স্বীকৃতি প্ৰদান, ধাৰ কৰা, সংৰক্ষণ কৰা আদিক বিকেন্দ্ৰীকৰণ কৰাত উৎসাহ প্ৰদান কৰে আৰু শিক্ষকসকলৰ পদোন্নতি ইত্যাদি সমূহ বিবাদ বিষয়ক শক্তিশালী উৎস হিচাপে ধৰা হয় আৰু এই সমূহক আইনৰ ভিত্তিত সম্বোধন কৰিব লাগে। যেতিয়া আমি কওঁ যে UEE ক এক বৃহৎ আনুষ্ঠানিক সংশোধনীৰ প্ৰয়োজন। আমি তেতিয়া এই শাসন সম্বন্ধীয় বিষয়সমূহক দৰ্শাও। এই সকলো বিষয়ৰ যত্ন লোৱাকে এটা পদ্ধতি স্থাপন কৰাটো এটা সময়ব্যয় প্ৰক্ৰিয়া।

NCTE ৰ দ্বাৰা স্থাপিত স্বীকৃতিপ্ৰাপ্ত নীতিসমূহৰ লগত সংগত কৰা সকলো নীতি-নিয়মৰ ক্ষেত্ৰত, ৰাজ্যসমূহক নিজৰ নীতি-নিয়ম অনুসৰণ কৰাৰ বাবে স্বাধীন কৰি দিয়া হৈছে। স্থানীয় চৰকাৰ আৰু সম্প্ৰদায়ৰ নিৰ্বাচনী প্ৰক্ৰিয়াত সম্পূৰ্ণ অধিকাৰ আছে। কিন্তু মানদণ্ডৰ ক্ষেত্ৰত কোনো বুজাবুজি কৰা নহ'ব। শিক্ষাৰ অধিকাৰ আইনে ইয়াক বাধ্যতামূলক কৰি দিছিল যে, ৰাজ্যসমূহে এইটো সুনিশ্চিত কৰিব লাগিব যাতে তাত কোনো এজনীয়া শিক্ষকৰ বিদ্যালয় নাথাকে। ৫০ শতাংশ মহিলা শিক্ষক থকা ব্যৱস্থাটো কঠোৰভাৱে মানি চলিব লাগিব।

শিক্ষকৰ দৰমহাৰ ক্ষেত্ৰতো বহুতো বিভিন্নতা দেখা যায়। বেচৰকাৰী ব্যক্তিগত বিদ্যালয় আৰু NGO সমূহৰ উদ্যোক্তাই এই বিষয়টোক আৰু অধিক জটিল কৰি তুলিছে। বৰ্তমানৰ শিক্ষকসকলৰ দৰমহাৰ নিৰিখটো এক চিন্তনীয় বিষয় হৈ পৰিছে।

**৭.৪.৩ বিদ্যালয় পৰিচালনা সমিতিৰ ভূমিকা ঃ**

বিদ্যালয় শাসন ব্যৱস্থাত বিদ্যালয় পৰিচালনা সমিতিয়ে গুণগত শিক্ষা প্ৰদানত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। বিভিন্ন হিতাধিকাৰীসকলৰ প্ৰতিনিধিসমূহক একেলগ কৰি, বিদ্যালয় পৰিচালনা সমিতিয়ে অংশীদাৰী সিদ্ধান্ত গ্ৰহণ আৰু বহল প্ৰসাৰৰ ক্ষেত্ৰত, এক সুদৃঢ় ভেটি স্থাপন কৰে।

অঅনুদানপ্ৰাপ্ত বিদ্যালয়ৰ বাহিৰে, সকলো বিদ্যালয়তে, স্বীকৃতি লাভ কৰা তাৰিখৰ ছয় মাহৰ ভিতৰত, বিদ্যালয় পৰিচালনা সমিতি গঠন কৰিব লাগিব আৰু প্ৰতি দুবছৰৰ মূলত এই সমিতিৰ পুনঃগঠন কৰিব লাগিব।

- এই সমিতিৰ ৭৫% শক্তি পিতৃ-মাতৃ আৰু অভিভাৱকৰ পৰা গঠিত হ'ব লাগিব।
- ২৫% শক্তি তলত উল্লেখিত ব্যক্তিসমূহৰ পৰা গঠিত হ'ব লাগিব— ১/৩ সদস্য, স্থানীয় কৰ্তৃপক্ষৰ সিদ্ধান্তৰ ওপৰত ভিত্তি কৰি, স্থানীয় কৰ্তৃপক্ষৰ সদস্যৰ পৰা নিৰ্বাচিত হ'ব লাগিব।

— ১/৩ সদস্য, বিদ্যালয়ৰ শিক্ষকসকলৰ সিদ্ধান্তৰ ওপৰত ভিত্তি কৰি, বিদ্যালয়ৰ শিক্ষকসকলৰ মাজৰ পৰা নিৰ্বাচিত হ'ব লাগিব।

— বাকী থকা ১/৩ সদস্য, সমিতিত থকা পিতৃ-মাতৃৰ সিদ্ধান্তৰ ওপৰত ভিত্তি কৰি, স্থানীয় শিক্ষাবিদ/বিদ্যালয়ৰ শিশুসকলৰ মাজৰ পৰা নিৰ্বাচিত হ'ব লাগিব।

— শিশুৰ অধিকাৰৰ সুৰক্ষা/নিৰাপত্তা

ইতিমধ্যে গোট ৩ শিশু অধিকাৰসমূহ বহলাই আলোচনা কৰা হৈছে, কেৱল পুনৰাবৃত্তিৰ বাবে এই শিশুৰ অধিকাৰসমূহ দিয়া হৈছে, কেৱল পুনৰাবৃত্তিৰ বাবে এই শিশুৰ অধিকাৰসমূহ দিয়া হৈছে য'ত অধিকাৰসমূহ এনে ধৰণৰ—

— জীয়াই থকাৰ

— পৰিয়ালৰ

— ভাব প্ৰদৰ্শন কৰাৰ স্বাধীনতা

— স্বাস্থ্য আৰু বিকাশৰ

— নিৰ্যাতন আৰু শোষণৰ পৰা নিৰাপত্তা

— শিক্ষা লাভৰ সমান সুবিধা/সুযোগ

— মৰ্যাদা আৰু সন্মানৰ

— সংস্কৃতি আৰু ঐতিহ্যৰ

— বুনিয়াদী ন্যূনতম আন্তঃগাঠনিৰ যেনে ঃ ঘৰ, শৌচাগাৰ, খোৱাপানীৰ, উজ্জ্বল শ্ৰেণীকোঠাৰ।

— কিতাপ-পত্ৰ, ব্লেকবোৰ্ড, বিজ্ঞান গৱেষণাগাৰৰ সামগ্ৰী, শিক্ষকৰ

— সুবিধাৰ যেনে ঃ বিনামূলীয়া ইউনিফৰ্ম, কিতাপপত্ৰ, মধ্যাহ্ন ভোজন

— গুণগত শিক্ষা লাভৰ

— মনোৰঞ্জন আৰু জিৰণিৰ অধিকাৰ

শিক্ষাৰ অধিকাৰ আইনৰ আধাৰত পোনপ্ৰথম পৰ্যায়ত শিশুৰ অধিকাৰৰ নিৰাপত্তাৰ মুখ্য দায়িত্ব শিক্ষক, প্ৰধান শিক্ষক আৰু বিদ্যালয় পৰিচালনা সমিতিৰ ওপৰত আৰোপ কৰা হৈছে।

– SMC ৰ দ্বাৰা বিদ্যালয় বিকাশ পৰিকল্পনা প্ৰস্তুত কৰা

বিত্তীয় বৰ্ষৰ শেষৰ ফালে, SMC এ অতি কমেও তিনিমাহ আগত বিদ্যালয় বিকাশ পৰিকল্পনা প্ৰস্তুত কৰিব লাগে। বিদ্যালয় বিকাশ পৰিকল্পনা, তিনিখন উপ বাৰ্ষিক পৰিকল্পনাৰ সৈতে গঠিত এখন তিনি বছৰীয়া পৰিকল্পনা। বিদ্যালয় বিকাশ পৰিকল্পনাত এই তথ্যসমূহ সন্নিৱিষ্ট থকাটো দৰকাৰ— প্ৰত্যেক বছৰত শ্ৰেণী অনুযায়ী হোৱা নামভৰ্তিৰ অনুমান, প্ৰস্তুতিত স্বীকৃতিপ্ৰাপ্ত নিয়ম অনুযায়ী, প্ৰথম শ্ৰেণীৰ পৰা পঞ্চম শ্ৰেণীলৈ আৰু ষষ্ঠ শ্ৰেণীৰ পৰা অষ্টমমানলৈ পৃথককৈ অতিৰিক্ত শিক্ষকৰ নিয়োগ, য'ত প্ৰধান শিক্ষক, বিষয় শিক্ষক আৰু আংশিক সময়ৰ শিক্ষক ইত্যাদিৰ প্ৰয়োজন পূৰণ কৰা হ'ব। এই ক্ষেত্ৰত প্ৰস্তাৱিত স্বীকৃতিপ্ৰাপ্ত নীতি আৰু মান্যতাৰ ভিত্তিত অতিৰিক্ত আন্তঃগাঁথনি আৰু সামগ্ৰীসমূহ তিনি বছৰৰ বাবে প্ৰয়োজন হোৱাকে সাঙুৰি লোৱা হ'ব। এই বিকাশ পৰিকল্পনাত, অতিৰিক্ত বিত্তীয় প্ৰয়োজন, শিক্ষকৰ বিশেষ প্ৰশিক্ষণ, শিশুৰ প্ৰয়োজন যেনে বিনামূলীয়া পাঠ্যপুথি, ইউনিফৰ্ম, কৰ্মপুথি ইত্যাদি সমূহক সাঙুৰি তিনি বছৰৰ বাবে অতিৰিক্ত বাৰ্ষিক প্ৰয়োজনসমূহ, বছৰ অনুযায়ী গণনা কৰা হ'ব আৰু ইয়াক পৰিকল্পনাখনত স্পষ্টকৈ উল্লেখ থাকিব।

— SMC ৰ লগতে প্ৰাসংগিক চৰকাৰী বিভাগসমূহৰ ভূমিকা ঃ

শিক্ষাৰ অধিকাৰ আইনে বাধ্যতামূলক কৰিছে যে সকলো শিশু বিদ্যালয়ত থাকিব লাগিব ঃ এই অনুমানে এইটো দৰ্শাই যে শিশু শ্ৰমক বহিষ্কাৰ কৰা হৈছে। শিক্ষাৰ অধিকাৰ আইনৰ অন্তৰ্ভূক্তি শিক্ষাই ইয়াকো বাধ্যতামূলক কৰিছে যে SMC এ, SC ST আৰু শৈক্ষিকভাৱে পিছপৰা শিশুসকলৰ লগত জড়িত বিভাগ আৰু অনুষ্ঠানসমূহৰ লগত এক গতিশীল অংশীদাৰিত্ব বজাই ৰখাটো দৰকাৰ যাতে এই শিশুসকলে সকলো সুবিধা লাভ কৰাটো সুনিশ্চিত কৰিব পাৰি। SMC এ অক্ষম শিশুসকলক নিয়ন্ত্ৰণত ৰাখিবৰ বাবে, বিভিন্ন চৰকাৰী বিভাগৰ লগত কাম কৰিব লাগে যাতে বিশেষ প্ৰয়োজনৰ শিশুসকলক সমান সুবিধা প্ৰদান কৰা বিষয়টো সুনিশ্চিত কৰিব পাৰি।

SMC এ চৰকাৰৰ গ্ৰাম্য বিকাশ আৰু পঞ্চায়তীৰাজ বিভাগসমূহৰ লগতো কাম কৰিব লাগে যাতে দৰিদ্ৰতা হ্ৰাস কৰাৰ বাবে তৈয়াৰী আঁচনিসমূহক এক গতি প্ৰদান কৰিব পাৰি যাতে শিশুসকলক কাম আৰু হাজিৰা/বেতন উপাৰ্জন কৰা বোজাৰ পৰা মুক্ত কৰিব পাৰি আৰু সিহঁতক বিদ্যালয়ত উপস্থিত থকাৰ ক্ষেত্ৰত সহায় কৰিব পাৰি। আৰু শিক্ষাৰ অধিকাৰ আইনৰ অধীনত এইটো সুনিশ্চিত কৰা যে পঞ্চায়তীৰাজ অনুষ্ঠানসমূহ এইক্ষেত্ৰত সম্পূৰ্ণকৈ জড়িত আৰু সিহঁতে নিজৰ কৰ্ম প্ৰদৰ্শন কৰি আছে।

শিশুৰ অধিকাৰ সুৰক্ষা প্ৰদানে, কৰ্পোৰেল শাস্তি, নিৰ্যাতন আৰু পৰা নিৰাপত্তা প্ৰদানক সাঙুৰি লয়। সেয়েহে SMC ৰ শিশুৰ অধিকাৰ সুৰক্ষাৰ বাবে ৰাষ্ট্ৰীয়/ৰাজ্যিক আয়োগ আৰু মহিলা আৰু শিশু

বিকাশৰ ৰাজ্যিক বিভাগসমূহৰ লগত নিকট সহায়-সহযোগিতা থাকিব লাগে যাতে এইটো সুনিশ্চিত কৰিব পাৰি শিশুসকল নিৰ্যাতনৰ পৰা সুৰক্ষিত।

আপোনাৰ অগ্ৰগতিৰ খতিয়ান লওঁক— ৬

(১) বিদ্যালয়ত শিশুৰ অধিকাৰসমূহ নিৰাপত্তা প্ৰদান কৰাৰ বাবে কোন দায়ী?

(২) শিক্ষাৰ অধিকাৰ আইনৰ পৰামৰ্শমতে বিদ্যালয় পৰিচালনা সমিতিৰ সদস্যতাৰ গঠন কেনেকৈ হ'ব লাগে?

(৩) বিদ্যালয় পৰিচালনা সমিতিৰ দায়িত্বসমূহ কি কি?

(৪) শিশুৰ অধিকাৰক সুৰক্ষা প্ৰদানৰ বাবে বিদ্যালয় পৰিচালনা সমিতিয়ে কোন কোন চৰকাৰী বিভাগৰ লগত একেলগে কাম কৰিব লাগে?

**৭.৫ বিদ্যালয় পৰিচালনা তথা শিক্ষাৰ অধিকাৰ আইন ২০০৯ ঃ**

শিক্ষাৰ অধিকাৰ আইন ২০০৯ ৰ মতে, বিদ্যালয়ৰ UEE ৰ ক্ষেত্ৰত কিছু নিৰ্দিষ্ট দায়িত্ব আছে। অন্যান্য স্থাপিত বিদ্যালয়ৰ বাহিৰে, প্ৰত্যেক বিদ্যালয়, যি সমূহ ৰাজ্য চৰকাৰ অথবা স্থানীয় কৰ্তৃপক্ষৰ অধীনত বা নিয়ন্ত্ৰণাধীন, যিসমূহ এই আইন বলবৎ হোৱাৰ আগতে স্থাপিত হৈছিল, সেই সমূহে এই আইন বলবৎ হোৱাৰ তিনি মাহৰ ভিতৰত ফৰ্ম নং ১ ৰ দ্বাৰা এটা স্বঃবিবৃতি, সেই জিলাৰ শিক্ষা বিষয়াক, নিম্নলিখিত নিয়ম, মান আৰু অৱস্থা দৰ্শাই প্ৰদান কৰিব লাগে। যেনে—

(ক) বিদ্যালয়খন সমাজ পঞ্জীকৰণ আইন ১৮৬০ ৰ অধীনত, এখন পঞ্জীকৃত সমাজৰ দ্বাৰা পৰিচালিত হৈ আছে আইনৰ অধীনত গঠিত এখন ৰাজহুৱা ট্ৰাষ্টৰ দ্বাৰা পৰিচালিত হৈ আছে।

(খ) বিদ্যালয়খন, কোনো ব্যক্তি, দল বা ব্যক্তিসংগঠন বাবে কোনো অন্যান্য ব্যক্তিৰ লাভালাভৰ বাবে পৰিচালিত নহয়।

(গ) বিদ্যালয়খনে, সংবিধানত থকা মূল্যসমূহক সমান গুৰুত্ব প্ৰদান কৰে।

(ঘ) বিদ্যালয় গৃহ অথবা অন্যান্য গাঁথনি অথবা মাটিখিনি কেৱল শিক্ষাৰ উদ্দেশ্যে আৰু কৌশল বিকাশত ব্যৱহাৰ কৰা হয়।

(ঙ) বিদ্যালয়খন, যিকোনো ৰাজ্য চৰকাৰৰ/স্থানীয় কৰ্তৃপক্ষৰ অধিকৃত বিষয়াৰ দ্বাৰা, পৰিদৰ্শন কৰাৰ বাবে সদায় ইচ্ছুক/আগ্ৰহী।

(চ) বিদ্যালয়খনত প্ৰয়োজনীয় নীতি নিয়মৰ আধাৰত সকলো প্ৰয়োজনীয় আন্তঃগাঁথনি মজুত আছে।

(ছ) বিদ্যালয়খনে স্বীকৃতিপ্ৰাপ্তিৰ সকলো চৰ্ত পৰিপূৰ্ণ কৰিব অথবা বিদ্যালয় কাৰ্যত থকা অভাৱসমূহ আঁতৰাবৰ বাবে প্ৰয়োজনীয় সকলো ৰিপোৰ্ট আৰু তথ্য সময়ে সময়ে DEO বা যোগান ধৰে আৰু লগতে ৰাজ্য চৰকাৰ/স্থানীয় কৰ্তৃপক্ষক নিৰ্দেশ অনুযায়ী অৱগত কৰে।

স্বীকৃতিপ্ৰাপ্তিৰ উদ্দেশ্যে, খচৰা আৰ্হি নীতিৰ অধীনত অংশ IV, খণ্ড (১,২,৩) ৰ মতে এখন

চৰকাৰী, অঅনুদানপ্ৰাপ্ত ব্যক্তিগত বিদ্যালয়ে সমাজৰ দুৰ্বল শ্ৰেণী আৰু বঞ্চিত শ্ৰেণী শিশুসকলক নামভৰ্তি কৰাব লাগিব। এনে কাৰ্যৰ পৰা বিৰত থাকিলে সাৱধানবাণী/স্বীকৃতি প্ৰত্যাহাৰ কৰা হ'ব। আৰু এনে শিশুসকলক শ্ৰেণীকোঠাৰ আন আন শিশুৰ পৰা পৃথক কৰা নহ'ব অথবা আন আন শিশুসকলৰ বাবে থকা শ্ৰেণীকোঠাৰ ঠাই আৰু সময়ৰ পৰা এই শিশুসকলৰ শ্ৰেণীকোঠাৰ ঠাই আৰু সময় পৃথক কৰা নহ'ব।

সুবিধা গ্ৰহণৰ ক্ষেত্ৰত যেনে ঃ পাঠ্যপুথি, ইউনিফৰ্ম, পুথিভঁড়াল, তথ্য আৰু প্ৰযুক্তিবিদ্যাৰ সুবিধা, সহ পাঠ্যক্ৰমক আৰু খেল-ধেমালি ইত্যাদিৰ ক্ষেত্ৰত, যিকোনো পৰিস্থিতিতেই এই শিশুসকলক আন আন শিশুসকলৰ পৰা পক্ষপাত/বিভেদ কৰিব নোৱাৰি।

NCTE, NCERT আৰু SCERT এ আগবঢ়োৱা পৰামৰ্শ অনুযায়ী বিদ্যালয়ে কেৱল যোগ্য প্ৰশিক্ষিত শিক্ষককহে নিযুক্তি দিয়াটো প্ৰয়োজনীয় প্ৰশিক্ষিত শিক্ষক নিযুক্তিৰ পৰা বিৰত থাকিলে, বিদ্যালয়ৰ স্বীকৃতি প্ৰত্যাহাৰো কৰা হ'ব পাৰে। য'ত এখন ৰাজ্যত শিক্ষক শিক্ষা পাঠ্যক্ৰম প্ৰদান কৰা অনুষ্ঠান যথেষ্ট নাই, অথবা ন্যূনতম যোগ্যতা থকা ব্যক্তিৰ উপস্থিতি কম। যি অনুমানিত, প্ৰয়োজনীয় শিক্ষকৰ পৰিমাণৰ বাবে যথেষ্ট নহয় সেই ৰাজ্যই, শিক্ষাৰ অধিকাৰ আইন বলবৎ হোৱাৰ এক বছৰৰ ভিতৰত কেন্দ্ৰীয় চৰকাৰক, পৰামৰ্শিত ন্যূনতম যোগ্যতাৰ ক্ষেত্ৰত ৰেহাই দিয়াৰ বাবে অনুৰোধ কৰিব পাৰে। ভাৰত চৰকাৰে এই ক্ষেত্ৰত এক জাননীৰ দ্বাৰা ৰেহাইৰ বৈশিষ্ট্য দৰ্শাই আৰু সময় নিৰ্দ্ধাৰণ কৰি ন্যূনতম যোগ্যতাৰ ৰেহাই, তিনি বছৰৰ ভিতৰত কৰি দিব পাৰে কিন্তু ই শিক্ষাৰ অধিকাৰ আইন বলবৎ হোৱাৰ ৫ বছৰতকৈ বেছি হ'ব নোৱাৰে। এই সময়ছোৱাৰ ভিতৰত শিক্ষকসকলে যিসকল ৰেহাই চৰ্তত নিযুক্তি লাভ কৰিছিল সেই সকলে শিক্ষা কৰ্তৃপক্ষই নিৰ্দ্ধাৰিত কৰা যোগ্যতাৰ ন্যূনতম মানদণ্ড লাভ কৰিব লাগিব। RTE আইন বলবৎ হোৱাৰ ছয় মাহৰ ভিতৰত নিযুক্তিপ্ৰাপ্ত এজন শিক্ষকৰ অতি কমেও বা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰমাণ-পত্ৰকে কম নোহোৱা অথবা সমান শিক্ষা যোগ্যতা থকাটো দৰকাৰ। শিক্ষাৰ অধিকাৰ আইন বলবৎ হোৱাৰ সময়ত এজন শিক্ষক যাৰ ন্যূনতম শিক্ষাগত যোগ্যতা নাই তাক তেনে বিদ্যালয়ৰ পৰিচালনা সমিতিয়ে, RTE আইন বলবৎ হোৱাৰ পৰা ৫ বছৰৰ ভিতৰত, সেই শিক্ষাগত যোগ্যতা অৰ্জনত সহায় কৰিব।

**আপোনাৰ অগ্ৰগতিৰ খতিয়ান লওঁক-৭**

১। শিক্ষাৰ অধিকাৰ আইন বলবৎ হোৱাৰ পিছত, এখন ব্যক্তিগত অনুদানপ্ৰাপ্ত বিদ্যালয়ৰ স্বীকৃতিপ্ৰাপ্তৰ বাবে থকা চৰ্তাৱলীসমূহ কি কি?

.......................................................................................................

.......................................................................................................

.......................................................................................................

২। কিয় এখন ব্যক্তিগত অ-অনুদানপ্ৰাপ্ত বিদ্যালয়ে, সমাজৰ বঞ্চিত শ্ৰেণীৰ শিশুসকলক নামভৰ্তি কৰাব লাগে?

.................................................................................................

.................................................................................................

.................................................................................................

৩। এখন বিদ্যালয়ৰ পৰা এটা শিশুক নামভৰ্তিৰ ক্ষেত্ৰত বঞ্চিত কৰিব পাৰি নেকি?

.................................................................................................

.................................................................................................

.................................................................................................

৪। কিয় এখন বিদ্যালয়ৰ দ্বাৰা কেৱল প্ৰশিক্ষিত/যোগ্য শিক্ষকহে নিযুক্তি দিব লাগে।

.................................................................................................

.................................................................................................

.................................................................................................

**৭.৬ সু-পৰিচালনা আৰু দক্ষতা নিৰ্মাণৰ বাবে নেটৱৰ্কিং ঃ**

ৰাষ্ট্ৰসংঘৰ বিকাশ আচনিৰ (UN Development Programme UNDP) মতে দক্ষতা/সামৰ্থতা হৈছে— কাৰ্য কৰা, সমস্যা সমাধান আৰু প্ৰবাহিত ধাৰা অনুযায়ী নিৰ্দ্ধাৰিত উদ্দেশ্যসমূহত উপনীত হোৱাৰ বাবে থকা এজন ব্যক্তি, অনুষ্ঠান আৰু সমাজৰ এটা সামৰ্থতা। দক্ষতা নিৰ্মাণ আৰু দক্ষতা বিকাশে, মানুহ আৰু আনুষ্ঠানিক স্থাপন কৰা কাৰ্যক সূচায়।



আন্তঃৰাষ্ট্ৰীয় NGO প্ৰশিক্ষণ আৰু INTRAC প্ৰশিক্ষণ (a) গৱেষণা কেন্দ্ৰ

এই ক্ষেত্ৰত বিকশিত দেশসমূহৰ বিশেষকৈ প্ৰাসংগিক প্ৰশিক্ষণসমূহৰ উদাহৰণ দিব পাৰি, যিয়ে পানী, কৃষি, পুষ্টি আৰু স্বাস্থ্যৰ ক্ষেত্ৰক সাঙুৰি, সাম্প্ৰদায়িক কৰ্মীসমূহক প্ৰশিক্ষণ দিয়ে।

ব্যক্তিগত অনুষ্ঠান যেনে— স্থানীয় সম্প্ৰদায়ৰ কৰ্মী আদি সমূহ দক্ষতা নিৰ্মাণ প্ৰগ্ৰেমৰ, মূল গুৰি ধৰোতা। তথাপিও কেতিয়াবা তেওঁলোকৰ নিজৰেই অভিযান বৰ্তি ৰখাত দক্ষতাৰ অভাৱ পৰিলক্ষিত হয়। আন্তঃপৰিচালনা গাঁঠনিৰ উন্নীতকৰণ, তথ্য আৰু প্ৰযুক্তিবিদ্যাৰ সুগমতা আৰু নেটৱৰ্কিং/জালি ইত্যাদিসমূহ আনুষ্ঠানিক দক্ষতা নিৰ্মাণৰ যৌথ প্ৰচেষ্টা।

**৭.৬.১ UEEৰ পৰিচালনাৰ বাবে তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যা ঃ**

UEEৰ সু-প্ৰচাৰৰ বাবে, তথ্য আৰু প্ৰযুক্তিবিদ্যাৰ, কাৰিকৰী তথা প্ৰযুক্তিবিদ্যাসমূহ, যোগাযোগ আৰু সৃষ্টি, ভড়াল, পৰিচালনা, বিতৰণ আৰু তথ্য ব্যৱহাৰৰ বাবে ব্যৱহাৰ কৰা হয়। বিশেষকৈ বিদ্যালয়নেটৰ বাবে ব্যৱহাৰকাৰীৰ যোগাযোগ, সমন্বয় তথ্যৰ আদান-প্ৰদান অনলাইন যোগে কৰাৰ দক্ষতা থাকিব লাগে। এই ক্ষেত্ৰত তথ্য আৰু প্ৰযুক্তিবিদ্যাই বিশেষকৈ নিম্নোক্তসমূহক দৰ্শাই কম্পিউটাৰ, কম্পিউটাৰ নেটৱৰ্কচ, ইণ্টাৰনেট, টেলিফোন, দূৰদৰ্শন, অঁনাতাৰ, শ্ৰব্য-দৃশ্য সামগ্ৰী আৰু নেটৱৰ্ক হিচাপে ব্যৱহাৰ আন আন সঁজুলি বা ইণ্টাৰনেট সুগমতা সঁজুলি (যেনেঃ PDA, ব্যক্তিগত ডিজিটেল সহায়কাৰী বৈদ্যুতিক সঁজুলিসমূহ আৰু মোবাইল ফোন) যিসমূহৰ, তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ নেটৱৰ্ক ব্যৱহাৰ কৰা সহজ-সাধ্যতা আছে সেইসমূহ ইয়াত সম্পূৰ্ণৰূপে অংশগ্ৰহণ কৰিব পাৰে, কিন্তু যিসকলৰ এই সুবিধাৰ সমল কিছু পৰিমাণ কম তেওঁলোকৰ বাবে ই সহজসাধ্য নহয়। আৰু এইটো প্ৰায়ে ধৰা হয় যে তথ্য আৰু প্ৰযুক্তিবিদ্যাৰ আন্তঃগাঠনি আৰু সা-সজুলিসমূহ সহজলভ্য। এই তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ সুগমতাৰ পাৰ্থক্যই "ডিজিটেল বিভক্ত"ৰূপে প্ৰায়ে পৰিগণিত হয়। তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ তিনিজন পৰিচালক হ'ল ভাষা (language) {ইণ্টাৰনেটত ব্যৱহৃত ভাষাসমূহৰ ব্যৱহাৰৰ সামৰ্থতা}, সাক্ষৰতা (literacy) {পঠনৰ বিশেষ দক্ষতা} আৰু শিক্ষণ (শিক্ষনীয় উপভোগৰ স্তৰ)। জ্ঞানৰ সমাজ সৃষ্টি, অৰ্থনৈতিক বিকাশ আৰু উন্নতিৰ উপাদান গঢ় দিয়াৰ বাবে, শিক্ষাক আটাইতকৈ প্ৰয়োজনীয় উপাদান হিচাপে ধৰা হয়। শিক্ষা কেৱল এইটোৱে নহয় যে ইয়াৰ দ্বাৰা এজন ব্যক্তি সমাজৰ আৰু অৰ্থনীতিৰ কৌশলপূৰ্ণ অংশীদাৰ হয়, ইয়াৰ বাহিৰেও শিক্ষা তথ্য আৰু প্ৰযুক্তিবিদ্যাৰ ব্যৱহাৰৰ সম্প্ৰসাৰণৰ মূল চাবিকাঠি। তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাই, প্ৰায়ভাগ জ্ঞান বিতৰণ আৰু অধিক জ্ঞানৰ সৃষ্টিৰ ক্ষেত্ৰত, এক পৰিৱেশৰ নিৰ্মাণ কৰে, যিহেতু এই তথ্যৰ বিতৰণ ব্যৱস্থা লাহে লাহে বাঢ়ি গৈছে।

UEEৰ অন্তৰ্ভুক্তিকৰণ ক্ষেত্ৰত পৰিলক্ষিত হোৱা অধিক সম্প্ৰসাৰণক আৰু বিকেন্দ্ৰীভুক্ত শিক্ষা ব্যৱস্থাক লক্ষ্য কৰিয়েই, শিক্ষা ব্যৱস্থাত থকা সাংগঠনিক অসুবিধা আৰু অভাৱসমূহক সম্বোধন কৰাটো প্ৰয়োজনীয় হৈ পৰিছে। কিছুমান বিশেষ ক্ষেত্ৰত কম হৈ থকা, প্ৰশাসনিক আৰু শিকনীয় যোগ্যতা বৃদ্ধিৰ বাবে তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ ব্যৱহাৰ অপৰিহাৰ্য হৈ পৰিছে (যেনেঃ পাঠ্যপুথি, শিক্ষক আৰু অন্যান্য সমৰ্থিত সামগ্ৰী) অথবা ন্যায় বিষয়ক ব্যৱস্থাক সম্বোধন কৰা অথবা সেইসকল শিক্ষকক সমৰ্থন কৰা যিসকলে নতুন শিকনীয় কৌশলৰ লগত লেনদেন কৰাত অসামৰ্থ, তেওঁলোকৰ বাবেও তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ ব্যৱহাৰ অপৰিহাৰ্য।

### ৭.৬.২ বিদ্যালয় নেট (NET) কি?

তথ্যৰ লগতে সম্পদৰ আদান-প্ৰদানৰ বাবে বিদ্যালয়সমূহক ইণ্টাৰনেট, সম্পৰ্ক নিৰ্মাণ, ছাত্ৰ-ছাত্ৰী, শিক্ষকসকল, বিদ্যালয়, প্ৰশাসনীয় সংস্থাসমূহ, পিতৃ-মাতৃ সৰ্বসাধাৰণ ৰাইজ আদিৰ মাজত সম্পৰ্ক ঘটোৱাত আৰু প্ৰাথমিক শিক্ষাৰ তথ্য ব্যৱস্থাৰ পৰিচালনা বিকাশৰ বাবে, বিদ্যালয় নেটে সহায় কৰে। বিদ্যালয় নেটে জালিসমন্বিত শৈক্ষিক অনুষ্ঠানসমূহৰ প্ৰভাৱশালী আৰু যোগ্য পৰিচালনাৰ বাবে সমৰ্থন বা সহায় আগবঢ়ায়। বিভিন্ন শৈক্ষিক কৰ্তৃপক্ষ, বিদ্যালয়, শিক্ষক, পিতৃ-মাতৃ, সম্প্ৰদায় আৰু বহল শৈক্ষিক সম্পদসমূহৰ জালি সমন্বিত ব্যৱস্থাকে, বিদ্যালয় নেট বোলা হয়। বিদ্যালয় নেট শব্দটো আন্তৰাষ্ট্ৰীয়ভাৱে স্বীকৃতিপ্ৰাপ্ত এটা বৰ্গীয় (Generic) নাম যিয়ে তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যা ভিত্তিক বিদ্যালয় শৈক্ষিক প্ৰশাসনীয় ব্যৱস্থাক e-পৰিচালনা কৰাটো সূচায়।

সাংগঠনিকভাৱে, বিদ্যালয় নেটৰ এক বহলভিত্তিক আকাৰ আছে। বিদ্যালয় নেট এখন এনেকুৱা অনুষ্ঠান হ'ব পাৰে যি এটা চৰকাৰী বিভাগ, এটা বেচৰকাৰী সংস্থা, এটা ব্যক্তিগত কোম্পানী অথবা এখন স্কুলত থাকিব পাৰে। ই সকলো হিতাধিকাৰীৰ বাবে UEEৰ তথ্য আহৰণত সহায় কৰে। লাগে ই পৃথিৱীৰ য'তেই নাথাকক কিয়। বিদ্যালয় নেটক এটা ৰাষ্ট্ৰীয়/ৰাজ্যিক অনুষ্ঠান হিচাপে বুজিব পাৰি যিয়ে বিদ্যালয়সমূহত তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ ব্যৱহাৰৰ বিকাশ আৰু সমৰ্থনক, লক্ষ্য হিচাপে লয়। বিদ্যালয় নেটে অসমান বিদ্যালয়সমূহক একত্ৰিত কৰে আৰু শৈক্ষিক তথ্য পদ্ধতিক পৰিচালনা কৰাৰ বাবে এটা ভেটি স্থাপন কৰে আৰু লগতে প্ৰভাৱশালী শৈক্ষিক সেৱা আগবঢ়োৱাৰ বাবে এটা তথ্যভিত্তিৰ (database) যোগান ধৰে।

### ৭.৬.৩ বিদ্যালয় নেটৰ কাৰ্যসমূহ ঃ

বিদ্যালয় নেটে যোগান ধৰা কিছুমান কাৰ্য আৰু সেৱা এনে ধৰণৰ ঃ

প্ৰযুক্তিবিদ্যাৰ সেৱা

• ইণ্টাৰনেট সেৱা যোগানৰ মাধ্যমেৰে বিদ্যালয়সমূহক, চৰকাৰী কৰ্তৃপক্ষক, সাধাৰণ জনতাক আৰু বিভিন্ন সংস্থা/পদ্ধতিৰ মাজত অংশীদাৰীত্বৰ বাবে এক যোগাযোগ সেৱা হিচাপে কাম কৰে।

• বিদ্যালয়সমূহক যথেষ্ট সা-সঁজুলিৰ যোগান ধৰা। (চৰকাৰী অৰ্থৰ ভিত্তিত কিনা, কৰ্পোৰেট অথবা দান সহায়ৰ জৰিয়তে অথবা বৰঙণিৰ জৰিয়তে)।

• বিদ্যালয়সমূহত শিক্ষা প্ৰদানৰ পৰিচালনাৰ বাবে সুযোগ্য চফটওৱেৰ (Software) সমাধান বিকাশ কৰা।

বিষয় সেৱা (Content services)

• সুযোগ্য ইণ্টাৰনেট বিষয়সূচীৰ বাবে, প্ৰত্যক্ষ প্ৰশাসকসকলৰ বাবে, শিক্ষকসকলৰ বাবে আৰু শিক্ষাৰ্থীৰ বাবে পৰ্টেল চাইট (Portal sites) মুকলি কৰা। (সু-সংগঠিত আৰু বিচাৰযোগ্য)

• স্থানীয়ভাৱে বিকাশ কৰা অনলাইন বিষয়সূচী

• বৃত্তিগত পৰ্যায়ত (বিষয় বিশেষজ্ঞৰ দ্বাৰা বিকশিত) অথবা নিম্ন পৰ্যায়ত (অভ্যাসকাৰী শিক্ষকৰ

দ্বাৰা অৰদান), বিষয়সূচীৰ বিকাশ।

সমন্বয় প্ৰকল্প (Collaboralive Projects)

- অনলাইন প্ৰকল্পসমূহত বিভিন্ন সম্পদ কেন্দ্ৰসমূহৰ অন্তৰ্ভুক্তি আৰু সমন্বয়ৰ সুবিধা প্ৰদান কৰা।
- প্ৰকৃত প্ৰকল্পৰূপে অথবা স্থানীয় আন্তৰাষ্ট্ৰীয় প্ৰকল্প হিচাপে, দেশ পৰ্যায়ত, সমন্বয় প্ৰকল্পসমূহৰ আৰ্হি বনোৱা আৰু পৰিচালনা কৰা।

বৃত্তিগত বিকাশ (Professional Development)

- তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ কৌশল আৰু শিকন-শিক্ষণ প্ৰক্ৰিয়াত ইয়াৰ ব্যৱহাৰ সম্পৰ্কে সেৱাকালীন প্ৰশিক্ষণ আগবঢ়োৱা। (পাঠ্যক্ৰম একত্ৰিতকৰণ)

পৰীক্ষা-নিৰীক্ষা, উদ্ভাৱন আৰু ওকালতি (Experimentation, innovation আৰু advocacy)

- পৰিৱেশ আৰু ইয়াৰ অৱস্থানৰ পৰিসৰভিত্তিক, খচৰা প্ৰকল্পৰ আয়োজন কৰা।
- আটাইতকৈ ভাল ব্যৱহপোযোগ্য নিৰ্দেশনাৱলীৰ বিকাশ আৰু বিতৰণ।
- বিভিন্ন পৰ্যায়ত খচৰা প্ৰকল্প আৰু উপযোগী জ্ঞানৰ অভিজ্ঞতাৰ সৈতে নীতি-নিয়ম সাল-সলনিৰ ক্ষেত্ৰত ওকালতি কৰা।
- অভিনৱ শৈক্ষিক প্ৰযুক্তিবিদ্যাৰ প্ৰয়োগৰ ক্ষেত্ৰত সমৰ্থন আগবঢ়োৱা।

বিদ্যালয় সম্পদৰ পৰিচালনা

- সিদ্ধান্ত গ্ৰহণৰ (Decision making) ক্ষেত্ৰত তথ্য সমৰ্থন আগবঢ়োৱা
- নীতি প্ৰস্তুতকৰণৰ (Policy making) ক্ষেত্ৰত তথ্য সমৰ্থন আগবঢ়োৱা

### ৭.৬.৪ শিক্ষা পৰিচালনা তথ্য ব্যৱস্থা হিচাপে বিদ্যালয় নেট ঃ

তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাই, তথ্য আহৰণৰ সুযোগ্যতা আৰু গতি বৃদ্ধিত, বাস্তৱতে সহায় কৰিব আৰু প্ৰশাসনিক কাৰ্যত প্ৰয়োজনীয় হোৱা কষ্টৰ পৰিমাণো হ্ৰাসো কৰিব। পৰিৱৰ্তনীয় পৰিচালনা কৌশল হিচাপে তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ সামগ্ৰী হিচাপে প্ৰশাসনীয় কাৰ্য হ্ৰাস কৰা অথবা তথ্য যোগান ধৰাৰ ক্ষেত্ৰত, তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ সামগ্ৰী আৰু পদ্ধতিসমূহ প্ৰত্যক্ষ মূল্য আছে।

যেতিয়া বিদ্যালয় নেট, বিদ্যালয় পৰিৱেশত প্ৰৱেশ কৰে তেতিয়া পৰিৱেশৰ সকলো ব্যৱস্থাই সলনি হৈ যায়। তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ কৌশলসমূহ বিভিন্ন ধৰণৰ কৌশলৰ বহল পৰিসৰক সাঙুৰি লয় যেনে— বুনিয়াদী প্ৰয়োগৰ দক্ষতাৰ পৰা আৰম্ভ কৰি এটা e-mail মেছেজ পঠিওৱাৰ দক্ষতা, বিভিন্ন উৎসৰ পৰা আহৰিত তথ্যসমূহৰ অৱস্থান, মূল্যায়ন, বিশ্লেষণ আৰু সাৰাংশসমূহ অনুক্ৰমে সজোৱাৰ কৌশল ইত্যাদি। (যাক তথ্য সাক্ষৰতা (Infermation Literacy) হিচাপে জনা যায়)। এই অনুক্ৰমিক কৌশলসমূহ পৰিচালনাৰ সকলো ক্ষেত্ৰতে প্ৰয়োগ কৰা হ'ব।

### ৭.৭ বিত্তীয় যোগান ব্যৱস্থা ঃ

যিহেতু ভাৰত চৰকাৰে বিশ্ব বেংকৰ পৰা বৈদেশিক বিকাশ অনুদান বিচাৰে তথা UK চৰকাৰৰ

ইত্যাদিৰ পৰা SSA ৰূপায়ণৰ বাবে সহায় বিচাৰে সেয়েহে এই অনুদানৰ বিতৰণসমূহ সকলো বৈধ সন্মতিৰ দ্বাৰা থোৱা উচিত য'ত বাহ্যিক সাহাৰ্যত প্ৰকল্পসমূহ অন্তৰ্ভুক্ত হৈ আছে এই সমূহক বৈদেশিক বিত্তীয় যোগান সংস্থাসমূহৰ সৈতে সহসন্মতিৰ ভিত্তিত বিশেষ ৰূপান্তৰ নকৰা পৰ্যন্ত, সকলো আইনী প্ৰচেষ্টাৰ মাজেৰে সম্পন্ন কৰি থাকিব লাগে। এইসমূহে, দ্বিতীয় বিকাশৰ কিস্তি সাহাৰ্য/অনুদান আন্তঃৰাষ্ট্ৰীয় দাতাৰ পৰা পাবলৈ, বিদ্যালয় আবাসিক, গাঁও, খণ্ড, জিলা আৰু ৰাজ্যিক পৰ্যায়ত, সময়সূচীত কাৰ্য আৰু খৰচ ৰিপোৰ্ট জমা কৰাটো সূচায়।

ব্যয়ৰ লেনদেনৰ ব্যৱস্থা (Arrangement for sharing expenditure)

সৰ্বশিক্ষাৰ অনুষ্ঠানৰ অধীনত, বিত্তীয় সহায়, ব্যয়ৰ লেনদেনৰ ব্যৱস্থাৰ ওপৰত নিৰ্ভৰশীল যি, নৱম পৰিকল্পনামতে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ ৮৫:১৫ৰ ওপৰত ভিত্তিত, দশম পৰিকল্পনা মতে ৭৫:২৫ লেনদেন ব্যৱস্থাৰ ওপৰত ভিত্তিত আৰু পিছলৈ ই ৫০:৫০ লেনদেনৰ ওপৰত ভিত্তিত। UEEক বিত্তীয় যোগান ধৰাৰ বাবে ৰাজ্য চৰকাৰসমূহৰ পৰা বৰ্দ্ধিত দায়িত্ব আশা কৰিব পাৰি। ৰাজ্য চৰকাৰৰ পৰা ব্যয়ৰ আদান-প্ৰদান ক্ষেত্ৰত হোৱা সমৰ্পন, লিখিত আকাৰে লোৱা হয়।

State Implementation Society (ৰাজ্যিক ৰূপায়ণ সমাজ)

ৰাজ্য চৰকাৰসমূহত, State Implementation Society পঞ্জীভূত হোৱাটো বাঞ্চনীয় আৰু ই SSAৰ অধীনত অনুদান প্ৰাপ্তি দানশীল সমাজ হিচাপে পঞ্জীভূত হয়। ভাৰত চৰকাৰে কেৱল ৰাজ্য চৰকাৰ/কেন্দ্ৰীয় শাসিত অঞ্চলসমূহক অৰ্থ মুকলি কৰি দিয়ে। ৰাজ্য চৰকাৰে কিস্তিসমূহ (প্ৰথমটোৰ বাহিৰে) তেতিয়াহে মুকলি কৰি দিয়ে, যেতিয়া, ৰাষ্ট্ৰীয় আৰু ৰাজ্য চৰকাৰে আগতে দিয়া কিস্তিসমূহ, State Implementation Societyক স্থানান্তৰ কৰে। SSAৰ অধীনত নিযুক্তি লাভ কৰা শিক্ষকসকলে দৰমহা, কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ মাজত হোৱা অংশীদাৰৰ ভিত্তিত লাভ কৰে যি নৱম পৰিকল্পনা সময়ছোৱাত ৮৫:১৫ আছিল, দশম পৰিকল্পনা সময়ছোৱাত ৭৫:২৫ আছিল আৰু পিছলৈ ৫০:৫০ হ'ল।

প্ৰাথমিক শিক্ষাক পুষ্টিসমৰ্থনকাৰী ৰাষ্ট্ৰীয় আঁচনি (মধ্যাহ্ন ভোজন) SSAৰ অংশ নহয়। খাদ্য-শস্য আৰু নিৰ্দ্ধাৰিত যাতায়তৰ খৰচসমূহ বৰ্তমান কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা বহন কৰা হয় আৰু ৰন্ধা খাদ্যৰ খৰচ, ৰাজ্য চৰকাৰৰ দ্বাৰা বহন কৰা হয়। আৰু আন সকলো প্ৰাথমিক শিক্ষাৰ কেন্দ্ৰীয় চৰকাৰৰ আচনিসমূহ (ৰাষ্ট্ৰীয় বাল্যভৱন আৰু NCTEৰ বাহিৰে) সৰ্বশিক্ষা অভিযানৰ লগত, নৱম পৰিকল্পনা মতে, সন্মিলিত কৰা হৈছে।

জিলা শিক্ষা পৰিকল্পনাসমূহে বিভিন্ন আচনিৰ অধীনৰ বিভিন্ন উপাদানৰ পৰা আহৰিত সৰ্বশিক্ষা অভিযানৰ অৰ্থ/সম্পদসমূহৰ সহজলভ্যতা, স্পষ্টকৈ দেখুওৱাব লাগে যেনে— Pradhan Mantri Gramodaya Yojana, Jawahar Gram Samridhi Yojana, Pradhan Mantri Rojgar Yojana, Sunishchit Rozgar Yojana, বিধায়ক/সাংসদসকলৰ Areadevelopment Fund, ৰাজ্যিক পৰিকল্পনা, বৈদেশিক বিত্তীয় যোগান (যিকোনো) আৰু NGO শ্ৰেণীৰ দ্বাৰা উৎপন্ন সম্পদসমূহ। মুঠতে গোটেইখিনি বিত্ত, বিদ্যালয়সমূহৰ মেৰামতি, উন্নতি আৰু পৰিচালনাৰ ক্ষেত্ৰত ব্যৱহাৰ কৰিব লাগে তথা, শিকন-শিক্ষণ সামগ্ৰী সময়মতে আৰু স্থানীয় পৰিচালনাৰ দক্ষতা নিৰ্মাণ, গাঁও শিক্ষা কমিটি/বিদ্যালয়

পৰিচালনা কমিটি/গাঁও পঞ্চায়ত অথবা এটা NGOক বিকেন্দ্ৰীকৰণ ৰূপায়ণৰ বাবে খৰচ কৰিব লাগে। গাঁও/বিদ্যালয়ভিত্তিক সভাই আনুষ্ঠানিকভাৱে এইটো সিদ্ধান্ত ল'ব লাগে, কেনেকৈ এই বিত্তসমূহক এটা নিৰ্দেশনীয় আচনিৰ পৰিসৰৰ ভিতৰত ব্যৱহাৰ কৰিব পাৰি।

**আপোনাৰ অগ্ৰগতিৰ খতিয়ান লওঁক-৮**

১। UEEৰ বাবে, কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰৰ মাজৰ অৰ্থ যোগানৰ অংশীদাৰী দায়িত্বৰ ধৰণ কেনেকুৱা?

......................................................................................

......................................................................................

......................................................................................

২। UEEৰ পৰামৰ্শ ৰূপায়ণৰ বাবে কেনেকৈ বিভিন্ন আচনি, অৰ্থ যোগানৰ বাবে সন্মিলিত কৰা হৈছে? উদাহৰণ দিয়া।

......................................................................................

......................................................................................

......................................................................................

**কাৰ্য-১**

- সংখ্যালঘু সম্প্ৰদায়ৰ পৰা অহা ছোৱালী শিশুসকলৰ বিদ্যালয়ৰ নামভৰ্তি আৰু বিদ্যালয়ত সিহঁতক ধৰি ৰখাৰ বাবে এখন পৰিকল্পনা প্ৰস্তুত কৰক।

......................................................................................

......................................................................................

......................................................................................

**কাৰ্য-২**

- কাৰ্য ১ৰ বাবে বাজেট প্ৰস্তুত কৰক।

......................................................................................

......................................................................................

......................................................................................

- আপুনি প্ৰস্তুত কৰা পৰিকল্পনাটো আৰু বাজেটখন অনুমোদন কৰিবৰ বাবে কাক জমা দিব?

......................................................................................

......................................................................................

......................................................................................

## ৭.৮ সামৰণি মাৰো আহক ঃ

এই গোটটোত আপোনালোকে শিকিলে UEEৰ ৰূপায়ণৰ বাবে, শিক্ষাৰ অধিকাৰ আইনক বিকেন্দ্ৰীকৰণ কৰা হৈছিল, কিয় UEEৰ ৰূপায়ণক বিকেন্দ্ৰীকৰণ কৰা হৈছিল, বিদ্যালয়, বসতি অঞ্চলত, গাঁও, খণ্ড আৰু জিলা পৰ্যায়ত কৰা ক্ষুদ্ৰ পৰিকল্পনা কি? এই পৰ্যায়সমূহ শিক্ষা বিকাশ পৰিকল্পনা প্ৰস্তুত কৰাৰ বাবে কোন দায়ী? শিক্ষা বিকাশ পৰিকল্পনাত কি কি বিষয়সমূহ থাকিব লাগিব, এখন শিক্ষা বিকাশ পৰিকল্পনাৰ মূল্যাংকন মানে কি আৰু ই কেনেকৈ অনুমোদন লাভ কৰে আৰু এই পৰিকল্পনা তদাৰক কৰাৰ বাবে কোন কোন দায়ী?

প্ৰাথমিক শিক্ষাৰ বিকেন্দ্ৰীভূত পৰিচালনাত শাসন সম্বন্ধীয় বিষয়সমূহ কি কি? এখন ব্যক্তিগত অনুদানপ্ৰাপ্ত/অ-অনুদানপ্ৰাপ্ত বিদ্যালয় আদিক স্বীকৃতি প্ৰদান কৰাৰ বাবে কোন দায়ী? শিক্ষাৰ অধিকাৰ আইনত পৰামৰ্শিত, বিদ্যালয়ৰ স্বীকৃতি প্ৰদানৰ অনুসৰণ কৰা প্ৰক্ৰিয়াটো কি?

আপোনালোকে এইটোও শিকিলে যে এজন শিশুক বিদ্যালয় নামভৰ্তিৰ পৰা কোনো বঞ্চিত কৰিব নোৱাৰে? আৰু কোন শিশুৰ অধিকাৰক নিৰাপত্তাৰ দিয়াৰ বাবে দায়ী?

সুদক্ষতা নিৰ্মাণ আৰু প্ৰাথমিক শিক্ষাৰ পৰিচালনাৰ ক্ষেত্ৰত বিভিন্ন স্তৰত যেনেঃ স্কুল, খণ্ড, জিলা, ৰাজ্য আৰু ৰাজ্যিক পৰ্যায়ত সহায়কাৰী হিচাপে তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যাৰ জালি ব্যৱহাৰে কেনেকৈ অৱদান আগবঢ়ায়, তাক আপোনালোকে শিকিলে।

## ৭.৯ পৰামৰ্শমূলক পঠন আৰু প্ৰসংগপুথি ঃ

Educational Plaming and management in small states : concepts and experiences.

– By Godfrey Baldacchino, Charles Farrugia, Common Wealth Secreatariat

A Comprehensive study of Education-By S.Smuel Ravi

http://ssa.ap.nic.in/

http://en.wikipedia.org/wiki/sarva-shiksha-abhiyan

http://wwweducationforallinindia.com/page//2.html

http://scertdelhi.info/

## ৭.১০ গোট সমাপ্তিৰ অনুশীলনী ঃ

১। ক্ষুদ্ৰ পৰিকল্পনা কি? সাম্প্ৰদায়িক মালিকীস্বত্বৰ আধাৰত আপোনাৰ নিজৰ এলেকাৰ ক্ষুদ্ৰ পৰিকল্পনাৰ বিষয়ে আলোচনা কৰক।

২। আপোনাৰ জিলাত থকা মুঠ BRC আৰু CRC সমূহৰ তালিকা প্ৰস্তুত কৰক আৰু প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত BRC আৰু CRC সমূহৰ ভূমিকা আৰু  দায়িত্ব নিৰ্দ্ধাৰণ কৰক।